22/11/89

# Assam Legislative Assembly Debates

सत्यमेव जयते

ASSAM LEGISLATIVE ASSEMBLY LIBRARY DISPUR.

1989

## OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( BUDGET SESSION )

## VOL. XIV

## NO. 18

The 3rd March 1976

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

( Budget Session )

Volume— XIV

No— 18

Dated the 3rd March 1976.

CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 44 |
| 2. | Miscellancouse – — — | — 45 |
| 3. | General Discussion on Budget— — | 4 — 130 |
| 4. | Adjournment— — — — | — 131 |

Proceeding of the fourth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovering Democratic Republican Constitution of India

—

The House met in the Assembly Chamber, Dispur Gauhati on Wednesday, the 3rd March 1976 with the Hon'ble Speaker in the Chair 12 (twelve) Minister, 4(four) Minister of State 1 (one) Deputy Minister) 67 (sixty seven ) Member present.

—

## STARRED QUESTION AND ANSWERS

Date : 3rd March, 1976

( To which oral answers were given )

Starred Question No 205 was not put Member being absent.

বিঃ মাছ উৎপাদন

শ্রীলক্ষীকান্ত শইকীয়াই সুধিছেঃ

* ২০৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত মুঠ কিমান মাছ উৎপাদন হয় আৰু এই মাছে অসমৰ মুঠ চাহিদা পূৰণ কৰেনে ?

(খ) যদি নকৰে, অসমৰ মাছৰ উৎপাদন বৃদ্ধি কৰিবলৈ পঞ্চম যোজনাত কি কি আঁচনি লোৱা হৈছে ?

শ্ৰীউপেন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

২০৬। (ক)—অসমত মুঠ ৪,০৩৬ হাজাৰ টন্ মাছ উৎপাদন হয়। এই উৎপাদনে অসমৰ মুঠ চাহিদা পূৰণ নকৰে।

(খ) আঁচনিবোৰৰ তালিকাখন সদনৰ মেজত ৰখা হৈছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া —উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে অসমত যি পৰিমাণৰ মাছ উৎপাদন হয় সেইখিনিৰে অসমৰ মুঠ চাহিদা পূৰণ নকৰে, তেনেস্থলত সেই মাটি পূৰাবৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে বাহিৰৰ পৰা মাছ অনা হয় নেকি, যদি হয় কৰ পৰা অনা হয় আৰু কেনেকৈ ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী): অসমত মাছ উৎপাদনৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। পুখুৰীৰ পানী পৰিস্কাৰ কৰি আৰু খান্দি মাছ খেতি কৰা মহল উন্নয়ন কৰা আৰু বিলবিলাক উন্নয়ণ কৰা আৰু লগতে পোনা উৎপাদন কৰা আৰু মাছবিলাকৰ কাৰণে পুষ্টিকৰ খাদ্য উৎপাদন কৰা ইত্যাদি, তাৰ বাহিৰেও কিছু পৰিমাণৰ মাছ বাহিৰৰ পৰা আহে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া (মন্ত্ৰী) :—মহোদয়ে কৈছে যে পঞ্চম বাৰ্ষিক

পৰিকল্পনাত মাছ উৎপাদন বৃদ্ধি কৰিবলৈ আঁচনি হাতত লৈছে গতিকে ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনৰ বাৰ্ষিক যোজনাত সময়ত কি কি আঁচনিৰ ব্যৱস্থা কৰা হৈছে আৰু ৪ৰ্থ পৰিকল্পনাত কৈ কিমান উৎপাদন বেছিকৈ বৃদ্ধি হ'ল এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :— যোৱা বছৰ ১৯৭৫।৭৬ চনত কামৰূপ জিলাত প্ৰায় ৩৩ হেক্টৰ মাটিত মাছ উৎপাদন কৰাৰ ব্যৱস্থা কৰা হৈছে, তাৰউপৰিও দিপাৰ্টমেণ্টে কিছুমান ফিচাৰী দেভোলপমেণ্টৰ কাম হাতত লৈছে আৰু তাৰ পৰাও মাছৰ উৎপাদন হৈ আছে তাৰ পৰিসংখ্যা বৰ্ত্তমান মোৰ হাতত নাই, দৰকাৰ হলে সদনত দাখিল কৰিম।

শ্ৰীলক্ষ্মী শইকীয়া :— উপাধ্যক্ষ মহোদয়, যিহেতু এই মাছ এফালে পুষ্টিকৰ খাদ্য আনহাতেদি ইয়াৰ জৰিয়তে নিয়োগৰ সবিধা আছে আৰু ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে, গতিকে তেনে ক্ষেত্ৰত এই মাছ উৎপাদনত চৰকাৰ কিমান দূৰ আগবাঢ়িছে আৰু বছৰি কিমান উৎপাদন বৃত্তি হৈছে সেই বিষয় চৰকাৰৰ হাতত এটা হিচাব থাকিব লাগে। পঞ্চম পৰিকল্পনাত মাছ উৎপাদন বৃদ্ধি কৰাৰ কি কি ব্যৱস্থা হাতত লৈছে আৰু প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক যোজনাৰ সময়ত মাচ উৎপাদন বৃদ্ধিৰ কি পৰিসংখ্যা হ'ল তাক জানিব লাগে। মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছোঁ যে এই উৎপাদন বৃদ্ধি কৰাৰ ব্যৱস্থাৰ দ্বাৰা গতি উৰ্দ্ধগামী হ'ল নে নিম্নগামী হ'ল জনাব নে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :— চৰকাৰৰ কিছুমান ৰেভিনিউ ফিচাৰী আছে সেইবিলাকৰ উৎপাদন ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। যিবিলাক নেচাৰেল ফিচাৰী আছে সেইবিলাকৰ আয়তন ক্ৰমান্বয়ে কমি আহিছে, সেই উদ্দেশ্য মহল উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে নতুনকৈ মহলবোৰ পুখুৰী আৰু বিল বিলাক উন্নয়ন কৰি মাছ বৃদ্ধি কৰিবৰ কাৰণে

চেষ্টা কৰা হৈছে আৰু তাৰোপৰি বিভিন্ন ঠাইত মাছ উৎপাদন কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে কিন্তু সেই হিচাবত কিমান উৎপাদন হৈছে সেইটো মোৰ হাতত বৰ্ত্তমান নাই।

শ্ৰীজালালুদ্দীন আহম্মদ :— অসমত কি কি মাছ উৎপাদন হয় আৰু অসম চৰকাৰে কি কি বিধৰ মাছ উৎপাদন কৰিবলৈ পছন্দ কৰিছে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :— সাধাৰণতে আমাৰ ৰাজ্যত ৰৌ বাহু আৰু মিৰিকা মাছৰ উৎপাদনতেই বেচি মনোযোগ দিয়া হৈছে তাৰোপৰি বিদেশৰ পৰা প্ৰায় ৩ বিধ মান মাছ আমাৰ ৰাজ্যলৈ আহে।

শ্ৰীঅতুল শইকীয়া :— মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে হেক্টৰ হিচাবে কিমান মাছ আমাৰ ৰাজ্যত উৎপাদন হয়। কিমান মাছ, উৎপন্ন পুখুৰী, বিল, নদী আছে আৰু ভাৰতীয় পৰিসংখ্যা কি ?

শ্ৰীউপেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) :— এটা হিচাব উলিওৱা হৈছে, প্ৰকৃততে প্ৰায় ৫০ হেক্টৰ মাটিত পানী বিভিন্ন জিলাত আৰু তাত মাছ উৎপাদন হয় আৰু সেই হিচাব মতে প্ৰতি হেক্টৰ ৫০০ কেজি মাছ উৎপাদন হয়, ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত ইয়াত কিছু কম উৎপাদন হয়, তাত ১৫০০ কেজিৰ পৰা ২২০০ কেজিলৈ উৎপাদন হয়।

শ্ৰীআটাউৰ ৰহমান :— এই যে বিভিন্ন মহল বিলাক পট্টন দিয়া হয়, এই পট্টন দিয়াৰ সময়ত এই বিল বা পুখুৰী বিলাক তেওঁলোকৰ দ্বাৰা পৰিস্কাৰ কৰা বা আন আন যাৱতীয় উন্নয়ন মূলক ব্যৱস্থা লোৱাৰ কাৰণে কিবা তেনেধৰণৰ স্বত্ব দিয়া হয় নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— মহল পট্টন দিবৰ সময়ত তেনে ধৰণৰ 'এগ্ৰিমেণ্ট' আছে আৰু তাত বিল বা মহল বিলাক উন্নত কৰিবৰ কাৰণে

আৰু তাক পৰিস্কাৰ ইত্যাদি কৰাৰ কাৰণে লিখা আছে কিন্তু বেচি ভাগ ক্ষেত্ৰতেই মহলদাৰ বিলাকে সেইটো কৰা দেখা নাযায় অৱশ্যে মাছ মাৰি তাৰ পৰা লাভ কৰিবলৈ বহু টকাৰ প্ৰয়োজন আৰু তাৰে তেওঁলোকে বিলবিলাক পৰিস্কাৰ কৰিবৰ কাৰণে চৰকাৰে যি থিনি দিয়ে তাৰ সম্ভৱ নহয়।

শ্ৰীপ্ৰেম বৰা ঃ— এই যে আমাৰ ৰাজ্যত থকা যিমান বিলাক নৈ বিল পুখুৰী অব্যৱহৃত হৈ পৰি আছে সেইবিলাকৰ পৰা যাতে চৰকাৰে মাছ উৎপাদন বৃদ্ধি কৰিবপাৰে তাৰ কাৰণে এই ঠাইবোৰ চাঁৰতে কৰি তাক কামত খটুৱাবৰ কাৰণে চিন্তা কৰিছে নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) ঃ— এই অব্যৱহৃত ঠাইবিলাক চাৰতে কৰাৰ কাম বৰ্ত্তমান চলি আছে, এই বিল নৈ বা পুখুৰী বিলাক উন্নত কৰিবৰ কাৰণে বহু টকাৰ প্ৰয়োজন হয় চৰকাৰৰ ফালৰ পৰা সেইবিলাক কেনেধৰণে কামত লগাব পাৰি আৰু তাক উন্নত অৱস্থালৈ আনিব পাৰি যাতে তাৰ পৰাও মাছৰ উৎপাদন হয় সেই বিষয়ে চিন্তা কৰি থকা হৈছে। এনে বিলাক কামত চৰকাৰৰ ফালৰ পৰা যথেষ্ট সাহায্য দিয়া হ'ব।

শ্ৰীমৌলনা আব্দুল জলিল চৌধুরী ঃ— উপাধ্যক্ষ মহোদয়, মাছ উৎপাদন বৃদ্ধির জন্য পরিকল্পনা করে ব্যবস্থা গ্রহণ করা হয়েছে বলে মন্ত্রী মহোদয় বলছেন। কিন্তু এই পরিকল্পনা কার্য্যকরী হচ্ছে কি না সে জন্য কোন পরিদর্শক নিযুক্ত করা হয়েছে কি ? যদি হয়ে থাকে তাহলে এই পরিদর্শক কারা ? আর যদি পরিদর্শক নাথাকেন, তাহলে এই পরিকল্পনা কার্য্যকরি করার জন্য এর নিযুক্তির প্রয়োজন আছে বলে মন্ত্রী মহোদয় মনে করেণ কি ?

শ্রীউপেন্দ্র দাস (মন্ত্রী, মীন্ বিভাগ) ঃ— যে গুলি বিলে সরকারী সাহায্যে মাছের চাষ হচ্ছে সেগুলিতে পরিদর্শক আছেন আর তার দেখ-

দেন যাতে মাছের উৎপাদন বৃদ্ধি হয়।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— এই বছৰ বিভাগৰ পৰা কিমান মাছৰ পোনা পুহিবৰ কাৰণে ব্যৱস্থা কৰিছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— সেইটো হিচাব বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰসোনেশ্বৰ বৰা :— মন্ত্ৰী মহোদয়ে আমাৰ উৎপাদনৰ সংখ্যা এটা দিছে চাৰি হাজাৰ টন নে কিবা এটা কিন্তু আমাৰ ৰাজ্যখনৰ মাছৰ চাহিদা কিমান ? অৰ্থাৎ মাছ লাগে কিমান ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— প্ৰায় ষাঠি হাজাৰ কুইণ্টল লাগে।

Starred Question No 207 was not lat Membe being abocut

## RE : DETENUES UNDER MISA

Shri Giasuddin Ahmed asked :—

*208. Will the Chief Minister be pleased to state—

a) How many persons are still under detention under Misa ?

b) Whether Government propose to relise them Shortly ?

Shri Sarat Chandra sinha (Chief Minister) replied :

208. (a)— 306

b) Government have been reviewing the cases of detenuse from time to time and as a result of such review some detenuse have already been released. No person is being kept in detention longer than is absolutely necessary.

Shri Dulal Chandra Khaund :— May I know from the Hon. Chief Minister out of the total number how many of the them are arrested for economic offences ?

Shri Sarat Chandra Sinha ( Chief Minister ) :— Sir, the break-up in that way is not with me. of the total of 370 persons arrested, 6 of them have been released ; now we have 306 persons under detention and of them 32 have been detained for COFEPOSA i. e. for offencas like smuggling etc.

Shri Giasuddin Ahmed :— May I know how many of these persons belong to the Fascist organisations which have been banned ?

Shri Sarat Chandra Sinha ( Chief Ministea ) — In public interest, Sir, I am sorry, further details cannot be revealed.

Shri Dulal Ch. Khaund :— May I know from the Chief Minister whether it is a fact some of the

organisers and workers of these banned organisations are yet to be apprehended or arrested ?

Shri Sarat Chandra Sinha ( Chief Minister ) :— Those who are to be apprehended have been apprehended: There may be some still at large and Government will take necessary steps about them.

Shri Kabir Ch: Rai Pradhani :— May I know the political identity of these persons ?

Shri Sarat Chandra Sinha ( Chief Minister ) :— Political identity of them also cannot be disclased in public interest.

Shri Giasuddin Ahmed :— Whether it is a fact that a large number of members of the Fascist organisations are still at large and no attempt is being made to apprehend them ?

Shri Sarat Chandra Sinha ( Chief Minister ) :— I have already replied that Government have taken all necessary steps to put all necessary persons who have created trouble under arrest. But it is a matter of opinion which persons is to be arrested and which persons is not to be arrested. Government is taking a very serious view of the matter and whenever

they find that some persons are doing mischief, they are taking steps to deal with them as necessary: But to belong to a particular party is not an offence. I am not speaking this with regard to the banned organisations. what is taken in to consideration is the activity of a person.

Shri Badan Ch. Talukdar :— May I know, Sir, how many students are under detention ?

Shri Sarat Chandra Sinha ( Chief Minister ) :— That number is not with me, but their number is very few.

Shri Dulal Chanda Khaund :— Whether it is known to the Govt. that one particular force. i. e. the R. S. S., is trying to re-group in our State.

Shri Sarat Chandra Sinha ( Chief Minister ) :— Hon. Member is in the know of things.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ— মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিছুমান ট্ৰেড ইউনিয়নৰ বিষয়ববীয়া মিচা আইন মতে গ্ৰেপ্তাৰ কৰা হৈছিল সেই ক্ষেত্ৰত সেই ইউনিয়ন বিলাকৰ ওপৰত চৰকাৰৰ ফালৰ পৰা কি নীতি লোৱা হৈছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) ঃ— উপাধ্যক্ষ মহোদয়, ব্যক্তি-জনহে অপৰাধী হয় কিন্তু অনুষ্ঠানটো অপৰাধী নহয়। সেই কাৰণে

ইউনিয়নৰ প্ৰেচিডেন্ট বা চেক্ৰেটাৰীজন অপৰাধী হয়। যদিও ইউনিয়নে অনুষ্ঠান হিচাবে বেয়া কাম কৰিলেহে অনুষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব পাৰি সেই কাৰণে অনুষ্ঠানৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

## Re : HOSPITALS AT DIGBOI AND MARGHERITA

Shri Chandra Bahadur Cherti asked :—

*209 Will the Minister, Health be pleased to state—

(a) Whether there is any proposal for thirty bedded hospitals at Digboi and Margherita within the Fifth Five Year Plan period ?

(b) If so, the progress so far made in this regard ?

Dr, Surendra nath Das ( Minister of State, Health ) replied :—

209. (a)—No

(b)—Does not arise.

Shri Chandra Bahadur Chetri :—Mr. Deputy Speaker, Sir, whether Government is aware that Digboi and Mergharita hospitals are in a dilapidated conditions and most congested, and if so, whether the Hon.

Minister would be pleased to construct new modern hospitals in permanent sites ?

Dr. Surendra Nath Das ( Minister of State, Health ) :— There is already a 16-bedded hospital at Digboi and a primary Health Centre at Mergharite. I quite agree with the Hon. Member that the condition of the building at Digboi is not good. So we will look into it.

Shri Chandra Bahadur Chetri :— उपाध्यक्ष महोदय, मैं मंत्रीजी से जानना चाहता हूँ कि जो ( Digboi Hospital ) है, उसकेलिए मती महोदय, और सरकार क्या कर सकतेहैं ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস [মন্ত্ৰী] চাৰ, হয় এইটো অতীৱক্ত চলি আছে ।

বি ঃ— গুৱাহাটী উদ্যোগ পাম

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ—

*২১০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে

(ক) গুৱাহাটী উদ্যোগ পামত বৰ্ত্তমান কি কি উদ্যোগ চলি আছে ?

(খ) এই উদ্যোগবোৰ ব্যক্তিগত নে ৰাজহুৱা খণ্ডৰ ?

(গ) এই উদ্যোগ পাম কোনে পৰিচালনা কৰে ?

(ঘ) ইয়াৰ বৰ্ত্তমান আৰ্থিক অৱস্থা কেনেকুৱা ?

শ্ৰীছত্ৰ সিং টেৰণ ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

২১০। (ক)—গুৱাহাটী উদ্যোগ পামত বৰ্ত্তমান ২৮ টা ক্ষুদ্ৰ উদ্যোগ চলি আছে আৰু ইয়াৰ তালিকাখন সদনৰ মেজত ৰখা হৈছে।

(খ)—এই উদ্যোগবোৰৰ ভিতৰত দুটা সমবায় খণ্ডত আৰু বাকীবোৰ ব্যক্তিগত।

(গ)—এই উদ্যোগ পামখন অসম চৰকাৰ উদ্যোগ বিভাগৰ দ্বাৰা পৰিচালনা কৰা হয়।

(ঘ)—গুৱাহাটী উদ্যোগ পামৰ বৰ্ত্তমান আৰ্থিক অৱস্থা বেয়া নহয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া:—উপাধ্যক্ষ মহোদয়, গুৱাহাটীত থকা উদ্যোগ পাম এই আঠাইশ খন চলি থকা বুলি মন্ত্ৰী মহোদয়ে জনাইছে সেই উদ্যোগা পামৰ ভিতৰত কোন কেইখন চলি আছে আৰু কোন কেইখন বন্ধ হৈছে আৰু কোনোবা বন্ধ হৈছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীছত্ৰসিং টেৰণ [মন্ত্ৰী]:— আঠাইশ খন উদ্যোগ চলি আছে বুলি কৈছো। মুঠতে বত্ৰিশটা উদ্যোগক ঠাই দিয়া হৈছিল যদিও তাৰে চাৰিখন বন্ধ হৈছিল।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া:—এই উদ্যোগবোৰৰ ব্যক্তিগত আৰ্থিক অৱস্থা সম্পৰ্কে মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

শ্ৰীছত্ৰসিং টেৰণ [মন্ত্ৰী]:— ব্যক্তিগত আৰ্থিক অৱস্থাৰ কথালৈ লক্ষ্য কৰিলে যিকেইটা উদ্যোগ চলি আছে সেই কেইটা উদ্যোগৰ আৰ্থিক

অৱস্থা ভাল বুলিয়েই উদ্যোগ চলি থাকিব পাৰিছে বুলি আমি অনুমান কৰিছো ?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—এই উদ্যোগ বিলাকত যিবিলাক বস্তু উদ্যোপাদন হয়, এইবিলাকৰ বিক্ৰি বা বজাৰ সম্পৰ্কত কি ব্যৱস্থা লৈছে আৰু এইবিলাক কেনেধৰণে চলি আছে ?

শ্ৰীছত্ৰছিং টেৰণ [মন্ত্ৰী] :— এই বস্তু বিলাকৰ বিক্ৰি কৰা ব্যৱস্থাটো উদ্যোক্তা সকলে নিজে কৰে। তেওঁলোকে চৰকাৰৰ ওচৰত যদি সাহাৰ্য্য বিচাৰি আহে তেতিয়া স্বাভাৱিকতে তেওঁলোকক বস্তু বিক্ৰী কৰাৰ কাৰণে পাৰ্য্যমানে চৰকাৰে উদ্যোগবিভাগৰ তৰফৰ পৰা তেওঁ-লোকক সহায় কৰা হয় আৰু আমাৰ যিটো আইন সন্মত ৰেজিষ্টাৰ ইউনিট আছে, তেওঁলোকে বস্তু-বাহানি কিনাৰ ক্ষেত্ৰত আগভাগ লয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— উদ্যোগ প্ৰতিষ্ঠান বিলাকে উদ্যোগ বিভাগক দিবলগা টকা-পইচা বিলাক ঠিক মতে আদায় দি আছেনে ?

শ্ৰীছত্ৰছিং টেৰণ :—সেই সম্পৰ্কত এটা ডাঙৰ সমস্যা হৈছে। যিটো ভাৱা দিব লাগে বহুতে দিয়া নাই। তাৰ কাৰণে যাবতীয় ব্যৱস্থা লৈ আছো আৰু কিছুদিনৰ ভিতৰত দেখা পাইছো যে প্ৰায় উদ্যোগ বিলাকে লাহে লাহে টকা দিবলৈ আৰম্ভ কৰিছে।

শ্ৰীঅতুল শইকীয়া :—জৰুৰীকালিন অৱস্থা ঘোষণা হোৱাৰ পিচত এই উদ্যোগ পামৰ কোনোবা উদ্যোগ বন্ধ হৈছে নেকি ? যদি হৈছে, সেয়া কেনেকৈ হবলৈ পালে। এই সংক্ৰান্তত চৰকাৰে কি নীতি লৈছে ?

শ্ৰীছত্ৰছিং টেৰণ [মন্ত্ৰী] :— জৰুৰী অৱস্থা ঘোষণাৰ পিচত কোনো

উদ্যোগ বন্ধ হৈছে নেকি সেইটো থিককৈ কব নোৱাৰিম । সেইটো খবৰ লব লাগিব ।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :—এই ধৰণৰ উদ্যোগপতি সকলৰ কোন কোন উদ্যোগপতিয়ে কিমান টকা দিবলৈ বাকী আছে, বিক্তিগত খণ্ডৰ উদ্যোগপতি সকলে এই ভাৰ কিমান বছৰৰ পৰা দিবলৈ বাকী আছে আৰু কোনে কিমান টকা দিবলৈ বাকী আছে ?

শ্ৰীছত্ৰসিং টেৰণ [মন্ত্ৰী]:— সেইখন ববদীঘলিয়া লিষ্ট হয় । মুঠ সংখ্যাটো ৩১-১২-৭৫ তাৰিখেলৈ দেখা যায় প্ৰায় ১৫ লাখ টকা বাকী আছে ।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :— ব্যক্তিগত খণ্ডৰ উদ্যোগপতিৰ সংখ্যা বেছি নহয় । এই উদ্যোগ পতি সকলৰ নাম দিয়ক । তেওঁলোকে এই উদ্যোগ কেতিয়া স্থাপন কৰিছে আৰু কিমান টকা বাকী আছে ?

শ্ৰীছত্ৰছিং টেৰণ [মন্ত্ৰী]:—তেওঁলোকৰ ২৪ জন মান আছে । ৩১-১২-৭৫ তাৰিখেহে মই সংখ্যাটো আনিছো । তাৰ পিচত লিষ্ট আনিব পৰা নাই । ইতিমধ্যে হয়তো কোনোবাই দিছে ।

(১) আসাম কাৰ্বন প্ৰডাক্টড লিমিটেড ৪১, হাজাৰ টকা ।
(২) আসাম কেনভাচ ক্ৰাফ্‌ট ইণ্ডাষ্ট্ৰিচ, ১ লাখ ১০ হাজাৰ ।
(৩) আসাম ইণ্ডাষ্ট্ৰিয়েল কোৰপোৰেচন ৬৫ হাজাৰ ৪৭৭ টকা ।
(৪) আসামা এপেক্স উইভাৰ্চ কো-অপাৰেটিভ চোচাইটি লিমিটেড ২২ হাজাৰ ৪৪০ টকা ।
(৫) অসম বয়ন শিল্পানুষ্ঠান ৪১ হাজাৰ ১২৩ টকা ।
(৬) আসাম পলিথেনি লিমিটেড (পি) ২৪ হাজাৰ ৯'৮২ টকা ।

(৭) আসাম পেপাৰ বেগ ইণ্ডাষ্ট্ৰিজ ৬,৬৫৯ টকা।

(৮) এলাইড ইণ্ডাষ্ট্ৰিজ ২৮, ৫৩০ টকা।

(৯) আসাম আয়ুৰ্বেদিক প্ৰডাক্টচ ১, ৬১, ৭৮৪ টকা (গেট আণ্ডাৰবি।

(১০) বৰুৱা ইণ্ডাষ্ট্ৰিজ ৮৮, ১৪৫ টকা।

(১১) বাগ্ৰদিয়া মেটিল ইণ্ডাষ্ট্ৰিজ ১, ১৫, ৮৮০ টকা (১-১১-৭৫ বন্ধ।

(১২) ভাগবতী কেবল ইণ্ডাষ্ট্ৰিজ ৫৯, ৮০৯ টকা।

(১৩) কলিকতা টায়াৰচ ২৩, ২৩৫ টকা।

(১৪) ইষ্টাৰ্ণ কেমিকেল এণ্ড পেইন্ট ইণ্ডাষ্ট্ৰীজ ১৭,৯২২ টকা।

(১৫) ফ্ৰন্টিয়েৰ প্ৰিন্টিং এণ্ড পব্লিচিং কোপাৰেটিভ চচাইটি লিমিটেড ৩,৮২০ টকা।

(১৬) হাবলা লকা এম, চি, এণ্ড কোং ২৫, ৯৬৭ টকা।

(১৭) আই, চি, চি, অ (পি) লিমিটেড ৬০, ৭৯৭ টকা।

(১৮) কিৰণ ইণ্ডাষ্ট্ৰিজ ৫৪, ১৭১ টকা।

(১৯) মৰ্ডাণ মেটেল মাউলডাৰ, ৫১, ২৮০ টকা।

[২০] মেক টেকনিক ৪০, ১২২ টকা।

[২১] নিম্পিগিৰী এণ্টাৰ প্ৰাইজ ৬৯, ৪২০ টকা।

[২২] কেবজ এণ্ড কোং [পি] লিমিটেড ১,২১, ২৭৫ টকা।

[২৩] পুৰ্ব্বাঞ্চল কেমিকেলচ, [পি] লিলিটেড ৮, ৬৫৭ টকা।

[২৪] পি, এম, বেটাৰি ওৱাৰ্কচ ৫১, ৬৯৬ টকা (১৯৬৯ ৰ পৰা বন্ধ।)

[২৫] পি দাস এণ্ড কোং ৩৭, ৯১৪ টকা।

[২৬] পাৰাৰলোম ট্ৰেইনিং কাম দেমনষ্ট্ৰেচন চেণ্টাৰ চৰকাৰী ইয়াৰ কথা বেলেগ।

[ ২৭ ] আৰ,কে কাকতি ১০, ৭৫০ টকা
[ ২৮ ] ট্ৰোষ্টিল প্ৰডাক্ট ২৯, ০০২ টকা ।
[ ২৯ ] ষ্ট্ৰাকচাৰেল মেনোফেকচাৰিং [পি] লিমিটেড ৩১,২০০ টকা।
[ ৩০ ] ইমপেকস্ [ কেল ] প্ৰাইভেট লিমিটেড ৩৯,১৫১ টকা ।

Md. Abdul Jalil Choudhury :— उपाघक्ष महोदय, समस्या जो । लक्ष रुपया पर दो या तिन Industrialist ने देने के लिये बाकी है और 62 हजार रुपये पर सम्भवतः चार आनमी देने के लिये बाकी हैं। उनके लिये क्या किया है ? आदाय करने के लिये क्या व्यवस्था किया है ? और क्या बजा हैं ?

Shri Chatrasing Teron, ( Minister ) :—Sir, the difficulty was that there has been some dispute about the rate that is charge in the Industrial Estate. Government, in fixed the rate at Rs. 15 per 100 Sft. that means, per Sft. it comes to 15 Paisa. The Government considered that was quite reasonable than the rate was prevailing earlier but nonethless so far as the industries are concerned which are housed in the industral estate they have been quite reluctant to pay and they were objecting by saying that it was a quite high rate and submitted for revision of the rate. That matter is now under consideration of the Government but in the meantime we have requested them to continue makiug payment at the rate that has been fixed by the Government till the matter is finalised and if

it is not paid then appropriate steps will be taken and we have taken certain steps also like not allowing them to take out their goods and take in their raw materials inside the iudustrial estate.

Md. Abdul Jalil Choudhury :— नेहीं नेहीं। ओ तो इंरेजी में जो बोल्ते हैं, ओतो मै समझा नेहीं हैं।

Shri chatra sing Teron (Minister) :— Sir, these are the steps we have taken.

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— যি উদ্যোগ প্ৰতিষ্ঠানে দিব নোৱাৰা অৱস্থা হোৱা কাৰণে দিব পৰা নাই তেওঁলোকৰ অৱস্থা ভাল কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে আৰু যি বিলাকে দিব পৰা অৱস্থা থকা সত্ত্বেও দিয়া নাই, তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) :— ব্যক্তিগত ভাৱে ইণ্ডাষ্ট্ৰীয়েল মেনেজাৰে যোগা যোগ কৰি আছে। যি বিলাকে কিস্তি হিচাবে টকা নিদিয়ে তেওঁলোকৰ বস্তু বাহিৰৰ পৰা ভিতৰলৈ যাব নোৱাৰে আৰু তেওঁলোকৰ উৎপাদিত বস্তু বাহিৰলৈ আহিব নোৱাৰে। এতিয়া দেখা গৈছে লাহে লাহে পেমেণ্ট হব ধৰিছে। ছয় মাহৰ ভিতৰত প্ৰায় ২ লাখ ৫০ হাজাৰ টকা আদায় হৈছে।

Shri Giasuddin Ahmed :—Whether in the agreement is has been laid down that the cntvehvencurs are to pay a certain rate of rent i. e. Rs. 15/ or so and whether they have signed the agreeiment agreeing to pay the rent at the some rate fixed by the

Govt. ? If so how could they say that the rent fixed by the Govt. is high ?

Shri Chatrasing Teron, ( Minister ) :—Sir, the rent was fixed long before. That was en 1959-60. The rete fixed was I think it wts Rs. 6/-per 100 sq. ft. But subsequently, considering all the circumstances, the rate wasraised and there the dispute arose. But in the agreement, it is true that they were to pay the rent fixed by the Govt. monthly.

Shri Giasuddin Ahmed :—Whether it was again laid down in the agreement that the Govt. will be at liberty to raise the rate of rent whenever they think ft ?

Shri Chatrasing Teron, [ Minister ] :— Yes, it is there that the Govt. may revise the rate from time to time

ডাঃ ৰবীন কুমাৰ গোস্বামী :—এই উদ্যোগপাম বিলাক পৰিচালনাৰ ক্ষেত্ৰত কিছুমান অভিযোগ অহাত তাতনগৰ কমিচনক তদন্ত কৰিবলৈ দিয়া হৈছিল। তেওঁলোকে তদন্ত কৰিছে নেকি আৰু যদি কৰিছে তাৰ ফলাফল কি হ'ল আৰু সেই সম্পৰ্কে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীছত্ৰসিং টেৰণ ( মন্ত্ৰী ) : সেইটো চাব লাগিব।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :—মন্ত্ৰী মহোদয়ে এটা পৰিপূৰক প্ৰশ্নোত্তৰত কৈছে যে উদ্যোগপতি সকলে ১৫ টকা পাৰ স্কুয়েৰফিট বেছি হৈছে বুলি চৰকাৰৰ ওচৰত দৰ্খাস্ত দিছিল। গতিকে এই দৰ্খাস্ত বিবেচনা কৰা

কাৰণে আৰু কিমান সময় লাগিব? আন এটা প্ৰশ্ন হৈছে এই লিষ্টৰ পৰা দেখা যায় ১৯৬১ চনৰ পৰাই কিছুমান লোকে ভাড়া দিবলৈ বাকী আছে আৰু আমাৰ চৰকাৰে ১৯৫৯ চনত ৰেণ্ট ফিক্স কৰা হৈছে আৰু তাৰ মানে কেতিয়াৰ পৰাই ভাড়া দিয়া নাই এই কথা সচা নে?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) :— কিছুমান আছে আৰু কিছুমানে দুই এটা কিস্তি দিছে। ভাড়া দিয়া নাই কাৰণেইটো জোৰ দিব লগা হৈছে?

Shri Atul Chandra Saikia :— Sir, Just near the Industrial Estate, there is an industrial housing complex: Whether the employees employed by the industrialists are entitled to accommodation and whether any rent is due on that account a so which is payable to the Govt?

Shri Chairasing Teron, [Minister] :— Sir, within the industrial area, i. e. the indusirial Estate itself, we do not provide any accommodation for housing the employees for staying there.

Shri Atut Ch. Saikia :— There is an industrial housing complex a little ahead of the industrial estate. Whether the employees employed by the Industrial Estate, they can get their employees accommodated there. Now whether the rent payable by the industrilists has also been inclued in the arrear list. If not, why not.

Shri Chatrosing Teron [Minister] :— No, It is

not there. That is the arrear rent which I have mentioned.

শ্ৰীনগেন বৰুৱা :— মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নে যিবিলাক উদ্যোগপতি তেওঁলোকে অকল ঘৰভাড়া দিব আছে নে বাকী বাহিৰা কেছামাল আদিবো বা যিবিলাক সামগ্ৰী চৰকাৰৰ ফালৰ পৰা যোগানধৰা হয় সেইবিলাকবো দিবলৈ বাকী আছে ? আৰু কেছা-মালবিলাক কি বেচিচত দিয়া হয় ?

শ্ৰীছত্ৰসিং টেৰণ ( মন্ত্ৰী ) :— এইটোৰ এটা বেলেগ প্ৰশ্ন দিলে উত্তৰ দিবলৈ সুবিধা হব ।

শ্ৰীৰেৱতী দাস :— এইযে ২৮ খনৰ ভিতৰত ৪ খন উদ্যোগ বন্ধ কৰা বুলি কৈছে এই চাৰিখনৰ মালিক কোন কোন আৰু কিমান চনৰ পৰা বন্ধ ৰাখিছে জনাবনে ? এই উদ্যোগত যি সকল কৰ্মীয়ে কাম কৰিছিল সেই কৰ্মী সকল এতিয়া কি অৱস্থাত আছে ?

Shri Chatra sing Teron, ( Minister ) :— তেওঁলোকে কৈছে Bagradia Model Industries, M.P. Bagradia and others they are the owners of the industry and Haralalka M. C. & Co., and then P. M. Battery works, P. C. Mazumder is the owner and it was closed since 1969 and then Impleys, Calcutta Private Ltd., B.N. Nath is the owner or Managing Director of the industry and it was closed down forquite sometime but one of the estate is still under their occppation ;

## Re :— RAILWAY SLEEPERS OF SAPASGRAM DEPOT

Shri Giasuddin ahmed asked :—

*211. Will the Minister, Forests be pleased to state

(a) Whether it a fact that a scandal concerning supply of Railway Sleepers faom Sapatgram. involving about fifteen lakhs of rupees was brought to the notice of the Government ?

(b) If so, what steps have been taken by Govornment in this regard ?

Dr. Lutfur Rahman ( Minister, Forests replied :

211: (a)—A case of shortage or Railway Sleepers foom Sapatgram Depot has come to tne notice of the Government. The amount involved is estimated to be about Rs. 5, 44, 972, 39, P.

(b)—Necessary departmental action is being taken.

Shri Giasuddin Ahmed :— Sir, how long back this wasbrought to the notice of the Govt. ?

Dr. Lutfur Rahman, ( Minister ) :—It was in 1971, Sir.

Shri Giasuddin Ahmed : - Sir, what is the nature of the shortage ?

Dr. Lutfur Rahman :— Sir, the nature of shoage is sleepers total quantity B. G. 12, 406 pieces and M. G. 7, 208 pieces. Tese are missing from the Depot.

Shri Giasuddin Ahmed :— Sir. any payment has been mrde for these missing sleepers ?

Dr. Lutfur Rahman, ( Minister ) :— Papment to whom ?

Shri Giasddin Ahmed :— Payment to the contractor concerued.

Dr. Lutfur Rahman, ( Minister ) :— Yes, sir.

Shri Dulal Ch. Khound :— Sir, if the payment was made, who ordered the payment ?

Dr. Lutfur Rahman,( Minister ) :— Sir, payment is made by the D. F. O. concerned when the passing officer whe is usally an A; C. P after passing the sleepers ecvtifies and the Depot Officer certifies the receiving of the sleepers, then the bill goes to the D. F. O. who makes the payment.

Shri Dulal Chandra Khound :— Sir, according

to Minister the Depot Officer has to certify the acceptance of the sleepers. May I know whether the Depot Officer certified it and if so what action has been against the Depot Officer who certified the supply of sleepers ?

Dr. Lutfur Rahman, ( Minister ) :— All these were certified. There have been several Depot and one of them was Shri E. Hussain who is already retired. Regarding the loss, action is being taken.

Shri Badan Chandra Talukder :— what action has been taken ?

Dr. Latfur Rahman ( Minister ) :— Departmental proceedings are bing drawn up against them.

Shri Dulal Chandra Khound :— The Minister said that there were several Depot Officers. I do not think at a time several Depot Officers certified. I should like to know which officer certified it and what action has been against the particular officer ?

Dr. Latfur Rahman ( Minister ) :— It is not a particular consignment. Hundreds of consigoments were received by the offcers spread over the period from 1966 to 1971 and several Depot Officeers were concened.

Shri Promode Chandra Gogoi :— The Minister has informed the House that the matter was brought to the notice of Government in 1971. I want to know when the payment were made ?

Dr. Latfur Rahman ( Minister :— Payments were made during the years 1966-71.

Shri Giasuddin Ahmed :— Who were the Depot Officers in the rrlevant period i. e. from 1966-71 ?

Dr. Latfur Rahman ( Minister ) :— Shri E. Husaain, Ranger, Shri U. C. Sarma, then Ranger now A. C. F. and Shri R. N. Barman, Ranger.

Shri Giasudden Ahmed:— Who were the contractors ?

Dr. Latfur Rahman ( Minister ) :— It is very difficult to give the names of the contractors because it is a long process of supply of sleepers. Contractors have been supplying the consignments since 1966 to 1971. one consignment was supplied after another and these were loaned as per placing of wagons by the Contractoas. Therefore, it became difficult to fix who were the contractors. ultimately the contractors were found out. But they said that 'we had the certificate that we

have supplied the sleepers and we are not responsible for the missing sleepers.'

Shri Giastddin Ahmed :— To whom the payments were made ?

Dr. Lutfur Rahman ( Minister ) :— To the contractors.

Shri Giauddrn Ahmed :— Who were ths contractors, precisely I want to know that.

Dr. Lutbur Rahman ( Minister :— There were many contracaors and the list is very long Sir. I can supply the names to the questioner.

Mr. Deputy Speaker :— All right, you give it to the questioner.

Shri Giasuddin Ahmcd :— Whether the contracrors have been black listed or they are still given the Govt. contract ?

Dr. Lufur Rahman ( Minister :— The responsibility yet could not be finally fixed.

Shri Giasuddin Ahmed :— Whether thorugh investigation has been made ?

Dr. Latfur Rahman ( Minister ) :— It has been made.

Shri Giasuddin Ahmed :— Is it a fact that attempt was made to hush up he wholet at the top level ?

Dr. Latfur Rahman ( Minister ):— It is not a fact.

Shri Dulal Chandra Khound :— Wether the officers are under suspension now or they have been promoted ?

Dr. Latfur Rahman ( Minister ) :— None is under suspension at the moment.

শ্ৰীবিৰেন ৰাম ফুকন ঃ— যি বিলাক শ্লিপাৰ ডিপুৰ পৰা হেৰাল সেই খবৰটো পুলিচক দিয়া হৈছিলনে নাই ? আমি জনাত সকলো খবৰ পুলিচক দিব লাগে। তাৰোপৰি ইমান বিলাক শ্লিপৰ কেনেকৈ হেৰাল পানীত উটি গলনে কেনেকৈ হেৰাল ?

Dr. Latfm Rahman (Minister —I.G.P. has been kept informed of the matter and the investigation was made by the Anti-Corruption Branch. Therefore, the police was informed .

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড ঃ—মোৰ প্ৰশ্নটোৰ আধা উত্তৰ নাপালো। মোৰ প্ৰশ্নটো আছিল যে শ্লিপাৰ হেৰুৱাৰ পিচত কিমান জনক প্ৰমোচন দিছে আৰু কাক কাক দিছে ?

Dr. Latfur Rahman ( Minister ) Shri U.C. Sarma

then Ranger is now A.C.F.

Shri Premodhar Bora :—Sir, it is a long pending case hanging over the period from 1966 to 1971 and the Minister has said that Departmental proceedings have been going on. May I know how long will it take to finalise the whole matter ?

Dr. Latfur Rahman [ Minister ]:— I quit agree Sir, it has been a long pending case : Since it came to the notice of this Govrnment we have been pursuing the matter. It is such a long drawn matter where han-dreds of papers and many officers are involved and it is difficult to come to the conclusion regardidg the investigation. We are now in a position to draw up proceedings against the officers as we are now definite who are involved in it.

বিষয় ঃ অনুসূচীত জাতিৰ কল্যানৰ বাবে আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*২১২। মাননীয় পিচপৰা জাতি সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অনুসূচীত জাতিৰ কল্যাণৰ বাবে কি কি আঁচনিত টকা দিয়া হয় ?

খ) ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনৰ বাৰ্ষিক যোজনাত অনুসূচীত জাতিৰ কল্যাণৰ বাবে কি কি শিতানত টকা অনুদান দিয়া হৈছে ?

গ) এই টকা কোন মহকুমাত কিমান টকা দিয়া হৈছে ?

ঘ) এই আঁচনিবোৰ কাৰ পৰামৰ্শ লৈ কি ভিত্তিত লোৱা হয় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২১২ । (ক)—অনুসূচীত জন জাতিৰ কল্যাণৰ বাবে নিম্ন লিখিত আঁচনি-বোৰত টকা দিয়া হয়—

প্ৰথম বিভাগ—শিক্ষা

১) বিনামূল্যে শিক্ষা

২) বিশেষ বৃত্তি ।

৩) কৃষ্টিমূলক কাৰ্য্যৰ বাবে মঞ্জুৰী ।

৪) বেচকাৰী শিক্ষামূলক কাৰ্য্যৰ বাবে মঞ্জুৰী ।

দ্বিতীয় বিভাগ—আৰ্থিক উন্নতি

৫) কাৰিকৰী শিক্ষাৰ বৃত্তি

৬) শিক্ষান্ত শিকাৰু আৰু কৰ্মৰত কাৰিকৰী সকলৰ বাবে আৰ্থিক সাহাৰ্য ।

৭) বিভিন্ন কাৰিকৰী বিদ্যাৰ বাবে জলপানী ।

৮) অনুসূচীত জনজাতিৰ মাজত বেচম আৰু বয়ন শিল্পীৰ উন্নতি বিধান ।

৯) পশু চিকিৎসা ক্ষেত্ৰ সহায়কৰ প্ৰশিক্ষণৰ বাবে জলপানী ।

১০) ব্যক্তি পৰিচালিত গোহাৰি আৰু গৰু আদিৰ পাম স্থাপনৰ বাবে মঞ্জুৰী।

১১) ৰাস্তা আৰু দলং নিৰ্ম্মাণ আৰু এইবোৰৰ উন্নতি আৰু সমাপ্তিকৰণ।

১২) বিভিন্ন ধৰণৰ সমবায় সমিতিৰ বাবে মঞ্জুৰী।

- তৃতীয় বিভাগ-স্বাস্থ্য, গৃহনিৰ্ম্মাণ আৰু অন্যান্য।

১৩) যক্ষ্মা আৰু অন্যান্য ৰোগত আক্ৰান্ত হোৱা ৰোগীসকলৰ বাবে আৰ্থিক সাহাৰ্য্য।

১৪) ধাত্ৰী সেৱা প্ৰশিক্ষণ জলপানী।

১৫) বেচৰকাৰী অনুস্থানৰ দ্বাৰা পৰিচালিত কুষ্ঠ প্ৰতিশেধক আঁচনিৰ বাবে মঞ্জুৰী।

১৬) গ্ৰাম্য পানী যোগান আঁচনিৰ বাবে মঞ্জুৰী।

১৭) ভেষজালয় উন্নতি বিধান আৰু অসম্পূৰ্ণ আঁচনিবোৰৰ সমাপ্তি কৰণ।

১৮) অনুসূচীত জনজাতিৰ কল্যাণমূলক বেচৰকাৰী অনুস্থানৰ মঞ্জুৰী।

১৯) আত্ম সাহাৰ্যামূলক আঁচনিৰ বাবে মঞ্জুৰী।

২০) জনজাতিৰ বিশ্ৰাম ঘৰ নিৰ্মাণ।

২১) ভৈয়ামৰ জনজাতিৰ উন্নয়ন নিগম (আংশিক ধন)।

খ)—আঁচনি অনুযায়ী ধনৰ বিতং বিবৃত্তি সদনৰ মেজত দিয়া হ'ল।

গ)— ঐ

ঘ)—ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰ চৰকাৰৰ পৰামৰ্শত এই আঁচনিবোৰ লোৱা হয়। পিচত প্ৰয়োজন অনুসাৰে উপদেষ্টা পৰিষদৰ সভ্য সকলে অদল বদল কৰে।

বিষয় অনুসূচীত জাতিৰ কল্যাণৰ বাবে আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে:—

* ২১৩। মাননীয় পিচপৰা জাতি সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অনুসূচীত জাতিৰ কল্যাণৰ বাবে কি কি আঁচনিত টকা দিয়া হয়?

খ) ১৯৭৪-৭৫ আৰু ১৯৭৫-১৯৭৬ চনৰ বাৰ্ষিক যোজনাত অনুসূচীত জাতিৰ কল্যাণৰ বাবে কি কি শিতানত টকা অনুদান দিয়া হৈছে?

গ) এই টকা কোন মহকুমাত কিমান টকা দিয়া হৈছে?

ঘ) এই আঁচনিবোৰ কাৰ পৰামৰ্শ লৈ কি কি ভিত্তিত লোৱা হয়?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমাজ কল্যাণৰ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২১৩। (ক) অনুসূচীত জাতিৰ কল্যাণৰ বাবে নিম্ন লিখিত আঁচনি-বোৰত টকা দিয়া হয়—

প্ৰথম বিভাগ— শিক্ষা

১। বিনামূল্যে শিক্ষা।

২। বিশেষ বৃত্তি

## দ্বিতীয় বিভাগ—আৰ্থিক উন্নতি

৩) কাৰিকৰী শিক্ষাৰ বৃত্তি।

৪) শিক্ষান্ত শিকাৰু আৰু কৰ্ম্মৰত কাৰিকৰী সকলৰ বাবে আৰ্থিক সাহাৰ্য্য।

৫) কুটীৰ শিল্পৰ উন্নতিৰ বাবে আৰ্থিক সাহাৰ্য্য।

৬) বিভিন্ন কাৰিকৰী বিদ্যাৰ বাবে বৃত্তি।

৭) কুটীৰ শিল্পৰ কৰ্ম বা সেৱা কেন্দ্ৰ।

৮) অনুসূচীত জাতিৰ মাজত ৰেচম আৰু বয়ন শিল্পীৰ উন্নতি সাধন।

৯) পশু চিকিৎসকৰ ক্ষেত্ৰ সহায়কৰ প্ৰশিক্ষণৰ বাবে বৃত্তি।

১০) ব্যক্তি পৰিচালিত গৰু আৰু গাহৰি পাম খুলিবৰ বাবে সাহাৰ্য্য।

১১) বিভিন্ন ধৰণৰ সমবায় সমিতি বাবে অনুদান।

## তৃতীয় বিভাগ—স্বাস্থ্য, গৃহ নিৰ্ম্মাণ আৰু অন্যান্য।

১২) যক্ষ্মা আৰু অন্যান্য ৰোগত আক্ৰান্ত ৰোগী সকলৰ বাবে মঞ্জুৰী।

১৩। ধাত্ৰী সেৱা প্ৰশিক্ষণৰ বাবে বৃত্তি।

১৪। গ্ৰাম্য পানী যোগানৰ বাবে অনুদান।

১৫। হৰিজনকে আদি কৰি অনুসূচীত জাতিৰ লোকৰ বাবে গৃহ নিৰ্মাণৰ মঞ্জুৰী।

১৬। অনুসূচীত জাতিৰ কল্যাণমূলক বেচৰকাৰী অনুষ্ঠান আৰু নাম-ঘৰৰ বাবে সাহাৰ্য্য।

১৭। আত্মসাহাৰ্যমূলক আঁচনিৰ বাবে অনুদান।

খ) আৰু (গ)— আঁচনি অনুযায়ী নিৰ্দ্ধাৰিত ধনৰ বিতং বিবৃত্তি সদনৰ মেজত দিয়া হল।

ঘ)— ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শত এই আঁচনিবোৰ লোৱা হয়। পিচত প্ৰয়োজন অনুসাৰে ৰাজ্যিক উপদেষ্টা পৰিষদৰ সভ্য সকলে এই আঁচনিবোৰ অদল-বদল কৰে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি বোৰ আঁচনিৰ কথা ইয়াত উল্লেখ কৰিলে সেই বিলাক আঁচনিৰ কাৰণে কোনো পৰ্য্যায়ক আঁচনিৰ টকাবিলাকা মঞ্জুৰ কৰা হয় আৰু সেই বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তদাৰক কৰাৰ কাৰণে কি ব্যৱস্থা কৰা হয় সেইটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম [ মন্ত্ৰী ] :—এই বিভিন্ন আচনি বোৰ বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰাই কাৰ্য্যকৰী কৰা হয় আৰু এই আচনি বিলাক কাৰ্য্য-কৰী হৈছেনে নাই সেইটো তদাৰক কৰাৰ কাৰণে সেইবিভাগেই চোৱা চিন্তা কৰাৰ ব্যৱস্থা আছে।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ—উপাধ্যক্ষ মহোদয়, কোন পৰ্য্যায়ত সেই-বিলাক আঁচনিৰ টকা মঞ্জুৰী হয়– মহকুমা ভিত্তিত নে ৰাজ্যিক ভিত্তিত মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম [মন্ত্ৰী] ঃ—এই বিলাক টকা ৰাজ্যিক পৰ্য্যায়ৰ পৰাই হয়। বিতৰণৰ কাৰণে প্ৰত্যেক মহকুমাত জনজাতিৰ একোটা উপদেষ্টা কমিটি আছে। চিডিউল কাষ্টৰ কাৰণেও আছে। সেই উপ-দেষ্টা কমিটি বিলাকৰ পৰামৰ্শ অনুসৰি বিভিন্ন যিমান খিনি টকা ধৰাহয় সেইমতে বিতৰণ কৰা হয়।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ—উপাধ্যক্ষ মহোদয়, এই আঁচনিৰ টকা পাবৰ কাৰণে বা টকা মঞ্জুৰী পাবৰ কাৰণে ৰাজ্যখনৰ সকলোঅঞ্চলৰ পৰাই দৰ্খাস্ত আহ্বান কৰা হয়নে কোনো ব্যক্তিগত মানুহক মাতি আনি বা কোনো জনা মানুহক মাতি আনি এই টকা বিলাক দিয়া হয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ— প্ৰত্যেক মহকুমাতে বিভাগীয় কৰ্ত্তপক্ষই দৰ্খাস্ত আহ্বান কৰে আৰু উপদেষ্টাকমিটিয়ে সেইবিলাক চাই চিতি মঞ্জুৰ কৰি দিয়ে।

শ্ৰীলক্ষীকান্ত শইকীয় ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, আমি জনাত সেইটো সচা নহয়। আমি জনাত বিধান সভাৰ সংৰক্ষিত আসনৰ যি কেইটা সমষ্টি আছে, সেই বিলাক সমষ্টিৰ অন্তৰ্গত অঞ্চলৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক সকলেইহে এইবিলাক সুবিধা পাইছে আৰু বাকী বিলাক সমষ্টিৰ অন্তৰ্গত এই বিলাক সম্প্ৰদায়ৰ লোকে পোৱা নাই। এই কথা সচাঁ নহয়নে ? যদি হয় তেতিয়াহলে,

সেইটো গুচাবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :—সেইটো সচাঁ নহয়।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :—মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৫-৭৬ চনত ' কালচাৰেল এফেয়াচ'ৰ শিতানত কিমান টকা দিয়া হৈছিল আৰু কাক কাক কিমান টকা দিয়া হৈছে এইটো মন্ত্ৰীমহোদয়ে জনাবনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :—১৯৭৫-৭৬ চনত এই ' কালচাৰেল শিতানত' ১ লাখ টকা আছিল। তাৰে ৭৫ হেজাৰ টকা গুৱাহাটীত কৃষ্টি ভৱন তৈয়াৰৰ কাৰণে বৰাদ্দ কৰা হৈছে আৰু বাকী ২৫ হাজাৰ টকা এতিয়াও সম্পূৰ্ণ বিতৰণ হোৱা নাই।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :—গুৱাহাটীৰ কোন কোন অনুষ্ঠানত এই টকা দিয়া হৈছে জনাবনে? কত এনেকুৱা অনুষ্ঠান বনোৱা হৈছে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :— দিছপুৰ, চাৰি আলিত।

মৌলানা শ্ৰীআব্দুল জলিল চৌধুৰী :— উপাধ্যক্ষ মহোদয়, বেশীভাগ সদস্য বলেছেন ' সঁচা ' আর মন্ত্ৰী মহোদয় বলেছেন 'সচা নহয়,। তাই আমি জিজ্ঞাসা করতে চাই বদরপুর নির্বাচন চক্রের জনসংখ্যার এক চতুর্থাংশ অনুন্নত সম্প্রদায়ের লোক এবং তাদের এক শতাংশ ও এইসব সুযোগ সুবিধা পায়নি সুতরাং এ সম্বন্ধে মন্ত্ৰী মহোদয় তদন্ত করবেন কি?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম মন্ত্ৰী :—১৯৭১ চনৰ লোকপিয়লৰ মতে বেছি জনজাতীয় লোক নাই মাত্ৰ ১০০ মান লোকহে আছে।

মৌলানা শ্ৰীআব্দুল জলিল চৌধুৰী :—উপাধ্যক্ষ মহোদয়, এই

প্ৰশ্নৰ জবাব আমি বুজিনাই

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম :—(মন্ত্ৰী) চিডিউল কাষ্টেও পাইছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— সাধাৰণ সমষ্টীত থকা জনজাতি আৰু অনুসূচিত জাতিৰ লোকসকলৰ ক্ষেত্ৰত বৈষম্য নাইকীয়া কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা লোৱাৰ বুলি কৈছিল। সেই পৰিপ্ৰেক্ষিতত মই মন্ত্ৰী মহোদয়ৰ পৰা জনসংখ্যা অনুসৰি কোন অঞ্চলত কি ধৰণে টকা খৰছ কৰা হৈছে তাৰ এটা হিচাব সদনৰ টেবুলত ৰাখিবনে নেৰাখে জানিব পাৰোনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—জনসংখ্যা অনুসৰিয়েই টকা দিয়া হয়। হিচাব এটা সদনৰ টেবুলত ৰাখিছো সেইটো মাননীয় সদস্যই চাব পাৰিব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—সমষ্টি অনুসৰি হিচাবটো আমাক লাগে।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—সেইটো উলিউৱাটো টান।

শ্ৰীদুলাল চন্দ্ৰ খাউন্দ :—এই বিধান সভা চলি থকা অৱস্থাতে কোনো এটা সুবিধা জনক সময়তে সদনৰ টেবুলত এইটো ৰখাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—সমষ্টি 'ওৱাইজ' নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মাননীয় উপাধ্যক্ষ মহোদয়, বিভাগীয় এই অনুদান বিলাক পোৱাৰ ক্ষেত্ৰত নানান খেলি মেলি আদি হৈ আছে। যত চিডিউল কাষ্ট বা চিডিউল ট্ৰাইবেল নেতা বা মেম্বাৰ সকল আছে তাতেইহে পাই আৰু যত নাই তাত এই বিলাক সম্প্ৰদায়ৰ লোক

থকা স্বত্তেও নেপায়। জনসংখ্যা অনুসৰি যিটো সুবিধা পাবলাগে সেইটো পোৱাৰ কাৰণে ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—যিমান পাৰি সেইটো কৰিবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰশ্নকাৰকে যোৱা তিনি বছৰ ধৰি যোৰহাট মহকুমাৰ ক্ষেত্ৰত হোৱা এই বিলাক বৈষম্যৰ কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিছিল। সেই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা কৰিছে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—জনসংখ্যা অনুসৰি যোৰহাট মহকুমাই পাইছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—যোৰহাট মহকুমাৰ সংৰক্ষিত সমষ্টি বিলাকৰ বাহিৰে আন বিলাক সমষ্টিত এই বিলাক মানুহ থকা স্বত্তেও নেপায়। সেইটো পোৱাৰ ব্যৱস্থা কৰিবনে নকৰে সেইটোহে মই জানিব খুজিছো?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—সদায়েই পোৱাৰ কাৰণে চেষ্টা কৰি আহিছো।

শ্ৰীআটাউৰ ৰহমান :—মাননীয় উপাধ্যক্ষ মহোদয়ে, মহকুমা বিলাকত যি বিলাক 'এডভাইজৰি কমিটি' আছে তাত অন্য সদস্য আছেনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—কিয় নাই? আন বিলাক সম্প্ৰদায়ৰ এই লোক সকলৰ কাৰণে চিন্তা কৰিব পৰাৰ অধিকাৰ নাইনেকি?

মৌলানা আব্দুল জেলিল চৌধুৰী :—সিদিউল কাষ্টৰ কথা বলছি

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :—সকলোৰে সমান অধিকাৰ আছে।

Mr: Deputy Sdeaker :—Question hour is over

Undis Posed Starred Question dated 3-3-76

বিষয় : হিন্দী শিক্ষকৰ প্ৰয়োগৰ আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

*২১৪। মাননীয় শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসমত হিন্দী শিক্ষাৰ প্ৰয়োগৰ বাবে কি কি আঁচনি লোৱা হৈছে ?

খ) চতুৰ্থ যোজনাৰ কালছোৱাত অসমত হিন্দী শিক্ষাৰ বাবে কিমান টকা ব্যয় কৰা হব ?

গ) অসমীয়া মঙ্গলীয়া বিদ্যালয়বোৰত হিন্দী শিক্ষক নিয়োগ কৰা হবনে আৰু যদি হয়, কেতিয়াৰ পৰা হব ?

ঘ) হিন্দী শিক্ষক সকলৰ প্ৰশিক্ষণৰ বাবে কি ব্যৱস্থা কৰা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ [ মুখ্যমন্ত্ৰী ] য়ে উত্তৰ দিছে :—

২১৪। ক]—অসমত হিন্দী শিক্ষাৰ প্ৰয়োগৰ বাবে এনে ধৰণৰ আঁচনি লোৱা হৈছে—

১। পৰ্য্যায়ক্ৰমে ৰাজ্যৰ সকলো ধৰণৰ মাধ্যমিক বিদ্যালয়ত যোগ্য হিন্দী শিক্ষক নিযুক্ত কৰা।

২। হিন্দী শিক্ষাৰ মাধ্যমিক বিদ্যালয় সমূহত প্ৰচাৰ হোৱাৰ লগে লগে উচ্চতৰ মাধ্যমিক বিদ্যালয়তো এই ভাষা পঢ়োৱাৰ ব্যৱস্থা কৰা। ইতিমধ্যে ৰাজ্যৰ বহা বহা মহাবিদ্যালয়ত হিন্দী পঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ত হিন্দীৰ স্নাতকোত্তৰ বিভাগো খোলা হৈছে। ৰাজ্যৰ নৰ্ম্মাল স্কুল সমূহতো হিন্দী শিক্ষাৰ ব্যৱস্থা কৰা হৈছে।

৩। মাধ্যমিক বিদ্যালয়ৰ প্ৰাথমিক স্তৰৰ হিন্দী শিক্ষক প্ৰস্তুত কৰিবৰ কাৰণে মিকিৰ পাহাৰ জিলাৰ দিফুত এটা চৰকাৰী হিন্দী শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ আছে। তাত ১২৫ জন প্ৰশিক্ষাৰ্থীক মাহে ৪৫·০০ টকাকৈ জলপানী দি ১০ মাহ প্ৰশিক্ষণ দিয়া হয়।

৪। মাধ্যমিক বিদ্যালয় সমূহৰ প্ৰশিক্ষণ নোপোৱা হিন্দী শিক্ষক সকলৰ প্ৰশিক্ষণ দিবলৈ উত্তৰ গুৱাহাটীত চৰকাৰী হিন্দী শিক্ষক প্ৰশিক্ষণ মহা বিদ্যালয় আছে। এই বিদ্যালয়ত দুটা এবছৰীয়া পাঠ্যক্ৰমত ৫০ জন হিন্দী শিক্ষকক সেৱা কালৰ প্ৰশিক্ষণ দিয়া হয়। পাঠ্যক্ৰমত এটা নিম্ন স্নাতক হিন্দী শিক্ষকৰ কাৰণে আৰু আনটো স্নাতক হিন্দী শিক্ষকৰ কাৰণে।

৫। সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত হিন্দী ভাষাত প্ৰচাৰৰ কাৰণে ৰাজ্যখনৰ ক্ষেত্ৰত কাম কৰা অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি গুৱাহাটীত বাৰ্ষিক ২৫,০০০·০০ টকা অনুদান দিয়া হয়। সমিতিৰ বিভিন্ন পৰীক্ষাকো চৰকাৰে মান অনুসৰি স্বীকৃতি দিয়ে।

৬। অসম মাধ্যমিক শিক্ষা নিকায়ৰ পাঠ্যক্ৰমমতে বৰ্ত্তমান অসমৰ মাধ্যমিক

বিদ্যালয়ত হিন্দী ভাষা ৫ম মানৰ পৰা ৭ম মানলৈ বাধ্যতামূলক আৰু ৮ম মানৰ পৰা ১০ম মানলৈ ঐচ্ছিক বিষয়।

খ]—চতুৰ্থ যোজনাৰ কালছোৱাত সৰ্ব্বমুঠ ৬৫,১৪,৫৬৯.০০ টকা খৰচ কৰা হল ।

গ]—আগৰে পৰা চৰকাৰী হৈ থকা মজলীয়া স্কুলত ১৯৫২ চনতে হিন্দী শিক্ষক নিযুক্ত কৰা হৈছে। বৰ্ত্তমানে ১৯৭৪-৭৫ চনত তেতিয়াৰ প্ৰাথমিক শিক্ষা বোৰ্ডৰ অন্তৰ্গত ৭১ খন মজলীয়া স্কুলত হিন্দী শিক্ষক দিয়া হৈছে। ১৯৭৫-৭৬ চনত আগৰে পৰা চৰকাৰী হৈ থকা ২৭ খন উচ্চ বুনিয়াদী বিদ্যালয়ত হিন্দী শিক্ষক দিয়াৰ এটা প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

ঘ]—১] প্ৰাথমিক প্ৰশিক্ষণৰ কাৰণে মিকিৰ পাহাৰ জিলাৰ দিফুত এটা চৰকাৰী হিন্দী প্ৰশিক্ষণ কেন্দ্ৰ আছে ।

২] সেৱা কালৰ প্ৰশিক্ষণৰ কাৰণে উত্তৰ গুৱাহাটীত এটা চৰকাৰী হিন্দী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় আছে ।

## Re : SUSPENSION OF GAON PANCHAYAT'S PRESIDENTS & C.E Cs.

Shri Kabir Chandra Roy Pradhani asked :—

* 215 : Will the Minister, Panchayat be pleased to state—

a) Whether it is a fact that the President of the

Golokganj G.P. has been suspended and if so, the reasion there of ?

b) Whether any other Presidents and Chief Executive Councillors have been suspended and if so, who are they and the reasons there of ?

Shri Syed Ahmed Ali ( Minister, Panchayat ) replied :—

215. a)- Yes. For allhged misappropriation of C.I. Sheets and irregularities in retaining cach in hand

b)-Yes. they are.

1) Shri Ramen Deka, C.E.C. Marigaon ;

2) Shri Mahendra Hazarika, President Simaluguri G.P.

3) Shri Ranchan Ali, President No. 3, Baghbar G.P.

4) Shri Dina Nath Talukder, President, Utter Barkhetri G.P.

5) Shri Kurban Ali, President, Pub-Mandia G.P.

For committing various financial irregularities and cansing loss of Panchayat Revenue.

Shri Syed Ahmed Ali (Minister) :—May I request one thing Sir ? Henorable Member, Shri Kabir Roy Pradhani was longing for quite a long time for an answer to a question. But unfortunately this question did not come up for want of time. This question cannot be repeated also in the same session of the House So, I request you to allow me 10 minutes time so that I may reply it to-day.

Mr. Deputy Speaker :—The Question Hour is already over.

Shri Kabir Roy Pradhani :—The House will be enlightened if the Minister replies to the question, I have only drawn the attention of the Minister through a question.

Mr. Deputy Speaker :—Now, item No. 2.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধান:— মই মাননীয় পাৰ্লিয়ামেন্টৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ত ধন্যবাদ দিব বিচাৰিছোঁ।

Shri Sarat Chandra Sinha (Chief Minister) :—May I suggest Sir, The Minister may intervene during general discussion on Budget.

শ্ৰীআতাউৰ ৰহমান :—মাননীয় উপাধ্যক্ষ মহোদয়।

Mr. Deputy Speaker :— অলপ ৰওক সময়টো কৈ দিও ? The time schedule stands like this :—

Group A : Congress—82 minutes including the replies to be given by the Minister.

Group B : United D. F.—41 minutes.

Group C : Communist—17 minutes.

Group D : Democratic Group—32 minutes.

Group E : Socialist Group—35 minutes.

Now, they should confine their speeches within this time limit.

* শ্ৰী মাতাউৰ ৰহমানঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আয়-ব্যয়ৰ সামঞ্জস্য ৰাখি উত্থাপন কৰা বাজেট খনক ওলগনি জনাইছোঁ। বিশেষকৈ কোনো কৰ-কাটল নোহোৱা কাৰণে সুখি হৈছোঁ। কিন্তু এই বাজেট খন যাতে অধিক নিখুঁট হয় আৰু আগলৈ যাতে এই ধৰণে ৯ কোটি টকাৰ অধিক পৰিপূৰক দাবী নাহে তাকে আশা ৰাখিছোঁ। বাজেট সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা যি খন বাজেট পালো তাত বিশেষকৈ নতুনকৈ কি কি সমাজ ব্যৱস্থা লৈছে তাৰ ওপৰত গুৰুত্ব দিছে । কিন্তু জনকল্যাণমূলক আঁচনৰ সম্পৰ্কত তেখেতে কোনো উল্লেখ কৰা নাই। জনকল্যাণমূলক আঁচনি সমূহ আজি আমাৰ কাৰণে বৰ প্ৰয়োজন বিশেষকৈ আমাৰ এই সমাজ খন গঢ়িবলৈ জনকল্যাণমূলক আচঁনি বিসাক বৰ দৰকাৰ আৰু তাকেই কৰিব নোৱাৰিলে আমি এই কুড়ী দফীয়া আচঁনি বা আন তেনেধৰণৰ কিছুমান আচঁনি সম্পূৰ্ণ কৰি তোলাত সম্পূৰ্ণ সহযোগিতা আৰু সহায় সকলো

*Speech not corrcted

কালৰ পৰা নাপাম। সেইকাৰণে গড়কাপ্তানী স্বাস্থ্য আৰু অন্যান্য বিভাগত টকা বৰাদ্দ কৰা উচিত আছিল বুলি বিবেচনা কৰো কিন্তু সেই বিলাকৰ পৰা আমি বঞ্চিত হৈ আহিছোঁ। আশাকৰো, ভবিষ্যতে দৰকাৰ হলে যদি এনেধৰণৰ দাবী আছে তেতিয়াহলে আমি জনকল্যাণমূলক আচঁনিত বেছিকৈ টকা ধৰিম। ইয়াত বিশেষকৈ মুখ্যমন্ত্রী মহোদয়ে মাটিৰ মালিক সম্পৰ্কে গুৰুত্ব দি দেখুৱাইছে আৰু বক্তৃতাত কৈছে আৰু তাত বিশেষকৈ মাটিহীনক মাটি দিয়া কথা আৰু ভেটি সংস্থাপনৰ কথা ভূমি সংস্কাৰৰ সম্পৰ্কে যিবিলাক আইন আমি কৰিছোঁ। সেইবিলাক কাৰ্য্যকৰী কৰাৰ সম্পৰ্কত তেখেতে নিৰ্দেশনা দিছে। মাটিৰ কথা, ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত এই তিনিটা মান কথাৰ দ্বাৰা অৱস্থা চাই ব্যৱস্থা কৰি আছে। কিন্তু কাগজে পত্ৰে যিমানখিনি এই সম্পৰ্কত আলোচনা হৈছে ৰাইজৰ মাজত সেইটো আলোচনা হোৱা নাই। মাটি যদিও দিয়া হৈছে মাটি গ্ৰহণ কৰা নাই। আৰু গ্ৰহণ নকৰাৰ বাবদ অন্তৰায় যথেষ্ট আছে। সদস্য সকলে প্ৰশ্নৰ উত্তৰত সদনত কৈছে নতুন ঘৰ সাজিবৰ কাৰণে ১৫০ টকাকৈ দিছে। কিন্তু এই ১৫০ টকাৰে সামান্য বাহৰ ঘৰ এটাৰ কাৰণে বাহঁ খিনিকে কিনিব নোৱাৰি। গতিকে এই ধৰণে যদি গৃহ মঞ্জুৰী দিবলৈ দিয়া হয় আৰু এনেদৰে সংস্থাপন কৰিবলগীয়া হয় তেতিয়া হলে মাটিহীন মানুহৰ সমস্যা দূৰ নহব আৰু সংস্থাপনৰ সমস্যাও সমাধান নহব। আনহাতেদি আধিয়াৰ আইন আৰু অন্যান্য যি আইন কৰিছে বিশেষকৈ মহকুমা বা গাওঁ পঞ্চায়তত যিবিলাক কমিটী কৰিছে এই কমিটিৰ জৰিয়তে ৰাইজৰ মাজত কিটো সঞ্চাৰণ হৈছে কব নোৱাৰো। আমাৰ পঞ্চায়ত কমিটিত দুই চাৰিটা কমিটি আছে। সেই কমিটিত যি বিলাক মানুহ আছে সেই সকলৰ বেছিভাগেই অলপ নহয় অলপ ন্যস্ত স্বাৰ্থত জৰিত হৈ আছে। আৰু ভূমি সংস্কাৰৰ নীতি আন্তৰিকতাৰে কাৰ্য্য কৰী কৰাৰ কাৰণে তেওঁলোকৰ স্পৃহা নাই। অথচ যিখিনি সদস্য এই কমিটিত দিছে

তেওঁলোকে যাতে সময় খৰচ কৰি কমিটি বিলাকত যোগদান কৰিব পাৰে তাৰো কোনো ব্যৱস্থা নাই। বাঞ্জিক পৰ্য্যায়ত যি খিনি কমিটি আছে তেওঁলোকে অহাযোৱাৰ কাৰণে কি খৰচ পাতি তেওঁলোকক দিয়া হৈছে সেইটো মই কব নোৱাৰো। মহকুমা পৰ্য্যায়ত এই ধৰণৰ কমিটি ১০-১২ টা আছে। সদস্য সকলে তাত আন্তৰিকতাৰে কাম কৰাৰ কাৰণে সুবিধা দিয়া হোৱা নাই। কাগজত হে সেইবিলাক আছে প্ৰকৃত ক্ষেত্ৰত এই সুবিধা বিলাক নাই। গতিকে এই বিষয়ত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিলোঁ। আৰু মাটিহীনত ভেটিহীন সকলক বস্তি সংস্থাপনৰ সম্পৰ্কত অসামঞ্জস্য দেখা যায় এইটো অনতিপলমে দূৰ কৰিব লাগে। যেনেকৈ শাওন মাহৰ বৰষুণ পৰে ঠিক তেনেধৰণে নজৰ দিয়া হৈছে। মই সামান্য ভাৱে কৈছো। মন্ত্ৰী মহোদয়ে নিশ্চয় বুজিব। আমাৰ ৰাইজক সকাহ দিয়াৰ কাৰণে আইনৰ ব্যৱস্থা কৰা হৈছে আৰু এই আইনৰ সংসোধন কৰি আৰ্থিক অৱস্থা যাতে অধিক উন্নত কৰিব পৰা যায় সেই বিষয়ে এলানী মন্ত্ৰী ডাঙৰীয়াই কথা কৈছিল। যে এই আইন খন কৰাৰ লগে লগে মহাজন বিলাকৰৰ হাতত যাতে গৰীব মানুহ বিলাক পৰিচালিত হব লগীয়া নহয় তাৰ বাবে সমবায় সমিতি বিলাকৰ মাধ্যমেৰে টকা পইচা আগবঢ়োৱা হব। আৰু তেতিয়াহে এই মাটিহীন মানুহৰ সমস্যা দুৰিকৰণত ক্ষেত্ৰত কিছু অগ্ৰগতি লাভ কৰিব পৰা যাব।

কিন্তু গাও বিলাকত যিটো অৱস্থা হৈছে মই কব খুজিছো যে আগেয়ে হেণ্ড নোট লিখি দিলে টকা পাইছিল কিন্তু এতিয়া হেণ্ড নোট দিলেই বা সুদ দিলেই খান্ত নাথাকে মাটি বাৰী বিক্ৰী কৰি দিব লাগিব। ফ্ৰম দা ফ্ৰাইং পেণ্ড টু দি হায়াৰ এই অৱস্থাটোৰ কাৰণে কোন দায়ী? আমি নে ৰাইজ এইটো চাব লাগিব। ৰাইজক যদি প্ৰকৃততে সহায় কৰাৰ কথা ভাবে তেতিয়াহলে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। আমি আজি কথাই কথাই বেংকৰ কথা কৈছো। বেংক বিলাকে উদ্যোগ

প্ৰতিস্থা কৰিবৰ কাৰণে টাউন চহৰত যত শতকৰা ১৪ ভাগ সুত আহিব তাত টকা পইচা দিছে। যি বিলাক কথা বেংকৰ প্ৰতিনিধিয়ে আমাৰ চৰকাৰী কৰ্মচাৰীৰ লগত, মন্ত্ৰী সকলৰ লগত আলোচনা বিলোচনা কৰে সেই বিলাকত তেওলোকে মুখেৰে কৰে মৌ তেওলোকৰ বৰ্দ্ধমূল ধাৰণা হৈছে যে গাওত উদ্যোগ কৰিবলৈ টকা দিলে, খেতি বাতি কৰি-বলৈ টকা ঋণ দিলে সেইবিলাক টকা মৰা পৰিব। এইটোৱেই হৈছে তওঁলোকৰ বধ্বমূল ধাৰণা। এই ধাৰণা গুচাব লাগিব। গাৱত বেংকৰ শাখা প্ৰশাখা খুলিব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিলে তাৰ পৰা ভাল ব্যৱস্থা হব বুলি ভাবো। এতিয়ালৈকে ৰাইজৰ বেংকে একো সকাহ দিব পৰা নাই। কেৱল ৰোৰেল ইনড্ৰাষ্টিয়েল বেংকৰ ক্ষেত্ৰত এই ব্যৱস্থা ৰখা হৈছে তাৰ ফলত এপেক্স বেংক আগতে যি দুই চাৰি জনক টকা পইচা দিছিল সেইটো বন্ধ হল। এতিয়া সকলো ফালৰ পৰাই দ্বাৰ কদ্ধ গৈ পৰিছে। ইয়াৰ ফলত ৰাইজে ধন নাপায় মৰহি যোৱাৰ অৱস্থা হৈছে।

বিনিয়োগৰ সম্পৰ্কত মুখ্যমন্ত্ৰী ভাওৰীয়াৰ বক্তৃতাত আগাবাদৰ ধাৰণা হৈছে। কিন্তু জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পিচত কিমা-নক এমপ্লাইমেণ্ট দিয়া হৈছে তাৰ হিচাব হোৱা নাই। কিন্তু এই ক্ষেত্ৰত মই কব খুজিছো যে ইকনমিক ইমবেলেন্স যিটো আছে, যিটো বেকলগ আছে সেইবিলাক সম পৰ্যায়লৈ আনিব যদি বিচাৰিছে তেন্তে তাৰ কাৰণে তথ্য পাতি চৰকাৰে সংগ্ৰহ কৰিছেনে নাই? যদি তাক কৰা নাই তেন্তে এমপয়েমেণ্ট প্ৰটেকচিয়েলিটি যিমানেই নিদিয়ক যি বিলাকে পাইচে সেই বিলাকে পাই থাকিব নোপোৱা বিলাকে কেতিয়াও নাপাব। মই এই খিনিতে কব বিচাৰিছো যে এমপ্লয়মেণ্ট মিনিষ্টাৰে দিব নোৱাৰে। চৰকাৰে নীতি গ্ৰহণ কৰিও দিব নোৱাৰে। চৰকাৰ কিছুমান উচ্চ

পৰ্য্যায়ৰ বিষয়াৰ জৰিয়তে দিব লাগিব। ইয়াৰ কাৰণে কিছুমান টেক্নিকেল অভিজ্ঞতা লাগে, কিছুমানত ট্ৰেইনিং লাগে আৰু কিছুমানত শিক্ষাগত অহৰ্তা লাগে। কিন্তু ট্ৰেন্সপৰ্টৰ গাড়ীৰ পানী এবাল্টি ধালিবৰ কাৰণে কি অভিজ্ঞতা লাগে? কি ট্ৰেইনিঙৰ দৰকাৰ হয়? যি বিলাক চাকৰি বাকৰি দিয়াৰ চাৰ্জত আছে সেই সকলে আগৰে পৰাই কেৱা চকুৰে চাই আছে আৰু এতিয়াও কেৰা চকুৰেই চাই আছে। এজন চকিদাৰে জখলা লৈ খোটাত বগাৰ এনেকুৱা কামৰ কাৰণে কি অভিজ্ঞতা লাগে, কি ট্ৰেইনিঙৰ প্ৰয়োজন হয়? আগৰ পৰাই কেৰা চকুৰে চাই থকাৰ কাৰণে আৰু এতিয়াও যদি কেৰা চকুৰেই চাই থাকে তেনেহলে এটা সমাজ গোষ্ঠী অন্ধকাৰতেই পৰি থাকিব। তেওঁলোকে কাৰো পৰা সহায় নাপায়। যি বিলাক বৈষম্য সমাজৰ স্তৰে স্তৰে আছে সেই বিলাক আতৰ কৰিব নোৱাৰিলে কুৰিদ্ৰফীয়া আচনিৰ নামত বা অনান্য আচনিৰ নামত আমাৰ বেক লগ বিলাক দূৰ কৰিব পৰা নাযাব। এই বিষয়ত উপায় উদ্ভাবন কৰিবলৈ মই চৰকাৰক আহ্বান জনাইছো।

আমাৰ গাৱলীয়া ৰাইজৰ উন্নতিৰ কাৰণে ৰোৰেল দেভেল্পমেণ্ট প্ৰজেক্ট কৰা বুলি শুনিছো। আমাৰ ওচৰতে বশিষ্ঠাশ্ৰমত খেৰৰ ঘৰত বহুত বিলাক যন্ত্ৰ পাতি দেখা গৈছে। এই বিলাক ৰাইজৰ মাজত কেনেকৈ বিলাইছে বা ৰাইজে কি ধৰণেৰে গ্ৰহণ কৰিছে এইটো চৰকাৰেই জানে। কিন্তু এই যে প্ৰজেক্টটো হৈছে এইটো কথা সাম্যক ৰূপে চৰকাৰী যন্ত্ৰই ৰাইজৰ কানত পেলাব পৰা নাই। যদি ৰাইজে এই প্ৰজেক্টৰ কথা নাজানে তেনেহলে তেওঁলোকে কেনেকৈ কামত আগবাঢ়িব? এইখিনিতে মই আন এটা কথা কব খুজিছো যে যিটো ৰোৰেল প্ৰজেক্টৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াই সহৃদয়তাৰে ৰাইজক সহায় কৰাৰ কথা ভাবিছে। গাৱৰ মানুহক জিবিকাৰ কাৰণে নাওঁ দি, গৰু গাড়ী দি, চিলাই মেচিন দি সহায় আগ বঢ়াব বিচাৰিছে। তেখেতে গাড়ী দিছে

কিন্তু মহ জোৰা দিয়া নাই সেই কথা ভবা নাই। মহ জোৰা কিনিবৰ কাৰণে ৰাইজে বেংকৰ ওচৰত ধাৰ বিচাৰিব লাগিব। আৰু বেংকৰ ওচৰত ধাৰ বিচৰিবলৈ গলে বেংকে সুধিব যে মহজোৰাৰ ইনচুৰেন্স আছেনে নাই? ইনচুৰেন্স নহলে বেংকে ধাৰ নিদিয়ে। গতিকে মহ গৰু, ভেড়া, ছাগলী সকলোৰেই কাৰণে চৰকাৰে আশ্বাস দিব লাগিব যে এই বিলাক বস্তু নমৰে। এইটো পাবলিক হেল্থ বা ভেটেনাৰী বিভাগে এই ধৰণৰ আশ্বাস দিব লাগিব। নহলে কুৰিদফিয়া আচনি কাৰ্য্যকৰি নহব। কাৰণ এহাল মহ দেৰ হাজাৰ টকা দি কিনিলে তাৰ পিচতে কিবা অচিন বেমাৰত মহ হাল মৰি গল। তেতিয়া চৰকাৰে দিয়া গাড়ী কিহেৰে চলাব। সেই দৰে হাঁহ কুকুৰা আদি মৰি গলে ৰাইজে কেনেকৈ কামত আগ বাঢ়িব? গতিকে অৰ্থনৈতিক উন্নয়নৰ মাধ্যম হিচাপে যি খিনি পেচুণা চৰকাৰে দিছে সেইখিনি অধিক শক্তিশালী কৰিব লাগিব। আজিৰ দৰেই কৰ্মচাৰী সকলে কোট চোলা পিন্ধি ফুৰিলেই নহব হাফপেণ্ট পিন্ধি গাৱৰ ৰাইজৰ মাজলৈ যাব লাগিব। কিছুমান অফিচাৰৰ আজিলৈকে গাৱত দেখা দেখিয়েই নাই। জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত কুৰি-দফিয়া আচনি কাৰ্য্যকৰী কৰিবলৈ যদি চেষ্টা কৰে তেনেহলে অফিচাৰ সকল গাৱে ভুৱে যাব লাগিব।

বৰ্ত্তমান সংলিষ্ট অফিচাৰ সকল অকল ফাইলৰ কামতেই আবদ্ধ থাকে, গাওঁৰ প্ৰকৃত কৰ্মক্ষেত্ৰত তেওঁলোকৰ কোনো সংশ্ৰৱ নাই। গতিকে তেওঁলোকৰ গাওঁৰ মানুহৰ লগতো সংশ্ৰৱ বিহীন হৈ পৰিছে। গতিকে বৰ্ত্তমানে অফিচাৰ সকল গাওঁলৈ ননমা হেতুকে অফিচাৰ আৰু গাওঁৰ মানুহৰ মাজত যি এটা প্ৰাচীৰ গঢ়ি উঠিছে তাক যদি ব্যাহত কৰা নহয় তেন্তে বৰ্ত্তমান আমাৰ যি কুৰিদফিয়া আচনি কাৰ্য্যকৰী কৰিবলৈ হাতত লৈছোহক তাত আমি কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰো। অফিচাৰ

সকলে গাওঁলৈ নমাত কি বাধা আছে, মুঠৰ ওপৰত এই কথালৈ লক্ষ্য কৰিবলৈ মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰো। আজি কুৰি দফীয়া আচনি সম্পৰ্কে যি কমিটি গঠন কৰি দিছে সেই কমিটি কিবা আন্তৰিকতা আছে নে ? আৰু সেই কমিটিক কিবা দায়ত্ব দিয়া হৈছে নে ? যদি দায়িত্বই নাথাকে সেই কমিটি বহিবই বা কিয় ? মই দেখাত কমিটি যেতিয়া বহে তেওঁলোকে কিছুমান চুপাৰিচ কৰে। কিন্তু সেই চুপাৰিচ মতে কাম হল নে নাই তাক চাবলৈ কোনো নাই। গতিকে যদি কমিটিৰ চুপাৰিচ বিলাক কাগজতেই থাকি যায় তেনেহলে তেনে কমিটি বহিবই বা কিয়, নাইবা চুপাৰিচ কৰাৰেই বা অৰ্থ কি থাকিব পাৰে। গতিকে তেওঁলোকে অন্তঃশাৰ শূন্য কাম কিয় কৰিব ?. সেই কাৰণে মই কব বিচাৰো যে যিবিলাক কমিটি কৰি দিয়া হয় সেই বিলাকক পৰ্য্যাপ্ত দায়িত্ব দিয়া দৰকাৰ। আৰু দায়িত্ব বিলাক-পালন কৰিবলৈ যথোপযুক্ত যন্ত্ৰ থাকিব লাগে। তেতিয়াহে আমি আমাৰ আচনি বিলাক কাৰ্যকৰী কৰিব পাৰিম।

সমবায় সম্পৰ্কে মই বেছি কথা কব খোজা নাই। কিন্তু এই সমবায়ৰ জৰিয়তে আমাৰ চৰকাৰে যি আশা পোষণ কৰিছে যে আমাৰ গ্ৰাম্য সমাজৰ মাজত এটা নতুন অৰ্থ নৈতিক বিপ্লবৰ সৃষ্টি কৰিব আৰু অৰ্থ নৈতিক ক্ষেত্ৰত এটা সমন্বয় ঘটাব, কিন্তু কাৰ্য্যক্ষেত্ৰত কি হৈছে ? এই গাওঁপঞ্চায়ত গঠন কৰাৰ আজি দুই বছৰ অতিবাহিত হ'ল তেওঁলোকক কিমান টকা-পইচা অনুদান দিয়া হৈছে কোন কোন পিনৰ পৰা তেওঁলোকৰ উপাৰ্জন হয়, সেই বিলাক চাবলৈ কোনো অডিটৰ ব্যৱস্থা নাই কোনো পৰ্য্যবেক্ষণ নাই. আৰু এতিয়ালৈকে যি দেখা গৈছে সেই পঞ্চায়তৰ চেয়াৰম্যান, চেক্ৰেটাৰীয়ে প্ৰায় যি খিনি টকা আত্মসাত কৰি বহি আছে। ফলত সেই টকাৰ পৰা কোনো কাম হোৱা নাই, আনকি তেওঁলোকে টকা,

ঋণ দিব পৰাও হোৱা নাই, ফলত তেওঁলোকে মাত্র এটা শ্ৰেণী চোচাইটিত পৰিণত হৈছে। যিবিলাক অঞ্চলত ধান সংগ্ৰহ কৰিছে, তাকো তেওঁলোকে নিজে কৰা নাই। কিছুমান এজেণ্ট নিয়োগ কৰি সেই এজেণ্টৰ দ্বাৰা উৎপাদন কাৰীক হ্রাস মূল্য দি ধান সংগ্ৰহ কৰিছে। গতিকে বৰ্তমান চোচাইটিত মাত্ৰ এটা কাম হৈছে আৰু সেই হিচাবে তেওঁলোকক চেনী বিলোৱা চোচাইটি হিচাবেহে আখ্যা দিব পাৰি। তাতো তেওঁলোকে তেওঁলোকৰ ইচ্ছা মতে এজেণ্ট পৰিবৰ্তন কৰিছে আৰু ফলত কৰ চেনী কলৈ গৈছে তাৰ কোনো ঠিকনা নাই। বৰ্তমানে এনে এটা পৰিস্থিতি হৈছে যে বাইজৰ আসোয়াহ আদি উপসম কৰাৰ কোনো উপাই নাই আৰু আসোয়াহা-তেই আছে। আগতে যেতিয়া অন্ততঃ এই চেনীৰ সৰহৰাহৰ কামটো বেতিয়া যোগান বিভাগৰ ওপৰত ন্যস্ত আছিল, তেতিয়া কোনো আসো-য়াহৰ কথা উঠিছিল তেতিয়া সেইবিলাক হয়টো কম-বেছি পৰিমানে উপষম হৈছিল। আগতে গাৱলীয়া মানুহে যিবিলাক কথা নাজানিছিল এতিয়া সেইবিলাক কথা সকলোৱে জনাজ্ঞাত হৈ পৰিল। গতিকে বৰ্তমান যিটো আদৰ্শত উদ্বুদ্ধ হৈ এই কাৰ্য্যপদ্ধতিৰ এই পঞ্চায়ত গঠন কৰা হৈছিল সেইটো আছিল যে আমাৰ সৰ্বসাধাৰণ গ্ৰাম্য সমাজৰ মেৰুদণ্ড হিচাবে গাওঁ তৈয়াৰ কৰি তেওঁলোকক আত্মনিৰ্ভৰশীল কৰি অৰ্থ নৈতিক ক্ষেত্ৰত গাওঁ আৰু চহৰৰ মাজত সমন্বয় ঘটাই সেই সৰ্বসাধাৰনক উপকৃত কৰি ৰাষ্ট্ৰৰ যাতে বাহন ৰূপে গঠিত হয় তাৰ ব্যৱস্থা কৰা। কিন্তু কিছুমান বৰ্তমান কাৰ্য্যপদ্ধতিত তেনে আশাৰ প্ৰস্ফুটিত হোৱা নাই।

মই শিক্ষা সম্পৰ্কে কেইটামান কথা মাত্ৰ পুনৰ দোহাৰিম। শিক্ষাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যত শিক্ষিতৰ সংখ্যা টাউন-চহৰ আদি সকলোকে ধৰি শতকৰা ২৮ ভাগ মাত্ৰ। ইয়াৰ ভিতৰত টাউন অঞ্চলতকৈ গাওঁ অঞ্চলৰ শিক্ষিতৰ হাৰ অতি নগন্য। ইয়াৰ ভিতৰতো আকৌ বিভিন্ন গোষ্ঠিৰ

কথা আছে।

এই পৰিপেক্ষিতেত মই এটা গোষ্ঠীৰ কথা উল্লেখ কৰো। ই বাৰো অবিদিত নহয় যে তাহানিত অভিন্ন বঙ্গদেশৰ পৰা অসমলৈ অহা প্ৰায় ২৮ লাখ লোকে আজিকোপতি এই অসম দেশতেই বসবাস কৰি আছে। আজিও সেই সকলৰ ঘৰত কোৱা ভাষা বেলেগ আৰু স্কুলত তেওঁলোকে বেলেগ ভাষা অধ্যয়ন কৰে। ঘৰত তেওঁলোকে মাতৃভাষা কয় আৰু স্কুলত তেওঁলোকে অসমীয়া ভাষা শিকিব লাগে। অসমীয়া ভাষা শিকাত তেওঁলোকৰ এটা আগ্ৰহ আছে। অসমত থাকি অসমীয়া ভাষা লগত মিলামিচা নকৰিলে যে কোনো উপায় নাই সেইটোও তেওঁলোকে উপলব্ধি কৰে। তেনে স্থলত তেওঁলোকক যদি অসমীয়া ভাষা শিক্ষা কৰাৰ সুবিধা প্ৰথমৰে পৰা দিয়া নহয় তেতিয়াহলে তেওঁলোকক অসমীয়া হব বা কোন কাহানি হব। এই বিষয়ে চৰকাৰৰ দায়িত্ব নাই নেকি? এই বিষয়ে এটা নিগূঢ় দায়িত্ব চৰকাৰৰ আছেই বুলি মই ভাবো। এতিয়াও যদি চৰকাৰে সেই দায়িত্ব পালন নকৰে তেতিয়াহলে তেওঁলোকে ভাবিব যে আমি মাতৃভাষা এৰি অন্য এটা ভাষা শিকিবলৈ আগ্ৰহ কৰাৰ কোনো অৰ্থ নাই। এদিন হয়তো তেওঁলোকৰ ভিতৰত এটা বিক্ষোভৰ জাগৰণ হব। যে অসমীয়া ভাষা অসমৰ ওপৰত বলেৰে জাপি দিছে। গতিকে তেওঁলোকৰ ভিতৰত অসমীয়া ভাষা প্ৰচাৰ কৰাৰ ব্যৱস্থা ভাল দৰে লব লাগে। আজি নাৰীবৰ্ষ পালন কৰি লাখ লাখ টকা ব্যয় কৰা হৈছে। অৱস্য এই ক্ষেত্ৰত মোৰ একো বিৰোধী ভাব নাই। কিন্তু এটা সুচিন্তিত আচনিৰ জৰিয়তে যদি আমাৰ নিৰক্ষৰ মহিলা সকলক প্ৰকৃত শিক্ষা দিয়াৰ কাৰণে টকা খৰচ কৰিলেহেতেন তেতিয়া হলে আমি বহুতো সমস্যাৰ পৰা হাত সাৰিব পাৰিলোহেতেন ঠিক তেনেকৈ কিছু টকা খৰচ কৰি এই অসমীয়া ভাষা শিক্ষাৰ ইচ্ছা প্ৰকাশ কৰা লোক সকলক

অসমীয়া ভাষাৰ শিক্ষাৰ সুযোগ দিলে আমাৰ বহুতো সমস্যা সোনকালে সমাধান হলহেতেন। আৰু লগতে এটা আকস্মিক দুৰ্যোগৰ পৰা হাত সাৰিব পাৰিলোহেতেন। গতিকে সময় উকলি যোৱাৰ আগতে এই মৰ্মে এটা সুব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো।

বান নিয়ন্ত্ৰণ আৰু নদী নিয়ন্ত্ৰণৰ কথা নকলেও হয়। এই বান নিয়ন্ত্ৰণৰ কাৰণে যি হেতু টকা-পইচা নাই, চান্দ মাৰিত দুই তিনি মহলিয়া বিল্ডিঙত কি কাম হৈছে সেই কথা মই নাজানো। সেই মানুহ বিলাকক অবাবতে ভাত বহাই নাৰাখি প্ৰকৃত কামত কিয় নথটাৰ। তাকেই নকৰি 'ধৰে'া মাছ নুচুওঁ পানী' এনে এটা অৱস্থাৰ সৃষ্টি কৰিবলগিয়া হৈছে কিয়? আমাৰ এই ৰাষ্ট্ৰ তথা আমাৰ ৰাজ্যখন আজিলৈকে মাত্ৰ এটা ৰাজনৈতিক দলে তাৰ শাসন চলাইছে। বৰ্ত্তমানে সেই দলৰেই কিমান আদৰ্শবাদী মুখ্যমন্ত্ৰী এজনৰ তত্বাবধানত কামবিলাক যে সুচাৰু ৰূপে কাৰ্য্যকৰী হব তাত অৱশ্যে মোৰ সন্দেহ নাই। আজিলৈকে দলে এনে ধৰণৰ আদৰ্শবাদী মুখ্যমন্ত্ৰী এজনো পোৱা নাই তেনেস্থলত সেই মুখ্যমন্ত্ৰীয়ে এই আদৰ্শবাদ প্ৰতিপন্ন কৰিবলৈ কেন্দ্ৰৰ ওপৰত হেচা দিয়াত কি বাধা আছে যে এই কাম তেওঁলোকে কৰিব লাগিব। এই ক্ষেত্ৰত বাধা কোনো খিনিত, আজিলৈকে যথোপযুক্ত টকা কিয় অহা নাই? মোৰ সম্পূৰ্ণ বিশ্বাস আছে যে সমগ্ৰ ৰাইজ এই বিষয়ত চৰকাৰৰ পিচত আছে। গতিকে মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰো যাতে এই বিষয় বিলাকলৈ চোকা দৃষ্টি ৰাখে। চৰকাৰে এই কাৰ্য্য সম্পন্ন কৰাৰ কাৰণে ৰাইজক যি ভাৱে কয় তাকেই মানি লবলৈ ৰাইজে আছে। ব্ৰহ্মপুত্ৰ উপত্যকা নিয়ন্ত্ৰণ কৰিবলৈ আৰু তাৰ উপনদী বিলাকৰ নিয়ন্ত্ৰণৰ কাৰণে যি পুজিৰ দৰকাৰ সেইখিনি কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে জোৰেৰে হেচা দিব লাগে।

স্বাস্থ্য সম্পৰ্কে দুই এক আষাৰ কথা কম। এতিয়ালৈকে যি

দেখিছো আমাৰ ৰাজ্যত নতুন ডাক্তৰখানা নিৰ্মাণ হোৱা নাই। অৱশ্যে ডাক্তৰ মন্ত্ৰী আছে, আৰু ৰাজ্যত বহুত ডাক্তৰো আছে। দেখা গৈছে নামত এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ খোলা হৈছে কৰবাত হয়তো ঘৰেই নাই, কৰবাত হয়তো ঘৰ থাকিলেও কম্পাউণ্ডাৰ নাই কৰবাত কম্পাউণ্ডাৰ থাকিলে ঔষধ নাই। এনে ধৰণেৰে কামবিলাক চলিব ধৰিছে। মুঠৰ ওপৰত কাৰো লগত কাৰো সমন্বয় নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিচত তৃতীয় কথা পৰিয়াল পৰিকল্পনাৰ দিশত কতৃ্ত্ব দিয়া হৈছে আৰু যথোচিত ভাৱে লোৱাও হৈছে কিন্তু কিছুমানে চিনিকেল ভিউ লৈ কৈছে যে যোৱা বছৰটোত বৰ অভাৱ আছিল কাৰণে ভেচেকটমী বা কিউবেকৃটমি কৰাৰ কাৰণে মানুহ পোৱা গৈছিল যিহেতু সেই বিলাকত পুৰস্কাৰ পোৱাৰ ব্যৱস্থা আছে মানুহে লালসাৰ কাৰণে সেইটো পদ্ধতি কৰিছিল। কিন্তু আচলতে ঠিক তেনে দৰে ভাবিলে অলপ ঠিক নহব। কিয়নো এটা যে জাগৰণ হৈছে সেই টো লুই কৰিব নোৱাৰি। অৱশ্যে ডাক্তৰ সকলক কোট ঠিক কৰি দিয়া হৈছে কিছুমানক ত্ৰিশ আৰু কিছুমানক তিনিশ আদি কোটা বান্ধি দিয়া হৈছে আৰু তাৰ ফলত গাওঁ বিলাকত ডাক্তৰ সকলে মানুহ আনি আনি এই প্ৰচাৰ কৰিবলৈ যত্নপৰ হৈছে। ডাক্তৰ সকলে দৌৰা দৌৰিকৈ মানুহ ধৰি অনাৰ ব্যৱস্থা হাতত লৈছে। গৰু গাড়ী চলাই গৈছে আৰু তাৰ পৰা গাড়োৱান জনক আনিছে আকৌ চাইকেল চলাই কোনোবা যদি টালি টোপোলা লৈ গৈ আছে তেন্তে তেওঁক চাইকেলৰ পৰা আনি ভেচেকটমি কৰিছে। এনেকুৱা ব্যৱস্থা লৈছে ডাক্তৰ সকলে তাৰ ফলত গাওঁ বিলাকত কি অৱস্থা হৈছে চিন্তা কৰিব লগীয়া আনকি এইবিলাক কৰক কথা নাই কিন্তু এজন লৰাই বিয়া কৰাবৰ মাত্ৰ বিশ দিন হৈছে তাকো ধৰি আনি ভেচেকটমি কৰি দিছে। কিন্তু এইটো জনসাধাৰণে

আন্তৰিকতাৰে সৈতে গ্ৰহণ কৰিব খুজিছে তেনে ঠাইত এই ক্ষেত্ৰত যাতে আতিশয্য কৰা নহয় সেইটোৰ প্ৰতি অলপ দৃষ্টি ৰখা নিশ্চয় প্ৰয়োজন। উপাধ্যক্ষ মহোদয়, মই অলপ সময় বেচিকৈ ললো তাৰ কাৰণে আপোনাৰ ওচৰত ক্ষমা ভিক্ষা কৰিছো। কিন্তু এটা কথা নিশ্চয় কব লাগিব যে আজি কুৰিদফীয়া আচনিৰ কাৰণে ৰাইজৰ সহযোগিতা পোৱা বুলি কোৱা হৈছে, নানান ধৰণৰ সহযোগিতাৰ কথা উল্লেখ কৰা হৈছে কিন্তু মই এই সহযোগীতা কেনে ধৰণৰ হৈছে তাৰ এটা ফটো-গ্ৰাফ বিচাৰিলো। ৰাইজ আগৰ দৰেই চলি আছে, খাবলৈ পোৱা নাই, পিন্ধিবলৈ পোৱা নাই, কাপোৰ নাই ভাত নাই এনেদৰেই ৰাইজ চলি আছে কিন্তু তেনে অৱস্থাতো আমি মেলে মিটিঙে সহযোগীতাৰ কথা কাগজে পত্ৰে কমিটি-চিটিঙে কেৱল সহয়োগীতাৰ কথাই কৈ আছো। এই সহযোগীতা কেনে ধৰণৰ হৈছে তাৰ এটা ফটোগ্ৰাফ মই বিচাৰিলো। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো কথা কৈছিল আৰু আমাৰ চি-পি আই গ্ৰুপৰ বন্ধু সকলেও কব আমাৰ ঠিক তেনেকুৱা কৰিবলৈ হলে বিষয়াই হওক মন্ত্ৰীয়েই হওক বা যুৱকেই হওক কোনেও সহযোগীতা সৃষ্টি কৰিব নোৱাৰে। সহযোগীতা যদি সৃষ্টি কৰিব লাগে তেনেহলে সেই সহযোগীতা সৃষ্টি কৰিব লাগিব কৃষক সকলে আৰু বনুৱা সকলে। তেওঁলোকৰ ভিতৰত যদি সুসংগঠন কৰা নহয়। তেনেহলে কাম নহব আৰু আৰু কেৱল দিশপুৰৰ পৰা সহযোগীতা লাগে। বুলি কৈ যদি সমাজত প্ৰকৃততে সহযোগীতাৰ বাতাৱৰণ সৃষ্টী হয় তাৰ কাৰণে আমি ব্যৱস্থা লব লাগিব। আমি ৰেডিকেল হওঁ বা চোচিয়ে-লিষ্ট হওঁ বা আল্ট্ৰা চোচিয়েলিষ্ট হওঁ ৰাইজৰ ওপৰত ইয়াৰ পৰা কোনো আঁচনি জাপি দিয়া উচিত নহব আৰু তাকে নকৰি যদি তেওঁলোকৰ পৰা জনসাধাৰণৰ মাজৰ পৰা আঁচনি অদ্ভুত কৰি দিব ল কোৱা হয় তেতিয়াহলে সেই আঁচনি সোনকালে কৃতকাৰ্য্য হব বুলি মোৰ বিশ্বাস

কিয়নো সেই আচনিত যি কেৰোণ আদি থাকিব, খুট আদি যদি থাকে তাক তেওঁলোকে দূৰীভূত কৰি আচনি কৃতকাৰ্য্যতাৰ কাৰণে আগুৱাই আহিব। কিন্তু সেইটো নকৰি যদি আমাৰ ইয়াৰ পৰা আচনি জাপি দিয়া হয় আৰু তেতিয়াহলে উশ্চমন্যতাৰ কাৰণে আচলতে খুট আদি যদি থাকে সেইবিলাক ঠিক কৰা নহয় আৰু জনসাধাৰণেও তাক সহজ ভাৱে গ্ৰহণ কৰিব নোৱাৰে। গতিকে এই জৰুৰীকালীন অৱস্থাৰ এই পৰিস্থিতিত যদি আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ কাৰণে চেষ্টা কৰা হয় তেতিয়াহলে সংঘবদ্ধ ভাৱে ৰাইজক আগবঢ়াই আনিবলৈ ৰাইজক উদ্বুদ্ধ কৰিব লাগিব আৰু তেওঁলেকৰ মাজতেই অনুষ্ঠান গঢ়াৰ কথা চিন্তা কৰি তেনে অনুষ্ঠান গঢ়ি তুলিব লাগিব আৰু তাৰ উপায় চৰকাৰে কেনেকৈ কৰিব পাৰে কি ধৰণে উপায় উদ্ভাৱন কৰিব পাৰে তাকে চাই তেনেকুৱা ব্যৱস্থা হাতত লবলৈ কৈ মোৰ এই ক্ষুদ্ৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা ঃ—উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে দিয়া বাজেট বক্তৃতা আৰু বাস্তৱ এই দুয়োটাৰ লগত তুলনা কৰি চালো। এই ক্ষেত্ৰত বাজেত বক্তৃতাৰ ঠাইত ষ্টেট লটাৰিৰ টিকট বিক্ৰী কৰা যি বোৰ মানুহ আছে সেই মানুহৰ নিচিনা একেটা কথাই হৈছে। তেওঁলোকে কি ধৰণে যে বক্তৃতা দিয়ে যে এটকা লৈ যদি বজাৰ কৰিবলৈ যোৱা হয় তেতিয়াহলে বক্তৃতা শুনি টিকট কাটি লৈ অহা যায় আৰু পিচত টকাও পোৱা নাযায় আৰু কেৱল চকুপানী টুকিব লগীয়া অৱস্থা হয়। তেওঁলোকৰ বক্তৃতা ইমান সুন্দৰ যে কোনে জানে আপোনাৰ ভাগ্যত কি আছে, আজি হয়তো এটা টকা দি এটা টিকট লৈ কাইলৈ একলাখ টকাৰ মালিক হৈ যাব পাৰে। আহক এটা টকা দি এক লাখ টকাৰ মালিক হওক এই সুবৰ্ণ সুযোগ নেহেৰুৱাব। ইমান সুন্দৰ বক্তৃতা আমাৰ বাজেট বক্তৃতাও আৰু বিধান সভাৰ সদস্য সকলে দিয়া বক্তৃতা, বাহিৰত

দিয়া মন্ত্ৰী-এম-এল-এ সকলৰ বক্তৃতা এই সকলো বিলাকেই চলি আছে। দুৰ্বল শ্ৰেণীৰ মানুহক আগুৱাই নিয়াৰ কাৰণে আঁচনি লোৱা হয় আৰু বক্তৃতা দিয়া হয় কিন্তু কাৰ্য্যক্ষেত্ৰত আচলতে দুৰ্বল শ্ৰেণীৰ মানুহ থিনি সদায়েই দুৰ্বল হৈয়েই থাকে। আৰু তাৰ ফলত ভিক্ষাৰীৰ সংখ্যা দিনকে দিনে বাঢ়ি গৈছে। যোৱা বছৰত এই ভিক্ষাৰী সকলক ৰাখি-বলৈ ঘৰ বান্ধি দিয়া হল আৰু ৰাষ্টাৰ পৰা উঠাই লৈ গৈ সেই ঘৰত ৰখা হলগৈ। কিন্তু তাৰ ভিতৰতে কিছুমান সাধু সন্ন্যাসী আৰু মেডি-কেল কলেজলৈ যোৱা লোককো ৰাষ্টাৰ পৰা আনি সেই ঘৰত সুমুওৱা হল। আমাৰ ডেকা লৰা বিলাকেও ৰাস্তাই ৰাস্তই ঘূৰি ফুৰিছে। ডাঢ়ি চুলি ৰাখিছে, নখ কাটিবলৈ এৰি পেলাইছে, চাকৰি আদি নাই। গাঁভৰু সকলেও শিক্ষিত হৈ হয় চাকৰি নহয় লৰা লাগে বুলি ঘুৰিছে কিন্তু ডেকা সকলেতো নখ দীঘল কৰি ৰাখি ডাটি চুলি ৰাখি ঘুৰিয়েই ফুৰিছে। বিয়া কৰোৱাৰ কথাই নুঠে কোনোবাই ঘৰ জেঁৱাই কৰি নিয়ে তেন্তে কথা নাই তাৰ বাহিৰে আন কি কৰিব পাৰিব। সিদিনা এখন ডকুমেণ্টৰি ফিল্ম দেখিলো। বৰ ভাল লাগিল। পাচ মিনিটৰ ভিতৰতে খেতিয়ক সকল আহিল দৰ্খাস্ত দিলে আৰু বেংকৰ পৰা নতুন নতুন নোট জাপে জাপে ঋণৰ কাৰণে পাই গল। কিন্তু কাৰ্য্য ক্ষেত্ৰত কি হয়। বাজেট বক্তৃতা বা প্ৰদৰ্শনী বিলাকত কিন্তু সকলো বিলাক ঠিক আছে বুলিয়েই সৰ্বসাধাৰণে বাইজে দেখিছে। কিন্তু আচল ব্যৱস্থা কেতিয়াও ভাল হোৱা নাই।

উপাধ্যক্ষ মহোদয় আপুনি জানে যে যিবোৰ অনুষ্ঠান বা মানুহ আটাইতকৈ বেছি কষ্ট কৰে পৰিশ্ৰম কৰে সেই অনুষ্ঠানবোৰ বা মানুহ বিলাক প্ৰায় ভাগেই গাওঁ অঞ্চলৰ। কিন্তু আচলতে আমি কি দেখি-বলৈ পাইছো আমাৰ সদস্য সকলে কি দেখিবলৈ পাইছে যে আচলতে

যি ঠাইৰ অৱস্থা উন্নত নহয় সেই ঠাই তেনেকৈ আছে আৰু উন্নত ঠাইবোৰেহে আৰু বেচি উন্নতি ফালে আগুৱাইছে। যি ঠাইত নাই তাত ডাক্তৰো নাই, ৰাস্তাও নাই, ঔষধো নাই, পানী যোগানৰ ব্যৱস্থাও নাই। ইয়াৰ কাৰণ হৈছে আমি যিবিলাক আঁচনি লৈছো সেইবিলাক তেওঁলোকে নিজৰ আঁচনি বুলি গ্ৰহণ কৰিব পাৰিছে নে নাই সেইটোহে আচল কথা। আচলতে আমাৰ চৰকাৰ ব্যৰ্থ হৈছে যিহেতু জনসাধাৰণে সেই আঁচনি বিলাক নিজৰ আচনি বুলি গ্ৰহণ কৰিব পৰা নাই আৰু চৰকাৰৰ ফালৰ পৰাও সেই ভাব জনসাধাৰণৰ মনত সোমাই দিব পৰা নাই তাৰ কাৰণে আমাৰ চৰকাৰ আজি ব্যৰ্থ হৈছে আৰু আচনিৰ আচল সুফল পাব পৰা নাই।

মানুহে সেই আচনি গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণে চৰকাৰ দায়ী হব। এই আচনি বিলাক জনসাধাৰণৰ ওচৰলৈ নাযায়। এই আচনি বিলাক আমি কাৰ্য্যকৰি কৰিব লাগিব এই ভাৱ ৰাইজৰ মনত সোমোৱাই দিব পৰা নাই। এই আচনি বিলাকৰ সুবিধা এক শ্ৰেণীৰ মানুহে লৈ আছে। আমাৰ গাৱঁৰ এতিয়া বহুতো ৰাস্তা আছে যিবিলাকে দি গৰু তিয়নি লৈ যাব। আনহাতে কিছুমান ঠাইত শিলগুটিৰ ৰাস্তা আছে। সেই ৰাস্তাত ধুলি বালি থকাৰ কাৰণে লৰা ছোৱালী আদি ওলাব নোৱাৰে সেই কাৰণে মন্ত্ৰী এম, এল, এৰ ওচৰলৈ আহে ৰাস্তাটো পকা কৰি দিব লাগে। সৰ্বসাধাৰণ ৰাইজে কত দৰ্খাস্ত কৰিব লাগে সেই কথা নাজানে। গতিকে এই ক্ষেত্ৰত চৰকাৰে কত কেনে ৰাস্তা আছে তাক বাচি ওলিয়াই ব্যৱস্থা হাতত লব লাগে।

আজি ৰবি শস্যৰ কথা বাৰে বাৰে বক্তৃতা আদিত কোৱা হয়। ধান যিটো সংগ্ৰহ হৈছে সেইটো খাৰিফ শস্যৰ পৰা হৈছে ৰবি শস্যৰ

পৰা নিশ্চয় হোৱা নাই। এই বছৰ বতৰ ভাল হোৱাৰ কাৰণে খাৰিফ শস্য খুব ভাল হৈছে। কিন্তু দেখা গৈছে চৰকাৰে এই খাৰিফ শস্যৰ কথা একেবাৰেই বাদ দিছে। আজি ৰবি-শস্যৰ কাৰণে পানী যোগানৰ ব্যৱস্থা কৰিছে। বিষয় আদিৰ ওচৰলৈ দৰ্খাস্ত আদি দিবলৈ গলে কয় আমি যেতিয়া ৰবি শস্যৰ বাবে লাগি আছো। আমি যিটো খেতিৰ ওপৰত বেচি নিৰ্ভৰশীল সেইটোত গুৰুত্ব দিব লাগিব বাৰিষা পানীৰ কাৰণে নলা, বান্ধ আদি বান্ধিব লাগিব। দৰং, লক্ষীমপুৰ, নগাও আদি জিলাত খাৰিফ শস্য ভাল হয়। সেই বিলাকত পানী যোগান ব্যৱস্থা কৰিব লাগে। আমাৰ যাতে খাৰিফ শস্য ভালকৈ কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আজি দেখা যায় খাৰিফ শস্যৰ কোনো কথাই নাই।

আজি ভূমিনীতি সংশোধন কৰাৰ কথা কৈছে আৰু ভূমিহীনক মাটি দিয়াৰ কথাও কোৱা হৈছে। বহুতো বেদখলি মানুহক উচ্ছেদ কৰা হৈছে। এই বিলাক ক্ষেত্ৰত দেখা গৈছে শতকৰা ৮০ ভাগ বেদখলি মানুহক উচ্ছেদ কৰাৰ পিচত তেওঁলোক নিজ নিজ ঘৰলৈ গুচি যায়। আনহাতে তেওঁলোকৰ লগত মাটি বাৰিহীন শতকৰা ২০ ভাগ মানুহ ৰাস্তাৰ কাষত, নদীৰ পাৰত থাকিব লগা অৱস্থা হৈছে। ইয়াৰ ফলত চুৰি ডকাইতি আদিৰ সংখ্যা বাঢ়ি গৈছে। জীৱন ধাৰণৰ কাৰণে তেওঁলোকে বেয়া পন্থা অৱলম্বন কৰিছে। এই খিলঞ্জিয়া মানুহ খিনিক যেতিয়ালৈকে আমি মাটি নিদিও তেওঁলোকে বেদখল কৰিব। আজি সেইবিলাক মানুহৰ সংস্থাপনৰ ব্যৱস্থা কৰা হোৱা নাই। মই ৰাজহমন্ত্ৰীক অনুৰোধ কৰিছো এই ধৰণৰ গৃহহীন মানুহ বিলাক বাচি ওলিয়াই সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত পিচপৰা অঞ্চলৰ শিক্ষাৰ কথা কোৱা হৈছে।

প্ৰাইমাৰী এম, ই আৰু হাইস্কুল, এই ভেন্সাৰ স্কুল বিলাক ৰাইজে টকা খৰচ কৰি গঢ়ি তুলিছে এই স্কুল বিলাকত বহুত সমস্যা আছে। স্কুল বিলাকত ব্লেকবৰ্ড নাই, টেবুল চকী নাই, ঘড়ী নাই। প্ৰাইমাৰী স্কুল বিলাকত দুজন শিক্ষক দিয়া হৈছে কিন্তু বহিবলৈ চকী টেবুল নাই শিক্ষক সকলে থিয় হৈ পঢ়াব লগা অৱস্থা হৈছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এইবিলাক ক্ষেত্ৰত অতি সোনকালে ব্যৱস্থা কৰিব বুলি অনুৰোধ কৰিলো।

চিহ্নল কাষ্ট আৰু ট্ৰাইবচৰ গ্ৰেণ্ট দিয়া সম্পৰ্কত বহুত কথা আছে আমাৰ এই লোক সকলে কোনো সুবিধা নাপায়। মহকুমা ভিত্তিত যি কমিটি আছে তাত বিধান সভাৰ সদস্য সকলক সদস্য কৰি দিব পাৰিলে ৰাইজৰ কিছু কাম হব। তেতিয়াহলে ফাণ্ড বিলাক সমভাবে বিতৰণ হব। আমাৰ দেখা গৈছে টকা বিলাকৰ সমবিতৰণ নোহোৱাৰ কাৰণে এই লোক সকলৰ কোনো কাম হোৱা নাই। এই ক্ষেত্ৰত মোৰ পৰামৰ্শ কাৰ্য্যকৰী কৰিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীলক্ষীকান্ত শইকীয়া :— উপাধ্যক্ষ মহোদয়, বিত্তীয় বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিছে এই বাজেট খন মই আশাবাদী বাজেট বুলি গ্ৰহণ কৰিছো। এনেকুৱা আশাবাদী বাজেট উত্থাপন কৰা কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অভিনন্দন জনাইছো।

উপাধ্যক্ষ মহোদয়, এই বাজেট খনক মই আশাবাদী বুলি এই কাৰণে অভিহিত কৰিছো যে যিহেতুকে পোন প্ৰথম বাৰৰ কাৰণে এই বাজেটত বাৰ্ষিক যোজনাত অধিক টকা ধাৰ্য্য কৰিবৰ কাৰণে সক্ষম হৈছে বা থকা হৈছে। এই বাজেট সম্পৰ্কত ইতিমধ্যে আলোচনা হৈছে আৰু আমাৰ

Speech not corrceted

বিৰোধী পক্ষৰ কেবা গৰাকী মাননীয় সদস্যই নিৰাশ জনক মনোভাব প্ৰকাশ কৰিছে। এই আলোচনাত অংশগ্ৰহণ কৰি মাননীয় সদস্য শ্ৰীনগেন্দ্ৰ বৰুৱা ডাঙৰীয়াই আক্ষেপৰ সুৰত এটা কথা উল্লেখ কৰিছিল। সেইটো হল কুৰিদফীয়া আচনী ঘোষণা, দেশৰ জৰুৰী অৱস্থা ঘোষণাৰ যি কথা উল্লেখ কৰিছে একমাত্ৰ কংগ্ৰেছ চৰকাৰৰ কংগ্ৰেছ দলৰ অকৰ্ম্মণ্যতাৰ ফল ঢাকিবৰ কাৰণে, এই দোষাৰূপ তেখেতে উত্থাপন কৰিছে। উপাধ্যক্ষ মহোদয়, যিটো সচা কথা দেখ দেখ কথা সেইটো আমি নুই কৰিলেয় অলপ অবিচাৰ কৰা হয়। কিয়নো এইটো সকলোৰে জনমত বা একমত যে দেশত জৰুৰী অৱস্থা ঘোষণা কৰা সম্পৰ্কে বহুতো আলোচনা হৈ গৈছে মই বিশেষ উল্লেখ কৰিব খোজা নাই।

(অধ্যক্ষৰ আসনত চেয়ৰমেন বহে)

সেই কাৰণে আজি জনসাধাৰণে স্বীকাৰ কৰিছে যে জৰুৰী অৱস্থা ঘোষণা কৰাৰ পাচত গোটেই ৰাষ্ট্ৰত শুভ পৰিস্থিতিয়ে দেখা দিছে আৰু ফলত দেশৰ উন্নয়ন মূলক আচনিৰ কাম সফল কৰাত যে সুচল হৈছে তাক কোনেও নুই কৰিব নোৱাৰে। বাজেট বক্তৃতাৰ আৰম্ভনিতে মুখ্য-মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে পোন প্ৰথম বাৰৰ বাবে ভাৰতবৰ্ষত লগতে অসমত মুদ্ৰাস্ফিতি হ্ৰাস পাইছে এই কথাটো কোনেও অস্বিকাৰ কৰিব নোৱাৰে আৰু এইটো বক্তৃতাৰ কথা নহয় অংকৰ কথাহে আৰু যিহেতু আমি অংক বিশ্বাস কৰো এইটো বিশ্বাস কৰিবই লাগিব। গতিকে এনেকুৱা ক্ষেত্ৰত যদি মাত্ৰ কংগ্ৰেছ চৰকাৰৰ অকৰ্ম্মন্যতাৰ কাৰণে কিছুকাম ঢাকি ৰাখিবৰ কাৰণে জৰুৰী অৱস্থা ঘোষণা কৰা বুলি কয় সেইটো অবি-চাৰ কৰা হব আৰু সত্যৰ অপলাপ কৰা হব। এইটো নিশ্চয় স্বীকাৰ কৰিব যে জৰুৰী অৱস্থা ঘোষণাৰ লগে লগে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে কুৰি-দফীয়া আচনি গ্ৰহণ কৰাৰ পাচত উৎপাদন যি ধৰণে বাঢ়িছে আৰু

আচনি কাৰ্য্যকৰী কৰাত আৰু প্ৰতিক্ৰিয়াশীল শক্তিবিলাকক দমন কৰা বাবে এই আচনি ফলবতী কৰাত সুবিধা হৈছে। কিয়নো প্ৰত্যেক বছৰে বাজেট গ্ৰহণ কৰা হয়, টকা ধাৰ্য্য কৰা হয় আৰু পৰিকল্পনা কৰা হয় কিন্তু কাৰ্য্যকৰী কৰা সময়ত সেই শক্তি সমূহে বাধাৰ সৃষ্টি কৰে আৰু ফলত আমাৰ উন্নতি সাধনত বাঘাত জন্মে। উদাহৰণস্বৰূপে চেয়াৰমেন মহোদয় আপুনি জানে এখন দেশৰ উন্নতিত যোগাযোগ ব্যৱস্থাই যথেষ্ঠ অবিহনা যোগাই কিন্তু দুৰ্ভাগ্যবশতঃ এই ব্যৱস্থা অচল কৰি দিবৰ কাৰণে যি আন্দোলন হৈছিল আৰু সেই আন্দোলনত কিছুৱে যোগদান কৰি দেশৰ উন্নত ব্যাহত কৰিবলৈ যি অপচেষ্টা কৰিছিল সেইবিলাক কথা উল্লেখ কৰি সময় নষ্ট কৰিব বিচৰা নাই। এই আচনি বিলাক কাৰ্য্যকৰী কৰাত যে বাধাপ্ৰদান হৈছিল সেই কথাত পতিয়ন গৈছে আৰু সেই শক্তিবিলাক দমন কৰাৰ ফলত কাম কৰিবলৈ কিছু সুবিধা হৈছে। ইতিমধ্যে পোন প্ৰথমবাৰৰ বাবে কৃষি আৰু উদ্যোগ বিলাকত যি ধৰণে উৎপাদন হৈছে সেইটো যে উল্লেখযোগ্য কথা তাক স্বীকাৰ কৰিব লাগিব আৰু সেইটো যে জৰুৰী অৱস্থাৰ কাৰণে হৈছে সেইটোও ঠিক গতিকে দোষাৰোপ কৰাৰ কোনো ভিত্তি নাই।

চেয়াৰমেন মহোদয়, এইখনেই প্ৰথম বাৰৰ বাবে আশাবাদী বাজেট। কাৰণ প্ৰথম বাৰৰ বাবে ৰাজ্য চৰকাৰে যিবিলাক টকা ধাৰলৈ দিছিল যিবিলাক কৰ কাটল পৰি আছিল সেইখিনি আদায় কৰিবলৈ সক্ষম হৈছে আৰু সেই টকা বাৰ্ষিক যোজনাত খটুৱাবলৈ চেষ্টা কৰিছে। আপুনি ভালদৰে জানে যে যিবিলাক টকা যি উদ্যেশ্যে ঋণ দিয়া হৈছিল সেইবিলাক টকা সেই উদ্যেশ্যে খটুৱা হোৱা নাই। ফলত সেই ঘাটি পূৰাবৰ কাৰণে কৰকাটল লগোৱা হয় আৰু সেই মতে কৰ কাটল সংগ্ৰহ কৰা হয়। কিন্তু দুৰ্ভাগ্যবশতঃ বহু বছৰ ধৰি আমাৰ ৰাজ্যত

বিভিন্ন কৰকাটল অনাদায় হৈ থকিল আৰু যি উদ্যেশ্যে লগোৱা হৈছিল সেই উদ্যেশ্য সফল নহ'ল। আজি সেই টকাবিলাকৰ দ্বাৰা কিছুমান বাৰ্ষিক যোজনা লবলৈ সক্ষম হৈছো। যি উদ্যেশ্যে ৰাইজৰ ওপৰত কৰকাটলৰ দুৰ্বহ বোজা জাপি দিছে সেই উদ্যেশ্যে টকা আনি যদি খটুৱাব পৰা নাযায় তেনেহলে ৰাইজৰ সামগ্ৰীক উন্নতি কৰিব নোৱাৰি আৰু তেতিয়া কৰকাটলৰও কোনো উদ্যেশ্য নাথাকে। ফলত যি ধৰণে আমি পৰিকল্পনাবিলাকত আগবাঢ়ি যাব লাগিছিল সেই ধৰণে যাব পৰা নাই। গতিকে আমি কি ধৰণে পিচ পৰি আছো তাৰ দৃষ্টান্ত উল্লেখ কৰিব বিছৰা নাই। আমাৰ বিত্তিয় অৱস্থা শোচনীয় হোৱা কাৰণে অন্য ৰাজ্যৰ তুলনাত আমি ফেৰ মাৰিব পৰা নাই আৰু বহুতো পিচপৰি আছো। আমি আশা ৰাখিছো এই বছৰ আমি কিছু আগবাঢ়ি যাব পাৰিম।

চেয়াৰমেন মহোদয় এই বাজেট আমি এটা শুভ লক্ষণ দেখিছো আৰু কুৰি দফীয়া আচনিৰ কাৰণে সুকীয়াকৈ টকা ধাৰ্য্য কৰা হৈছে। ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে গোটেই দেশৰ অৱস্থালৈ লক্ষ্য ৰাখি আমাৰ দুখীয়া জনসাধাৰণক কেনেকৈ আগবঢ়াই নিব পাৰে আন দেশৰ লগত কেনেকৈ ফেৰ মাৰিব পাৰে তাৰ কাৰণে কেইটামান বিষয়ৰ আচনি প্ৰস্তুত কৰি আমাৰ সন্মুখত দাঙি ধৰিছে আৰু ৰাজ্য চৰকাৰ সমূহক নিৰ্দেশ দিছে যাতে এই আচনি বিলাক অতি সোনকালে কাৰ্য্যকৰী কৰে আৰু তাৰ কাৰণে বাৰ্ষিক যোজনাত সুকীয়াকৈ টকা ধাৰ্য্য কৰাত আমি সুখী হৈছো। আমি সচাকৈ আনন্দিত হৈছো যে আমাৰ যি কেইটা বিষয় কুৰীদফীয়া আচনিৰ অন্তৰভুক্ত কৰা হৈছে আৰু সেই মতে বাৰ্ষিক যোজনাত টকা ধৰাত আমি লাভবান হম আৰু যিটো উদ্যেশ্যে দুখীয়া ৰাইজৰ উন্নতিৰ কাৰণে কুৰীদফীয়া আচনি লোৱা হৈছে সেই আচনিত যে দুখীয়া জনসাধাৰণ লাভবান হব তাত

আমাৰ সন্দেহ নাই।

চেয়াৰমেন ডাঙৰীয়া, মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত এটা কথা উল্লেখ কৰিছে যিটো কথা সকলোৱে চিন্তা কৰিছে। সেইটো হৈছে ৰাজ্যৰ বাননিয়ন্ত্ৰন। ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তৃতা দিয়োতে মই এই কথা কৈছিলো যে ৰাজ্যত বানপানীয়ে বছৰে বছৰে যিটো পৰিস্থিতিৰ সৃষ্টি কৰি আহিছে যদি অতি সোনকালে তাৰ সমাধা নহয় তেনেহলে ৰাজ্যৰ অৰ্থনৈতিক দিশত যথেষ্ঠ ক্ষতিকৰ হব। উদাহৰণ স্বৰূপে যোৱা বছৰ বানপানী নহাৰ কাৰণে অৰ্থ নৈতিক অৱস্থা ভালকৈ আহিছে। সেইটো চিন্তা কৰিলে আনন্দ লাগে। কাৰণ আমাৰ পোন প্ৰথম বাৰৰ কাৰণে খাদ্য অৱস্থা ভালকৈ আহিছে। আনহাতে বেয়া লাগে এইটো কাৰণে প্ৰত্যেক বছৰে যে মানুহৰ এইদৰে কিমান ক্ষতি হৈ আছে। সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব লাগে যে যদি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা নিয়ন্ত্ৰন নকৰে তেনেহলে অসমৰ নিচিনা দুখীয়া দেশৰ সমস্যা সমাধান কেতিয়াও নহয়।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আন এটা কথা উল্লেখ কৰিব খুজিছোঁ। সেইটো হৈছে আমাৰ বিত্তদায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট বক্তৃতাত ৰাজ্যখনৰ পৰা ঋণৰ বোজাটোৰ সংক্ৰান্ততো উল্লেখ কৰিছে। আজি এই ঋণৰ বোজা ইমান দুৰ্বল হৈ পৰিছে যে, সোনকালেই এইটো পৰিশোধ কৰিব নোৱাৰিলে বা পূৰণ কৰিব নোৱাৰিলে ই পৰবৰ্ত্তি বাৰ্ষিক পৰিকল্পনাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব। ৫২৮.৪ কোটি ঋণৰ বোজা আমাৰ ওপৰত পৰিছে। এই ঋণ বিলাক আমি কত খৰচ কৰিছো কত পৰি আছে সেইটো বিষয়েও মাননীয় মুখ্যমন্ত্ৰীয়ে

আভাষ দিছে। ইতিমধ্যে আমাৰ ৰাজ্যিক চৰকাৰে যিটো টকা অব্য-ৱহৃত-অপচয় হৈ পৰি আছিল সেইটো আদায় কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। এইটো নিতান্তই বৰ সন্তোষৰ কথা হৈছে আৰু তাৰ বাবে মই অভিনন্দন জনাইছো। লগতে যি বিলাক খৰচ পাতি কৰা হৈছে সেইবিলাক আদায় কৰিব পাৰিনে নোৱাৰি সেইটো কথাও নতুন কৈ চিন্তা কৰাৰ সময় আহিছে। জলসিঞ্চন বা মঠাউৰি বিলাকত ঋণৰ যি বিলাক টকা খৰছ কৰা হৈছে সেই টকা বিলাকৰ ক্ষেত্ৰত কি ধৰণে লাভৱান হৈছে সেই কথা বিলাক আজি পৰ্য্যালোচণা কৰাৰ দৰকাৰ হৈছে এই কাৰণেই যে যদি তাৰ দ্বাৰাকোনোবা সচাকৈ লাভৱান হৈছে তেনেহলে সেই লাভবান হোৱা মানুহ বিলাকৰ পৰা টকা আদায় কৰিব লাগিব। মঠাউৰিৰ ক্ষেত্ৰতো সেই একেটা কথাই। লাভৱান হোৱা মানুহ খিনিৰ পৰা যদি সেইটো আনিব নোৱাৰি তেতিয়াহলে তেওঁলোকে তাৰ অপব্যৱহাৰ কৰিব। সেইকাৰণেই এইটো পৰ্য্যালোচন কৰাটো উচিত হব। মাননীয় উপাধ্যক্ষ মহোদয়, গোটেই বিত্তীয় অৱ-স্থাৰ কথা উল্লেখ কৰি কেনেকৈ টনকিয়াল কৰিব পাৰি সেইটোও বিত্ত মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে। মই আগতেও উল্লেখ কৰিছো যে, অনাদায়ী হৈ পৰি থকা ঋণ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত জৰুৰীকা-লীন অৱস্থা ঘোষণা কৰাৰ পিচত দ্ৰুত গতিৰে আগবাঢ়িব পাৰিছে। এইটোকে কৰিব পৰা কাৰণে দেশখন সামান্য পৰিমাণে হলেও আগ বাঢ়িব সেইটো আমি আশা কৰিছো। কিন্তু এইখিনিতে মই এটা পৰামৰ্শ দিব খুজিছোঁ। এইবাৰ বিধান সভাত যি বিলাক প্ৰশ্ন উত্থাপিত হৈছে সেই বিলাকৰ বেছি ভাগেই ৰাজহুৱা খণ্ডত গঢ়ি উঠা উদ্যোগ প্ৰতিষ্ঠানৰ সম্পৰ্কে। ৰাজহুৱা খণ্ডত যি বিলাক আৰম্ভ কৰিছে সেইবিলাক প্ৰায়বিলাকৰে আৰ্থিক অৱস্থা একেবাৰেই বেয়া। কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণৰ

টকা লৈ সেইবিলাকত খটুওৱা হৈছে। সেইবিলাক ৰাজহুৱা অনুষ্ঠানৰ আৰ্থিক অৱস্থা যদি ভাল কৰিব নোৱাৰি তেতিয়াহলে, যি নীতিক অনুসৰণ কৰি আগ বঢ়া হৈছে তাত প্ৰতিবন্ধকতাৰ সৃষ্টি হ'ব আৰু আনহাতে ঋণৰ টকা সত্‌ব্যৱহাৰ নোহোৱাৰ কাৰণে তাৰ দ্বাৰা ক্ষতি হব। সেইকাৰণেই ৰাজ্যখনত যদিও নিগম প্ৰতিষ্ঠা কৰিছে তাত চৰকাৰী হস্তক্ষেপ থাকিব লাগিব। ইতিমধ্যেই ৰাজহুৱা খণ্ডৰ অনুষ্ঠান প্ৰতিষ্ঠান বিলাকৰ ক্ষেত্ৰত গঠন কৰি দিয়া কমিটিয়ে দুটা প্ৰতিবেদন দাখিল কৰিছে। এই কমিটিয়ে অসমৰ গোটেই কেইটা প্ৰতিষ্ঠানকে চোৱা চিতা কৰিছে। প্ৰত্যেক প্ৰতিষ্ঠান সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিবৰ কাৰণেও চেষ্টা কৰি আছে। এই প্ৰতিবেদন বোৰ চৰকাৰী বিষয়াসকলৰ ওচৰতে নাথাকি তাৰ বাহিৰলৈকো আনিব লাগে। কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অনুৰোধ কৰিছো। কিয়নো তাকে কৰিলে পৰামৰ্শৱলী বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আৰু গ্ৰহণকৰা আচনি বিলাক গ্ৰাহ্য কৰাৰ ক্ষেত্ৰত পৰ্যালোচনাৰ দ্বাৰা সহায় সহযোগ আগবঢ়াব পৰা যাব। ফলত উৎপাদন আৰু ৰাজ্যখনৰ আৰ্থিক অৱস্থা টনকিয়াল হব। আমি লাভবান হম আৰু ৰাজ্যখনৰ ঋণৰ বোজাৰ পৰা সকাহ দিয়াত আমি আগ বাঢ়ি যাব পাৰিম।

মাননীয় উপাধ্যক্ষ্য মহোদয়, মই কেইটামান পৰামৰ্শ দিব খুজিছোঁ। যোজনাৰ পঞ্চম পৰিকল্পনাৰ উদ্দেশ্য আছিল দেশৰ পৰা দৰিদ্ৰতা দুৰিকৰণ, স্বাৱলম্বিতা লাভ কৰি নিবনুৱা সমস্যা দূৰিকৰণ কৰা, পিছপৰা লোক সকলক আগবঢ়াই লৈ যোৱা, আঞ্চলিক বৈষম্যতা দূৰীকৰণ ইত্যাদি। ইতিমধ্যেই ৫ম পৰিকল্পনাৰ দুটা বছৰ অতিবাহিত হৈ গলেই। তাৰ পৰা আমি যিটো দেখা পাইছো বাৰ্ষিক যোজনাৰ মুল লক্ষ্যৰ পৰা ফালৰি কাটি অহা যেন দেখা পাইছো। আঞ্চলিক বৈষম্যতা দুৰীকৰণ

কৰণৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰীয়ে জনোৱা আহ্বানৰ কাৰণে আমি
তেখেতৰ ধন্যবাদ আৰু আন্তৰিক অভিনন্দন জনাইছো। ৰাজ্যখনৰ
প্ৰত্যেকটো অঞ্চল, প্ৰত্যেকটো মহকুমাই যাতে আঞ্চলিক বৈষমত্যা দূৰী-
কৰণৰ দ্বাৰা লাভৱান হব পাৰে তাৰ কাৰণে এখন মহকুমা পৰি-
কল্পনা চক্ৰ, আৰু বৰ্ড গঠন কৰি দিছিল। কিন্তু বৰ পৰিতাপৰ কথা যে, এই
পৰিকল্পনাৰ চক্ৰ আৰু বৰ্ডে, যিবিলাক পৰামৰ্শ আৰু আচনি আদি আগবঢ়াই-
ছিল সেইবিলাকে বাৰ্ষিক যোজনাত স্থান নেপালে। ফলত আঞ্চলিক
বৈষমতা দূৰীকৰণৰ ক্ষেত্ৰত আজি আশংকা হৈ পৰিছে প্ৰকৃততে এইটো
কৰিব পৰা যাবনে নেযাব ? সেই কাৰণেই মই আমাৰ বিত্ত-
বিভাগৰ ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী মহোদয়ক এই অনুৰোধ কৰো যে, অহা
তিনি বছৰীয়া বাৰ্ষিক যোজনাৰ আচনি প্ৰস্তুত কৰোতে যাতে এই
মহকুমা পৰিকল্পনা চক্ৰ আৰু বৰ্ড বিলাকে আগবঢ়োৱা পৰামৰ্শ আৰু
আচনি সমূহে তাত স্থান পাব পৰে। তেতিয়াহলে, আমি পৰিকল্প-
নাৰ প্ৰকৃত উদ্দেশ্যত আগবাঢ়িব পাৰিম। ইতিমধ্যেই আমাৰ ৰাজ্য-
খন যে, কেইবাটাও দিশত আগবাঢ়িছে আৰু কৃতকাৰ্য্য হৈছে সেইটো
সকলোৰে দৃষ্টি গোচৰ হৈছে সেইটো ৰাজ্যপাল মহোদয়ৰ ভাষণৰ আলো-
চনাতো কোৱা হৈছে। এই সত্যটো সকলোৱেই স্বীকাৰ কৰিব আৰু
কৰিছেও। কিন্তু এইখিনিতে এটা কথা মই আগৰ ৰাজ্যপালৰ ভাষণৰ
ওপৰত হোৱা আলোচনাতো উল্লেখ কৰিছিলো আৰু এতিয়াও কৰো
যে, জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ সময়ত প্ৰসাশণীয় যি এটা
তত্‌পৰতা আৰু নিয়মানুবৰ্ত্তিতা পৰিলক্ষিত হৈছিল সেইটো এতিয়া বহু
পৰিমানেই ম্লান হৈ গৈছে যেন লাগে আৰু এইটো আমাৰ বাইজে
কোৱা কুই কৰে। আগতে ১০ বজাৰ কেইমিনিট মান আগতে
অফিচলৈ আহিছিল যদিও এতিয়া আকৌ কেইমিনিত মান পিচত
হে অহা যেন দেখা যায়। নিয়মানুবৰ্ত্তিতাৰ দ্বাৰা এটা জাতিয় চৰিত্ৰ

গঢ়ি তুলিব পাৰিলে জৰুৰীকালীন অৱস্থাৰ প্ৰয়োজন নহব বুলিয়েই এইটো কৰা হৈছিল যদিও সেইটো আজি শিথিল হৈ যাব ধৰিছে। উপযুক্ত সময়ত ফান কোন উপস্থিত হৈছেনে নাই সেইটো চাবৰ কাৰণে গোপন তথ্য ৰখাৰ ব্যৱস্থাও এতিয়া নৰখা হৈছে।

ইয়াৰোওপৰি উপাধ্যক্ষ মহোদয়, বিভিন্ন আচনি বিলাকত যি বিলাক টকা পইচা আদি কাৰ্য্যকৰী কৰণত খৰছ পাতি হয় সেইবিলাক আমি 'একাউণ্টণ্টে জেনেৰেল'ৰ ৰিপৰ্টতহে পাওঁ। বিত্তিয় বিভাগে কত কেনেকৈ আচনিৰ টকা পইছা খৰছ হৈছে, তাৰ দ্বাৰা লাভেই হৈছে নে লোকচানেই হৈছে বা কৰবাত অপচয় আদিয়ে হৈছেনে সেই কথা বিলাক নেচায়।

আৰু যি সকলে হেমাহি কৰে সেইটো যদি প্ৰমানিত হয় তেতিয়াহলে তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা হাতত লোৱাৰ আচনি লব লাগে। তাৰোপৰি সভাপতি মহোদয়ে আমাৰ বাকী যি বিলাক বিভাগে আচনি আদি প্ৰস্তুত কৰে সেই সময়ত বিত্ত বিভাগে যিতো তত্পৰতা দেখুৱাব লাগে সেই তত্পৰতা নেদেখুৱাৰ ফলত কিছুমান যে টকা অনাৰ্থক খৰছ হয় সেইবিলাক কথা একাউণ্টজেনেৰেলৰ প্ৰতিবেদনত প্ৰমানিত হৈছে। মই আগতেও উল্লেখ কৰিছো আৰু এতিয়াও উল্লেখ কৰো যে আমাৰ বিত্ত বিভাগৰ ডাকৰ কাম হব যদি কোনোবাই কিবা কাৰণত মঞ্জুৰী বিচাৰে তেতিয়াহলে তেওঁলোকে আইনত যিমান বিলাক কথা আছে সেই আটাই বিলাক ডাঙি ধৰিব। কিন্তু টকা মঞ্জুৰী দিয়াৰ পিচত সেই টকা কেনেকৈ ব্যৱহাৰ হৈছে সেইটো নাচায়। এই টকা খৰছ হৈছেনে নাই সেই কথা চায় কিন্তু আচল কামত ব্যৱহাৰ হৈছেনে নাই সেইবিলাক কথা কেতিয়াও নাচায়।

আমাৰ যিমান বিলাক টকা খৰছ হয় তাৰ যদি শতকৰা ৬০ ভাগ টকাৰ সতব্যৱহাৰ হলহেতেন তেনেহলে আমাৰ বহুত কাম হলহেতেন। দুখৰ কথা টকা বিলাক কেনেকৈ খৰছ হৈছে সেই কথা বিত্ত বিভাগে চকু নৰখাৰ ফলত বছৰি বছৰ টকাৰ অপব্যৱহাৰ হোৱাটো এ জিৰ প্ৰতিবেদনত ওলাই পৰিছে। মই মন্ত্ৰী মহোদয় সকলক এটা পৰামৰ্শ দিব বিচাৰিছো যে এ জিয়ে যি বিলাক প্ৰতিবেদন দাখিল কৰে সেই বিলাক বিভাগীয় মন্ত্ৰী মহোদয় সকলে পঢ়ি চাব লাগে। আমি এ জিৰ প্ৰতিবেদনৰ পৰাই এই বিলাক কথা গম পাইছো। আৰু এই বিলাক মন্ত্ৰী মহোদয় সকলে পঢ়ি চাই সেই বিলাক বিভাগীয় বিষয়া সকলৰ লগত আলোচনা কৰি তাৰ যথোচিত ব্যৱস্থা কৰিব লাগে। যদি একেকৈ ব্যৱস্থা লয় তেনেহলে আমাৰ বিত্তিয় অৱস্থা বেয়া হোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। যি বিলাক আচনি লোৱা হব সেইবিলাক সময়ত কাৰ্য্যকৰী হব। গতিকে বিভাগ বিলাকে কাম বিলাক থিক মতে কৰিছেনে নাই টকা বিলাক থিক মতে খৰচ কৰিছেনে নাই সেই কথা চাবৰ কাৰণে বিত্ত বিভাগত এটা শাখা প্ৰৱৰ্তন কৰিব লাগে। আগতেও এইটো কথা আলোচনা কৰা হৈছিল।

এইটো পুনৰ উত্থাপন কৰিছো যে আমাৰ কাম বিলাক থিক মতে হৈছেনে নাই সেইটো চাবৰ কাৰণে বিত্ত বিভাগত বেলেগ এটা শাখা খোলা উচিত।

এটা কথা বাজেট বক্তৃতাত উল্লেখ কৰিছে আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াইও কৈছে যে পৰিকল্পনাৰ যি বিলাক উন্নয়নমূলক আচনি সেই বিলাক কাৰ্য্যকৰি কৰাৰ কাৰণে সময় বান্ধি দিয়া হৈছে। সকলো

বিলাক কাম একচন কেলেণ্ডাৰ মতেই হব লাগিব। প্ৰকৃততেই এইটো এটা ভাল কথা। অৱশ্যে এই বছৰেই কেইটামান বিভাগে একচন কেলেণ্ডাৰ মতে কাম কৰাত সন্তোষ পাইছো গড়কাপ্তানী বিভাগে একচন কেলেণ্ডাৰ মতে কাম কৰিছে। আগৰ দৰে বৰষুণলৈ পেলাই থব লগীয়া হোৱা নাই। কিন্তু এতিয়াও বহুত বিভাগে বহুতো কাম পেলাই ৰাখিছে। এই বিলাক কাম সোনকালে কৰিবলৈ মই অনুৰোধ জনালো। আৰু যদি সকলো বিলাক কাম মুখ্যমন্ত্ৰী মহোদয় কোৱাৰ নিচিনাকৈ একচন কেলেণ্ডাৰ মতে কৰে তেনেহলে কাম বিলাকো সোনকালে হব আৰু টকাও বেচি অপচয় নহব আৰু মাৰ্চ মাহৰ শেষত টকা বিলাকো ঘূৰাই দিব নালাগিব। আমি এটা কথা ভাৱো যে ৩১ মাৰ্চৰ দিনা যিমান টকা খৰচ কৰে তাৰ আগতে যদি তাৰ আধা টকাও খৰচ কৰি কাম কৰিলেহেতেন তেতিয়াহলেও আমাৰ বহুত কাম হব। সেই বাৰণেই একচন কেলেণ্ডাৰ মতেই কাম কৰিব লাগে যাতে আমাৰ টকা বিলাক ঘূৰাই দিবলগীয়া নহয়। আমাৰ সকলো বিলাক কাম যাতে একচন কেলেণ্ডাৰ মতেই হয় আৰু আঞ্চলিক বৈষম্যৰ কাৰণে বিষেশ ভাৱে দৃষ্টি ৰাখিবলৈ লৈ আবেদন জনাই মই বক্তব্যৰ সামৰণি মাৰিলো।

* Shri Dulal chandra khound :— Mr. chairman, Sir, the finance Minister-cum-Chief Minister has prosented a balance budget. Really it is a difficult taak to atrike a blance potween need and development and also evailebility of respurces. But this belance budget is

Speech not corrceted

necessary and welcome in this very context because though in lation in our country has been chcked, we living we are living in the midest or in letionery prassure, to-day we are living in the midst of a capitalist world under preasure or heavy inflation. The thence iniater has mentioned that in our country inflation has been checked. It is correct, but we should also remember that the situation is not yet stabilised. In the third week or February the average wholesale price registered an increase of 45. At the same time sir, while in clation is checked at the cost of deplation of our foreign exchange that we must remember that by deplating our foreign exchange reserve and liberalising the import we have been able to check the inflatian to some extent. Then another point, Sir, is this, a sorious disparity is growing between the prices of agriculcural commoaities and industrial commodities. Whereas the prices of agricnltural commodities are falling at faster rate the industrial commoditics are not falling, thereby creating a disparity and a heavy aconomic burden on our porvest population and also on our agricultural economy. One thing I want to point out that we must not be complacent about the situation because of the fact that this monopoly capital has already attrecied counter attack. Immediately after the

declìration or emargency they not a set back. But after a few months they are trying for a counter attack. This counter attack Sir, is and will be mainly on the economic front and not on the political front this time. Sir, there leader and menter has already started the counter attack on our monopoly capital and that leader and mantor on our monopoly capital is united states imperialism which has alrendy sterted attacking Indian econemy by stopping all loans and assistance. Presidoent Ford said we commiss recognise In dia, but we do not suppert it' and because kissingor has dsclared that India is not toeing the line of D. S. imperialism, all loans and assistance declared and committed, are stopped by the United States. So, in this context counter attock on our monopoly capital is forth coming and practically it has sterted. So, we must not be complacent. In this context I went to discuss the 20 point programme. We have been discussing it very much. But one point I want to raise is that previously the same congress Governament declared various progremmes, the some party declared verious programmes and took verious resolutions, but this time a popular enthusiasm has been crested wnich could not be crected earlier. Only this time a mass upsurge, a popular enthusiesm has been

created. That is the reason for this ? If we fail to see the reason then we shall be falling to see the very significance of these things. Sir, the people are enthuaiastic seeing the 20-point programme in a particular political context. That context is the context of fight against the imparialism, the context of fight against reaction, the context of effort for changing the society. In this context as it were they are seeing a new stage Secondly, stage of our National Liberation Movement that second stage is the economic liberation of our Country from the imperialistic grip, from the rsactionary and the monopoly capitalist grip. People are saying it like that and therefcre, they are enthused. May friend Mr. Saikia has already stated that and in some words he has admitted that enthusiasm and the driven efforts which we saw immediately after the emergency, that enthusiasm and that drive is a bit falling. I warn the Govt. that we fail this time and if we allow this popular enthusiasm to fail then we may not get another chance. So we must make all efforts to utilise that popular enthusiasm by properly implementing 20 point economic. Programme And implementating the 2o point economic programe, Sir, I want to stress 3 points, the contribution of Govt. and non Govt. efferts. Secondly a popular unity of all pregnessive and democratic people through the implementation of this 2o point economic programme, involvement

of the people and Sir, along with it re-erientation of the entire administrative system. I don't want to blame Mr. 'X'. or Mr. 'Y'. Govt. Officer, here or there,. i. e. not the question. The queition is to re-erient the entire administative system. This administrative machnery has been brought up with a particular outlook. Now that outlook is to be changed. Again I would say, that the Govt. must take initiative to change the very outlook of the entirs administration. It is not a question of some Govt. Officers Therefore, Sir, 2o point economic programme is a sine question for our further progress, for our further efferts to change our society. we feel at this time for further development, but we shall not be able to take any other steps. I do not say that this is all and end all of all our programme. It is not that Prime Minister has already declared, President has already declared that we are going to take more programmes for further development of the society. But taking up of all these programmes and success of this programmes depend very much on how we ere making these 2o point successful there by climinating findalism of our country and striking out the monopoly capitalist. Then we can create a basis for further development. Sir, Agricultural production, this time

is good. but can we say that situation is dependeble, it is not dependable because still now we can not depend upen it, Govt. has done sometime but we must say that our agriculture is monsoon based. And Sir, if we want to free our agriculture from monsoon then there must be a driven initiative for irrigation system, power supply etc. But whatever we have discussed in this Assemble and the questions answered by the Hon'ble Minister, Sir, I am sorry that there is lack of initiative and drive for this. I am afraid that by just doing the routine work in irrigation and power supply, we are not going to change the country. There must be a serious drive and vigorous efferts should be made then only we can do it. Sir, resource position of our State is very prearious. It has been stated in the Budget speech of the Hon'ble Finance Minister. It has become the catchword in the developing countries. So in this situation, we must augment our position and we must increase our capability of devleping society and for that we must take some short term measures as well as long term measures. Short term measures is that we must take the striugent measures to realise the taxes, Particularly from the big business and other business house which are defaulting in paying

the taxes and also the loans. Secondly Sir, in this respect I would request the Govt. to examine our entire land revenue system and whether we can change it into a pregressive one. We must create Land taxes syatem where by the poor peasants will be relieved. Secondly our revenue of the Govt. may also be augmented. The Govt. may kindly examine this. Long term efforts is the full utilisation of our resorurces, fully in agriculture and industries, for that we require capital, for that we require technical know how and for that we requpre various ether things and these things are not available in the State. Some of them are not available even in the country, for this we must take help and co-operation of some advanced countries. Already we have seen that what United states of America is doing. Recently a contact has been established between our Chief Minister and also a very important Minister of heave Industries of the Soviet Union. I will request the Hon'ble Chief Minister to take particular care to pursue the matter so that for this specific propesal, our Govt. can pursue through the Govt. of India and there can be a close co-operation between the Socialist system and our conutry may be built. It has been seen without the help of the socialist system, no 3rd world country has

developed, nor there are economic base self reliance created. So I request the Govt. to pursue it through the Govt. of India and some of the measures which are viatlly necessary for our state to develop may be adopted in this co-operation and joint sector. Thank you Sir.

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱা :—সভাপতি মহোদয় ১৯৭৬-৭৭ চনৰ বাজেট মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী মহোদয়ে দাঙি ধৰাৰ কাৰণে সচাকৈ মই সুখী হৈছোঁ। যে এই বাৰ কোনো কৰ- কাটল নলগোৱাকৈ সামান্য বাহিৰে আমাৰ প্ৰদেশ খনক আৰু বিশেষকৈ আমাৰ দুখীয়া চাম কৃষকৰ প্ৰতি তেখেতে কুৰিদফীয়া আচনিৰ জৰিয়তে যি কাম কৰিবলৈ আগ, বাঢ়িছে সেই কামত লাগিবৰ কাৰণে যি আহ্বান জনাইছে তাৰ দ্বাৰা অহা বছৰৰ কাৰণে আমাৰ সৰ্বসাধাৰণ গৰীব কৃষক সকল যে উপকৃত হ্‌ব সেইটো আমি আশা কৰিব পাৰো। কিন্তু যোৱা কালি বিশেষকৈ আমাৰ বিৰোধী সদস্য বৰুৱা ডাঙৰীয়াই কৈছিল যে জৰুৰী কালীন অৱস্থা আহিব লগা হোৱা নাছিল । জৰুৰীকালিন অৱস্থা সচাকৈয়ে অহা উচিত নাছিল ? আমাৰ যদি আগৰ দুইবছৰৰ কথা লক্ষ্য কৰো তেতিয়াহলে দেখা পাওঁ যে দেশ স্বাধীন হোৱাৰ পিচৰ পৰা আমাৰ দেশখনত কিমান বিলাক বিশৃংখলাই দেখা দিছে যাৰ ফলত এই প্ৰতিক্ৰীয়াশীল শক্তি-সমূহে চৰকাৰৰ আচনি সমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টী কৰিছে আৰু এটা তেখেতসকলে কৈছে যে আজি আমাৰ বাতৰি কাকতৰ ৰিপোৰ্ট্ৰাৰসকলৰ ওপৰত হস্তক্ষেপ কৰিছে যাৰ ফলত বিধান সভাৰ টেবুল খালি হৈছে ।

Shri Ataur Rahmen (Chairman):—Order, order, the

House stands adjourned till 2. 30 p.m. Mr. Baruah will continue.

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱা :—মাননীয় উপাধ্যক্ষ মহোদয় আগবেলা মই বাতৰি কাকতৰ ৰিপোৰ্টাৰৰ কথা উল্লেখ কৰিছিলো যে তেওঁলোকৰ গণতান্ত্ৰিক স্বত্ব ক্ষুন্ন হৈছে বুলি কালি মাননীয় বৰুৱা দাঙৰীয়াই কৈছিল। যদি সচাকৈয়ে আমাৰ বাতৰি কাকত বিলাকে সত্ ভাৱে দেশৰ উন্নয়ন মূলক আঁচনি বিলাক কেনে ভাৱে আগুৱাই দিব পাৰি সেই ধৰণৰ তেনেকুৱা বাতৰি কাকত সৎ ভাৱেই পৰিবেশন কৰিছে তেনেহলে সেই ধৰণৰ বাতৰি কাকতৰ ওপৰত চৰকাৰে কোনো হস্তক্ষেপ কৰা নাই আৰু যদি দেশখনত অন্যান্য অত্যাচাৰ হোৱা বুলি কিছু কথা পৰিবেশন কৰি দেশ খনক বিশৃংখলাৰ সৃষ্টি কৰি তেনেকুৱা পৰিস্থিতিলৈ আগুৱাই নিব খোজা তেনে ধৰণৰ বাতৰি পৰিবেশন কৰাৰ পৰা বিৰত থাকিবলৈ কৈছে যদিও প্ৰকৃততে বাতৰি কাকতৰ ওপৰত চৰকাৰী ভাৱে কোনো বাধা আৰোপ কৰা হোৱা নাই। মই ভাবো যে আমাৰ দেশখনক বৰ্তমান এই জৰুৰীকালীন অৱস্থাত আগবঢ়াই নিবৰ কাৰণে যিখিনি সুবিধা পাইছো সেই পৰিপেক্ষিতত যাতে বাতৰি কাকত বিলাকে এই কথা বিলাক যাতে জনসাধাৰণৰ সকলোৱে বুজিব পৰাকৈ বহুল ভাবে প্ৰচাৰ কৰি প্ৰগতিৰ পথত আগবঢ়াই নিয়াত সহায় কৰে, সেইটোকে মই কামনা কৰিছোঁ। ইয়াৰ আগতে মই এবাৰ কথা কৈছো যে এই জৰুৰীকালীন অবস্থাৰ ক্ষেত্ৰত বৰুৱা ডাঙৰীয়াই কৈছে যে এই জৰুৰীকালীন অৱস্থাৰ কোনো প্ৰয়োজন নাছিল কাৰণ একেখন চৰকাৰে যোৱা ত্ৰিশ বছৰ ধৰি দেশ চলাই আহিছে সেই চৰকাৰৰ উন্নয়নমূলক কাম কাজ চলাবৰ কাৰণে জৰুৰীঅবস্থাৰ কি প্ৰয়োজন আছে। উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে অজি কিছু বছৰ

ধৰি উন্নয়নমূলক কাম কাজ কৰিবলৈ যাওঁতে বাধাৰ সৃষ্টি হৈ আছে আৰু আঁচনি বিলাক কাৰ্য্যত পৰিণত কৰিবলৈ যাওঁতে নানান বাধাৰ সন্মুখীন হবলগীয়া হৈছে, এই কথা সকলোৱে জানে। এটা কথা তুলনা-মূলক ভাৱে যদি চোৱা হয় যে চিনেমা হল এটাত চিনেমা চলি থাকোতে যদি জুই জ্বলি উঠে তেতিয়াহলে তাত চিনেমা চাই থকা মানুহখিনিয়ে শৃংখলাবদ্ধ ভাৱে ওলাব খুজিলেহে মাত্র দুই এখন দুৱাৰ থকা ঠাইৰ পৰা মানুহখিনি ওলাব পাৰিব সেইটো নহলে নিশ্চয় বিপদৰ সন্মুখীন হব লাগিব। কিন্তু আমি আজি কি দেখিছো আমাৰ কিছু দিন ধৰি দেশখনত জুই লাগিছে আৰু এই জুইয়ে আমাৰ দেশখনক প্ৰগতিৰ পথত বাধা জন্মাইছে আৰু তাৰ ফলতেই আমাৰ দেশখন আগুৱাই নিব পৰা নাছিল। সেই কাৰণে দেশখন প্ৰগতিৰ পথত আগবঢ়াই নিবৰ কাৰণে ৰাষ্ট্ৰপতিয়ে যোৱা ২৬ জুন তাৰিখে দেশত জৰুৰী অৱস্থা ঘোষণা কৰিলে আৰু তাৰ পিচত দেশখন শান্তিৰ পথত আগ বাঢ়িছে। তাৰ ঠিক চাৰি দিনৰ পিচতেই আমাৰ মাননীয় প্ৰধান মন্ত্ৰী মহোদয়াই আমাৰ দেশখনক আগবঢ়াই নিবৰ কাৰণে কুৰিদফীয়া আঁচনি ৰাইজৰ মাজত দাঙি ধৰিছে আৰু প্ৰতিখন চৰকাৰেই সেই আঁচনি কাৰ্য্যকৰিকৰিবলৈ যত্নপৰ হৈছে। আজি কৃষি প্ৰধান দেশৰ অসম ৰাজ্যত শতকৰা পয়সত্তৰ ভাগেই দুখীয়া কৃষক। সেই সকল যদি অভিজ্ঞ কৰা নহয় তেনেহলে আমাৰ প্ৰদেশ খন আগুৱাই যাব নোৱাৰে আৰু যদি কেৱল মুষ্টীমেয় দালাল সকলৰ ওপৰত দেশৰ ভাৰ দিব খোজো তেতিয়া হলে আমাৰ দেশত শান্তি বিৰাজ নকৰে। সেই কাৰণে এই আচনি কাৰ্য্যকৰী কৰিবলৈ মই সকলোকে আহ্বান জনাইছো আৰু তেতিয়াহলে ভবিষ্যতে আমাৰ দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰি থকা লোক সকলৰ সেই এন্ধাৰৰ পৰা উদ্ধাৰ পাব বুলি মই আশা কৰিছো। সেই কাৰণে এই জৰুৰীকালীন

অৱস্থাৰ আৱশ্যকতা সকলোকে জনাইছোঁ। আজি এটা কথা প্ৰতীয়মান হৈছে যে গাৱে ভূঞে, চুকে কোণে দেশখনত এটা শান্তি আহিছে। আজি আমি শান্তিত বত্ৰবাস কৰিবলৈ পাৰিছো এইটো এটা সুখৰ কথা হৈছে। আজি আমি ভালেখিনি কথাত আগবাঢ়িব খুজিছো যেনে কৃষি ক্ষেত্ৰত প্ৰকৃত কৃষকক মাটি দিয়াৰ কাৰণে আগবাঢ়িব খুজিছো আৰু তাৰ কাৰণেই এই আচনি লৈছো। যদি সচাকৈ আচনি মনঃপুত হয় যদি প্ৰকৃততে কাৰ্য্যকৰী কৰিব লাগে যদি মাটিহীন কৃষকক মাটি দি প্ৰগতিৰ পথত আগুৱাই আনিব লাগে, তেনেহলে এই কুৰিদফিয়া আচনিৰ লগত খাপ খুৱাই আমি যদি সকলোৱে সহযোগীতা কৰাব পাৰো তেনেহলে নিশ্চয় কাৰ্য্যকৰী হোৱাৰ সুফল লাভ কৰিব পাৰিম। আজি আমি দেখিছো যে চৰকাৰী ভাৱে কৃষি মজদুৰ সিচৰীত হৈ দেশখনত পৰি আছে। যি সকলে ন্যায্য বিচাৰ পোৱা নাছিল সেই সকলৰ কাৰণে চৰকাৰে আইন কৰিছে আচনি কৰিছে আৰু নিম্নতম দিন মজুৰী পাচ ছয় টকা দিয়াৰ কাৰণে যি অাঁচনি দিয়া হৈছে এই আচনিত যদি সকলো সহাৰি জনোৱা হয় তেতিয়াহে কাৰ্য্যকৰী ব্যৱস্থাৰ সুফল লাভ কৰিব পৰা হব কিয়নো এই কৃষি বনুৱা আৰু কৃষি মজদুৰ সকলক পিচ পেলাই আমাৰ দেশখন কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। সেই কাৰণে মই বন্ধুসকলৰ প্ৰতি এই আহ্বান জনাইছো।

মাননীয় উপাধ্যক্ষ :— এড্ৰেচ টু দি চেয়াৰ।

শ্ৰীগোপাল চন্দ্ৰ বৰুৱাঃ —উপাধ্যক্ষ মহোদয়, মই সকলোকে অনুৰোধ জনাইছো যাতে এইখিনি কাম কৰিবলৈ যাওঁতে আমি কেনেও পিচহুকি নাযাওঁ।

যোৱা বছৰ প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰী

কৰণ কৰিছো। এই শিক্ষক সকলৰ অতীতত সচাকৈ বৰ শোক অৱস্থা আছিল। তেওঁলোকে ৬০ বছৰ বয়সত অৱসৰ লয় অথচ সুদা মুখে সুদা হাতে চিৰদিন কটাব লগা হৈছিল। শেষত তেওঁলোকে লৰা ছোৱালীৰ মুখলৈ চাব লগা অৱস্থা হয়। তেওঁলোকে ৬০ বছৰ বয়সৰ পৰা আৰু বহু বছৰ বয়সলৈ জীয়াই থাকে। এতিয়া চৰকাৰীকৰণ কৰাৰ পিচত তেওঁলোকৰ পেন্সন দিয়াৰ ব্যৱস্থা কৰা হৈছে। সচাকৈ তল খাপৰ কৰ্মচাৰী সকলৰ প্ৰতি সুবিধা কৰা হৈছে। সেই ধৰণে হাইস্কুল, কলেজ পৰ্য্যায়ৰ শিক্ষক সকলৰ পৰ্য্যায়ক্ৰমে সেই পৰ্য্যয়লৈ নিব পাৰো তেনেহলে সেই শিক্ষক সকলৰ প্ৰতি সুবিচাৰ কৰা হব। শিক্ষাৰ ক্ষেত্ৰত কিছুমান আসোৱাহ দেখিছো। শিক্ষা বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ক এই বিলাকলৈ লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, এই অসম খনৰ মাধ্যমিক স্কুলবোৰত অনেক অতিৰিক্ত শিক্ষক নিয়োগ হ'ল। তেওঁলোকে অতি কম টকাৰে জীৱন জাপন কৰিব লগা হৈছে। আজি ধাটি মঞ্জুৰী পোৱা একে পৰ্য্যয়ৰ শিক্ষক সকলে ২৫০ টকা দৰ্মহা পাই আছে। আনহাতে একে শিক্ষকেই নিম্নতম দৰ্মহা অৰ্থাত ৬০ টকাৰ পৰা ১২০ টকা পাই আছে। মই আশা ৰাখিছো যাতে মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়টোত মনোযোগ আকৰ্ষণ কৰে।

উপধ্যক্ষ মহোদয় ঘাটি মঞ্জুৰী পোৱা মধ্য ইংৰাজী স্কুলৰ চকীদাৰ সকল অন্যান্য চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল সকলৰ দৰে একে দৰ্মহা পাব লাগে। এই স্কুলবোৰত থকা চতুৰ্থ শ্ৰেণীৰ চকিদাৰ সকলে কোনোজনে ৬০ টকা কোনোজনে ৮০ টকা, এশ টকা আদি পাই জীৱন

যাপন কৰিব লগা হৈছে। এই সম্বন্ধে যাতে মুখ্যমন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা লয়। আমি কৃষি শ্ৰমিক কৰা সকলক ৫-৬ টকাৰ পৰ্য্যায়লৈ নিব পাৰিছো। সেই একে ধৰণত এই স্কুলত কাম কৰা চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল সকলৰ কথাটো বিবেচনা কৰা উচিত।

স্বাস্থ্য সম্বন্ধে দুষাৰ নকলে ভুল কৰা হব। স্বাস্থ্য বিভাগৰ শিথিল ভাব থকা বছৰ কেইটা পাৰ হৈ গল। আজি অলপ দিনৰ ভিতৰত স্বাস্থ্য বিভাগে এই বিষয়ত অলপ চকু দিয়া দেখা গৈছে। লোকেল বোৰ্ডৰ চিকিতসালয় বিলাকক ৰাজ্যিক চিকিতসালয় হিচাবে গ্ৰহণ কৰিছো। এই হাস্পাতাল বিলাকৰ শোক লগা অৱস্থা দেখিবলৈ পাইছো। সকলো খিনি নোৱাৰিলেও কিছু সংখ্যক চিকিতসালয় উন্নত কৰিবৰ কাৰণে চেষ্টা কৰিবলৈ মই অনুৰোধ কৰিলো। আমাৰ ভঙা চিঙা চিকিতসালয় বিলাকত ডাক্তৰ সকল নিয়োগ কৰা হয়। তেওঁ-লোকে থাকিবলৈ ঘৰ বিচাৰি নাপায়। এম, বি, বি, এচ ডাক্তৰ সকলে সেই কাৰণে থাকিব নোখেজে। বিভাগলৈ আহি বদলিৰ সুবিধা কৰি লয়। ফলত ডাক্তৰ থকা ঠাইত আকৌ ডাক্তৰ পৰে। আন-হাতে ডাক্তৰ নোহোৱা ঠাইলৈ ডাক্তৰ পথিয়াব পৰা নাই। আমাৰ দুখীয়া, গৰীব ৰাইজ সকল চিকিতসাৰ সুবিধাৰ পৰা বঞ্চিত হৈ থাকো। এই গৰীব শ্ৰেণীৰ লোক সকলৰ কাৰণে কুৰিদফীয়া আচনি ঘোষণা কৰা হৈছে এনে ক্ষেত্ৰত তেওঁলোকক যাতে সকলো সা সুবিধা দিব পাৰো তাৰ কাৰণে লক্ষ্য ৰখা উচিত।

ৰাজহ বিভাগৰ কথাটো উনুকিয়াই দুষাৰ কব খুজিছো। আজি চিলিংৰ জৰিয়তে বিশেষ উন্নয়ন একো কৰিব নোৱাৰিলেও বাগানৰ পৰা চিলিংত যি মাটি আহিছে সেই খিনিৰ ব্যৱস্থা কৰিছো।

তাৰ ফল নিশ্চয় পাইছো। অন্তত ইমান খিনি মানুহক মাটি পট্টন দিবলৈ, ভূমি স্বত্ব দিবলৈ সক্ষম হৈছো মাটি বিতৰণ কৰিবলৈ যাওতে আমি এটা কথা বায়ত সকলৰ পৰা শুনি সুখী হৈছো যে তেওঁলোকে কৈছে মাটি বিচাৰি কতই দৰ্খাস্ত কৰি, অফিচৰ পৰা অফিচ ঘুৰিলে বছৰ বছৰ পাৰ হৈ গল কিন্তু আমি মাটি নাপালো। কিন্তু চৰকাৰে যি আচনি লৈছে মাটিহীনক মাটি নি মাটি দিছে। মাটি বিতৰণ কৰিবৰ কাৰণে আমাৰ মন্ত্ৰী শ্ৰীদাস ডাঙৰীয়া গৈছিল। তাত মিটিঙত বাইজে কৈছিল বুঢ়া হলো, বাগানৰ পৰা ওলালো ভেটি নাপালো, চৰকাৰে যি এতিয়া সিদ্ধান্ত লৈছে আমি এতিয়া কলৈকো নোজোৰাকৈ ঘৰতে বহি আছো মাটি দিবৰ কাৰণে মাতি আনিছে। সচাকৈ বাইজৰ মাজত উৎসাহ দেখিবলৈ পাইছো। আমি সকলোকে দিব নোৱাৰিলেও যি সকলৰ মাটি ভেটি নাই সেই সকলক মাটি ভেটি দিব পাৰিম বুলি আশা ৰাখিছো।

আজি কৃষিৰ শিতানত জলসিঞ্চন বিভাগত কৈছে যে ১১ খন আচনি গ্ৰহন কৰিছো। ইয়াৰ ভিতৰত এখন বৃহত আচনি লৈছে। ঠিক সেই ধৰণৰ মজলিয়া আচনি লৈছো। উদাহৰণ স্বৰূপে কলিয়াবৰত ৩ কোটি ১১ লাখ টকাৰ জলসিঞ্চন আচনি লোৱা হৈছিল আৰু ই ১৯৭৭ চনত সম্পূৰ্ণ হব লাগিছিল। সেই আচনি খনত ১০২ কি মিঃ ড্ৰেইন কৰিব লাগে। এতিয়ালৈকে ৪২ কি মিঃ কৰিব পাৰিছে। জৰুৰী অবস্থা ঘোষনা কৰাৰ আগতে মাটি বিচাৰি, বিভিন্ন বিভাগৰ মাজত যোগাযোগ কৰোতে ৪ বছৰ পাৰ হৈ গল। কিন্তু জৰুৰী অবস্থা ঘোষনা কৰাৰ পিচত কাৰ্য্য ব্যবস্থা অবলম্বন কৰিছে। যদিও ১৯৭৭ চনত কাম সম্পূৰ্ণ নহয় বুলি ভবা হৈছে তথাপিতো এই গতিত কাম চলিলে ১৯৭৭ চনত কাম সম্পূৰ্ণ হব বুলি আশা কৰিব পাৰি।

উপাধ্যক্ষ মহোদয়, আমাৰ গ্ৰহন কৰা ১১ খন আচনিৰ ফল ভোগ কোনো খনৰ হয়তো তিনিবছৰত আৰু কোনো খনত পাচ বছৰত কৰিব পাৰিব। আমাৰ দেশত ৰবি শস্যৰ প্ৰতি আগ্ৰহ দেখুওৱা হৈছে। এই ৰবি শস্য কৰিবৰ কাৰণে কিছুমান সৰু সৰু আচনি জলসিঞ্চন বিভাগে আৰু কৃষি বিভাগে গ্ৰহন কৰিব লাগিব। কাৰণ মাঘ মাহৰ পৰা চত মাহৰ ভিতৰত আমাৰ পথাৰ বিলাক শুকান হৈ যায় এই সময় খিনিত খেতি কৰিবৰ কাৰণে লম বুলি ভাবিলে নহয় সৰু সৰু আচনি গ্ৰহন কৰিবই লাগিব। তেতিয়া হলে আমি কৃষিৰ ক্ষেত্ৰত বহুখিনি আগবাঢ়ি যাব পাৰিম।

অলপ আগতে আমাৰ দুজন বন্ধুৱে কৈ গৈছে যে বাৰিষা কালত খেতিৰ যি উত্পাদন সেইটো জলসিঞ্চন বিভাগৰ ব্যৱস্থাৰ কাৰণে পোৱা নাই বাৰিষাৰ কাৰণে জলসিঞ্চন দৰ্কাৰ নাই। বাৰিষাৰ খেতি পৰাবৰ কাৰণে আমি ৰবি শস্যত জোৰ দিব লাগিব কিন্তু সেইটো কৰা নাই। আমাৰ কৃষি মন্ত্ৰীয়ে অসমত মুগ দাইল, মাহৰ দাইল ঘেহু আদি খেতিৰ কাৰণে স্বাবলম্বী আচনি লওক কাৰণ ৰবি শষ্যৰ উত্পাদন বাঢ়িলেহে আমাৰ দেশৰ চাহিদা পুৰন হব আৰু তাৰ কাৰণে যদি কৃষি মন্ত্ৰীয়ে জলসিঞ্চনৰ ব্যৱস্থা কৰে তেনেহলে তেখেতে আমাৰ ধন্যবাদৰ পাত্ৰ হব। উপাধ্যক্ষ মহোদয়, কৃষিৰ বিষয়ে বহুত আলোচনাই হৈ গৈছে কিন্তু আমি কোনো ধৰনৰ লাভবান আৰু প্ৰকৃত পক্ষে কাৰ্য্য-আচনি লব পৰা নাই। আমাৰ কৃষি মন্ত্ৰীয়ে নিজেই কয় যে তেখেতৰ অভিজ্ঞতা আছে আমি তাৰ কাৰনে সুখো পাওঁ গতিকে তেখেতে তেখেতৰ অভিজ্ঞতাৰ পৰা জনসাধাৰণৰ মঙ্গলকামী আচনি লব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্রী মহোদয় ১৯৭৬-৭৭ চনৰ বাবে যিখন বাজেট দাঙি ধৰিছে ৪ শ ১৯ কোটি ২৬ লাখ টকা ব্যয়ৰ শিতানত দেখুওৱা হৈছে আৰু তাৰ পৰা ১৯ লাখ ৭০ হাজাৰ টকা বাহি বুলি দেখুৱা হৈছে। এই বাজেটৰ জৰিয়তে অৰ্থ মন্ত্ৰী মহোদয়ে খোলাখুলি ভাৱে প্ৰতিফলন কৰা বাবে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু আমাৰ দেশৰ বৰ্তমান ধাৰ ৫ শ ২৮ কোটি টকা হৈছে যিটো পাৰ পঞ্চম পৰিকপনাৰ সমুদায় টকাতকৈ বেছি। আমাৰ পঞ্চম পৰিকল্পনাৰ প্ৰথম বছৰত ৫৮ কোটি ২৬ লাখ টকা দ্বিতীয় বছৰত ৭২ কোটি যোজনাত ধৰা হৈছে কিন্তু পুৰনা ধন আৰু মূলধনৰ সুদ বাবদ ৪৫ কোটি টকা দিবলগীয়া হৈছে। গতিকে দ্বিতীয় বছৰৰ যোজনাৰ ৭২ কোটি টকাৰ এই ৪৫ কোটি মূলধনৰ সুদ আগৰ ধাৰ মাৰিবলৈ যাওঁতে ১৭ কোটি টকা থাকে। অসমৰ জনসংখ্যা দেৰকোটি ভিতৰত বাৰ্ষিক যোজনাৰ হিচাব উলিয়াই প্ৰতিজনৰ ওপৰত এই বছৰ ১৮ টকা খৰচ কৰা হব। কৃষি প্ৰধান অঞ্চল ৰাজ্য হিচাবে এই বছৰ যোজনাৰ খৰচ কম। কাৰণ ৫১৮ কোটি ধাৰৰ বোজা হিচাবে প্ৰতিজনৰ ওপৰত ৩৫১ টকা পৰিছে। সেই হিচাপে ৭২ কোটি যোজনাৰ ৪৫ কোটি ধাৰ গতিকে জনমুৰী ১৮ টকাকৈ পৰিব। এই টকা সচাকৈ কম হৈছে। উপাধ্যক্ষ মহোদয় আপুনি জানে যি সময়ত ৰাজ্যখনত ৫৮১৮ কোটি টকা ধাৰ হৈছে সেই সময়ত যিখন ৪ শ ১৯ কোটিৰ বাজেট তাৰ পৰা এইটো প্ৰমানিত হয় যে আমি এতিয়াও ধাৰৰ অৱস্থাতে আছো। ধৰকৰা ৰাজ্যৰ অৱস্থা টনকিয়াল কৰিবলৈ হলে বাৰ্ষিক যোজনাৰ যিখিনি টকা ধাৰ হৈছে সেইখিনি যদি সচাকৈ উৎপাদন মুখী কামত ব্যৱহাৰ কৰিব নোৱাৰে তেনেহলে ধাৰৰ বোজা বাঢ়ি গৈ থাকিব। পঞ্চম পৰিকল্পনাৰ শেষত ধাৰৰ

সংখ্যা ১৯ কোটি টকা আছিল সেইটো বিত্তমন্ত্ৰী মহোদয়ে নিজে স্বীকাৰ কৰি গৈছে দ্বিতীয় পৰীকল্পনাত ধাৰৰ সংখ্যা হ'ল ৫২ কোটি আৰু তৃতীয় পৰিকল্পনাৰ কালত ৯২ কোটি হ'ল আৰু চতুৰ্থ পৰিকল্পনাৰ কালত এই ধাৰ হ'লগৈ ৪০০ কোটি আৰু পঞ্চম পৰিকল্পনাৰ দ্বিতীয় বছৰত ৫২৮ কোটি হ'ল। ইয়াৰ এইটো বুজা যায় যে যিমানে পৰিকল্পনা বাঢ়ি গৈছে সিমানে ধাৰৰ বোজা বাঢ়ি গৈ আছে। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে ৪খন বাজেট ৪ বছৰত দাঙি ধৰিলে অথচ এতিয়াও আমাৰ ধাৰৰ বোজা বাঢ়ি গৈ আছে। গতিকে ইয়াৰ এটা সমীক্ষা কৰি চোৱা হলে দেখিবলৈ পাম এই ধাৰৰ পইচাবে সচাকৈ আমাৰ দুখীয়া ৰাইজৰ কামত আহিছে নে নাই। অথনি প্ৰশ্নোত্তৰ কালত আমাৰ সকলোৰে সন্মানিত পুৰনা মন্ত্ৰী শ্ৰীটেৰণ ডাওৰীয়াই উদ্যোগ বিলাকৰ ক্ষেত্ৰত ধাৰৰ অংশ কেনেকৈ খৰছ কৰা হৈছে আৰু কেনেকৈ ইমানদিনে অনাদায় হৈ আছে আৰু শিল্পপতি সকলে প্ৰভুত্ব বিস্তাৰ কৰি আছে তাৰ নমুনা দি গৈছে। আজি বিত্তমন্ত্ৰী মহোদয়ে গৌৰৱ কৰিছে আমিও গৌৰৱ কৰিছো কাৰণ সাধাৰণ ৰাইজৰ ৰাজহৰ টকা পইচা আদায় হৈছে। ৰেভিনিউ ৰিচিত বাজেটত ধৰা মতে থিভাইচ এষ্টিমেট বাঢ়িছে। তাৰ কাৰণে ধন্যবাদ জনাইছো। গাৱলীয়া দুখীয়া ৰাইজৰ আদায় হৈছে হয় কিন্তু কেপিটেল ৰেভেনিউ যদি চাও তেন্তে দেখিম জেনেৰেল ৰেভিনিউৰ তুলনাত তেনেকৈ উঠা নাই। জৰুৰীকালীন অৱস্থাৰ পৰিপ্ৰেক্ষিতত দুখীয়া শ্ৰেণীৰ ৰাইজে যি ধৰণে সহযোগ আগবঢ়াছে ধনীশ্ৰেণীৰ লোক সকলে সহযোগ কৰিছে যদিও চৰকাৰে কঠোৰ দৃষ্টিভঙ্গিৰে চোৱা প্ৰয়োজন হৈ পৰিছে।

এই ক্ষেত্ৰত চৰকাৰৰ কঠোৰ দষ্টিভংগীৰ প্ৰয়োজন। যি উদ্দেশ্যত সমাজ ব্যৱস্থা উন্নত কৰি তাৰ লক্ষ্যত উপনিত হবলৈ হলে যি বিলাক

ধনী মানুহ, যি বিলাক উদ্যোগ পতি ষিবিলাক শিল্পিপতি তেওঁলোকৰ কাৰণে কৰি অহা ধাৰৰ বোজা সৰ্বসাধাৰণ ৰাইজৰ ওপৰত পৰিছে। এইটো চিন্তা কৰি উলিয়াবলৈ ব্যৱস্থা কৰিব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ খাটণ্ড :—মই এটা কথা কব বিচাৰিছো যে আমাৰ এগৰাকী মাননীয় সদস্যই বাজেটৰ ওপৰত কৈ আছে কিন্তু মন্ত্ৰী সকলৰ কোনেও কানসাৰ কৰা নাই। তেখেত সকলে সদনৰ মাজতে এখন মিনি সদন পাতিছে নেকি ?

শ্ৰী প্ৰেমধৰ বৰা :—উপাধ্যক্ষ মহোদয়, যদিও বাজেটত ১৯ কোটি ৭০ লাখ টকাৰ ঘাটি দেখুৱা হৈছে প্ৰকৃত পক্ষে চাবলৈ গলে ৰাজহুৱা সিতানত ২ কোটি ১ লাখ টকা ঘাটি হৈছে আৰু ৰাজহুৰ বাহিৰত ১ কোটি ৭৪ লাখ টকা ঘাটি হৈছে। দুয়োটা মিলাইচালে দেখা যায় যে মুঠ ৩ কোটি ৭৫ লাখ টকা ঘাটি হৈছে। যোৱা বছৰৰ আৰম্ভনিতে ৪ কোটি ৬ লাখ টকা বাহিকে ধৰি ১৯ কোটি ৭০ লাখ টকা ঘাহি দেখুৱাইছে। উপাধ্যক্ষ মহোদয়, এতিয়া আমি চাব লাগিব ধৰুৱা ৰাজ্য এখনৰ যি খন ৰাজ্যৰ ধাৰৰ বোজা সৰ্ব্বসাধাৰণ ৰাইজে বহন কৰিছে আৰু মুষ্টিমেয় কেইজন মান ধনী মানুহে ইয়াত ফল ভোগ কৰিছে। এই ধাৰৰ বোজা পৰিকল্পনাৰ মূৰে মূৰে বাঢ়ি গৈছে। এই ক্ষেত্ৰত নতুন যি বিলাক আচনি লৈছে এই আচনি বিলাকৰ দ্বাৰা কেনেকৈ সৰ্বসাধাৰণ ৰাইজৰ উপকাৰত আহে কেনেকৈ গ্ৰাম্য অৰ্থনীতি বিকাশ হয় তাৰ কাৰণে মনোনিবেশ কৰিব লাগিব। এই বিলাক পৰ্য্যালোচনা কৰি চাও তেন্তে বিত্তমন্ত্ৰী যিমান খিনি ধন্যবাদ দিব লাগিব সিমানখিনি দিব নোৱাৰিম। কাৰণ যিটো বাৰ্যিক পৰিকল্পনা কৃষিৰ কাৰণে, জলসিঞ্চনৰ কাৰণে যি ধৰণৰ আচনি লব লাগিছিল সেই ধৰণেৰে

লোৱা নাই। ৭২ কোটি টকা আচনিৰ ভিতৰত ২১ কোটি টকা পাৱাৰৰ কাৰণে ধৰিছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে ইলেক্ট্ৰিচিটি বৰ্ড অসম চৰকাৰৰ বগা হাতী। ৭২ কোটি টকাৰ ভিতৰত যদিও ২১ কোটি টকা পাৱাৰৰ কাৰণে ধৰিছে আচলতে এই পাৱাৰৰ দ্বাৰা সৰ্ব-সাধাৰণ ৰাইজৰ কি কামত আহিব। পাৱাৰ জলসিঞ্চনৰ কাৰণে খুটৱা হৈছেনে? নে আগতে ধাৰ কৰিবলগীয়া হোৱাৰ কাৰণে দেখুৱা হৈছে? গতিকে দেখা গৈছে বাৰ্ষিক পৰিকল্পনাত যেনে ধৰণেৰে অৰ্থ-নৈতিক বিকাশৰ কাৰণে আচনি লব লাগিছিল সেই ধৰণেৰে লোৱা নাই।

কৃষিৰ শিতানত মাত্ৰ ৪ কোটি টকা ধৰা হৈছে। জলসিঞ্চনৰ কাৰণে ৫ কোটি দিয়া হৈছে। পঞ্চায়তৰ কাৰণে টকা নায়েই মাত্ৰ কেইলাখ মান টকাহে দিয়া হৈছে। অন্যান্য যিবিলাক সমবায় বা গাৱলীয়া অঞ্চলৰ উন্নয়নৰ কাৰণে কল্যান মূলক আচনিত টকা পইচা কম ধৰা হৈছে। সেই কাৰণেই আমি ভাবিছো পৰিকল্পনাৰ জৰিয়তে আমি যি ধৰণেৰে গাওঁলীয়া অৰ্থনীতিৰ উন্নয়নৰ কাৰণে চেষ্টা কৰিব লাগিছিল সেইটো কৰিব পৰা নাই। সেই কাৰণে এই ক্ষেত্ৰত চৰকাৰে কেনেকুৱা দৃষ্টিভংগী লব লাগিব তাৰ কেইটামান পৰামৰ্শ দাঙি ধৰিছো।

প্ৰথমতে, আমাৰ ৰাজ্যখনৰ পৰা কেন্দ্ৰীয় চৰকাৰে আঢ়ৈ কুৰি কোটি টকা লৈ যায়। তাৰ অংশ আধা চৰকাৰে যি ধৰণেৰে পাব লাগে সেই ধৰণেৰে পোৱা নাই। আমাৰ ৰাজ্যৰ অৰ্থ নৈতিক দুৰৱস্থা টনকীয়াল কৰিবলৈ হলে কেন্দ্ৰীয় চৰকাৰে সাহাৰ্য্যৰ পৰিমান বঢ়াই দিব লাগিব। দ্বিতীয়তে পৰামৰ্শ হৈছে কেন্দ্ৰীয় চৰকাৰৰ আচনি বিলাকত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক অধিকতৰ সাহাৰ্য্য দিব লাগে। এই সম্পৰ্কত মই কব খুজিছো যে মঙ্গলদৈৰ যিটো জুট মিল

তাৰ আধাৰ শিলা আজি ৩ বছৰৰ আগতেই স্থাপন কৰা হল কিন্তু তাৰ কাম আজিলৈকে একো হোৱা নাই। বহুত বিলাক শিল্প উদ্যোগ কেন্দ্ৰীয় সাহাৰ্য্যত গঢ়ি উঠিব লাগে কেন্দ্ৰীয় সাহাৰ্য্যৰ অভাৱত সেই বিলাক গঢ়ি উঠা নাই। ইয়াৰ বাহিৰেও ধাৰৰ বোজাৰ সংখ্যা পুনৰ বনটন কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে যিটো চিহ্নুল আছে সেইটো বি চিহ্নুল কৰিব লাগিব। যিহেতু আমাৰ ৰাজ্যত ৰেভিনিউ টেক্স কম সেই কাৰণে আমাৰ চিহ্নুল বিলাক বি চিহ্নুল কৰি লব লাগিব। ইয়াৰ বাহিৰেও ৰাজ্যিক ক্ষেত্ৰত মূলধন খটুৱা নহয় ৰাজ্যিক পৰিকল্পনা বিলাকত থকা ভুল পথ বিলাক বিবেচনা কৰি চোৱাৰ সময় আহিছে। এতিয়ালৈকে যিমান বিলাক পৰিকল্পনা কৰিছে সেই আটাই বিলাকেই ধাৰ লগোৱা পৰিকল্পনা। এতিয়া আমি পৰিকল্পনা কৰিব লাগিব ধাৰ মৰাৰ পৰিকল্পনা। যি পৰিকল্পনাৰ জৰিয়তে গাৱলীয়া ৰাইজৰ অৰ্থ নৈতিক বিকাশ হয় জলসিঞ্চনৰ ব্যৱস্থা হয় যি পৰিকল্পনাৰ জৰিয়তে কৃষিৰ উৎপাদন বাঢ়ে, সুলভ মূল্যত বস্তু পায়, লৰা ছোৱালী নিয়োগৰ ব্যৱস্থা হয় তেনেকুৱা পৰিকল্পনা আমি কৰিব লাগিব। আমাৰ পৰিকল্পনা মুখেৰে ললে নহব। আজিলৈকে যি বিলাক পৰিকল্পনা লোৱা হৈছে সেই বিলাক দিল্লীত লোৱা হৈছে। এতিয়া এই পৰিকল্পনা বিলাক তলৰ ফালৰ পৰা অৰ্থাত গাৱৰ ফালৰ পৰা লব লাগিব দুখৰ বিষয় পঞ্চায়ত ভিত্তিত পৰিকল্পনা লোৱা নাই। পঞ্চায়তলৈ ক্ষমতা বিকেন্দ্ৰীকৰণৰ যি আশ্বাস দিয়া হৈছিল সেইটো হোৱা নাই। এই আচনি বিলাক যি ফালৰ পৰা লব লাগে সেই ফালৰ পৰা লোৱা হোৱা নাই। কাৰণ তাৰ কাৰণে জলসিঞ্চন বা গাৱৰ উন্নয়নৰ কাৰণে টকা ধৰা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও আমাৰ যিটো বিত্তয় অনু-

শাসন সেইটো কটকটীয়া কৰিব লাগিব। আমি দেখিছো বহুত বিলাক বিভাগ আছে যিবিলাকে অবাধে টকা পইচা খৰছ কৰে। এটা সুখৰ বিষয় আৰু আনহাতে দুখৰ বিষয় যে ব্ৰহ্মপুত্ৰ কমিচনৰ কাম ভাৰত চৰকাৰে স্থগিত ৰাখিছে। কথাটো ভালেই হৈছে। যিহেতুকে এই সম্পৰ্কীয় পৰিকল্পনা আমাৰ চৰকাৰে লোৱা নাই। অপব্যৱহাৰ হোৱাতকৈ টকা মঞ্জুৰ নোহোৱাই ভাল। কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি দিয়াৰ পিচত আমাৰ ৰাজ্য চৰকাৰে বাৰে বাৰে আশ্বাস দিয়াৰ পিচত আৰু এই বিধান সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাব লোৱাৰ পিচত কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ কমিচনৰ কাম লোৱাৰ পিচত এতিয়া স্থগিত ৰাখিছে। গতিকে আমাৰ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰ ওপৰত হেঁচা দিব লাগে যাতে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰন কাম নিজৰ হাতলৈ আনি বৃহৎ দেশখনৰ লগতে আমাকো আগুৱাই যাবলৈ সুবিধা দিয়ে।

গতিকে আমাৰ ৰাজ্যিক চৰকাৰে ব্ৰহ্মপুত্ৰ আয়োগ কেন্দ্ৰীয় চৰকাৰে তত্তাল্লিকে লোৱাৰ কাৰণে হেচাঁ দি ধৰিব লাগে যাতে তাৰ দ্বাৰা ভাৰতবৰ্ষৰ অন্যান্য উন্নত ৰাজ্যবিলাকৰ সমানে খোজ মিলাই আমাৰ ৰাজ্যখনো আগবাঢ়ি যাব পাৰে।

উপাধ্যক্ষ মহোদয়, বিভিন্ন বিভাগৰ টকা বণ্টনৰ ক্ষেত্ৰত যিটো 'পেৰিটি' থাকিব লাগিছিল সেইটো হোৱা নাই। ফলত কিছুমান বিভাগে বেছি টকা খৰছ কৰাৰ সুবিধা পাইছে আৰু কিছুমান বিভাগ সেইটো পোৱা নাই। এইটো যাতে হব নোৱাৰে আৰু গুৰুত্ব অনুযায়ী প্ৰত্যেক বিভাগেই যাতে টকা খৰছ কৰাৰ সুবিধা পাব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব বুলি আশা কৰিছোঁ।

সমবায়ৰ ক্ষেত্ৰত গোটেই অসমতে গুদাম ঘৰ সাজিবৰ কাৰণে

৪৮ খন সমবায়ৰ কাৰণে যি ৪৮ লাখ টকা ধৰিছে সেইটো একেবাৰেই কম টকা ধৰিছে। অকল গুদাম ঘৰ সাজিবৰ কাৰণেই একোখন সমবায়ত টকা দিলে নহয় আনুসঙ্গিত আৰু বহুতো কথাৰ কাৰণে টকা মঞ্জুৰ কৰিব লাগিব। সমবায়ৰ ক্ষেত্ৰত যি পৰিমাণৰ টকা দিয়াটো প্ৰয়োজন আছিল সেই পৰিমাণৰ টকা দিয়া হোৱা নাই। কোনো খনে হয়তো কাপোৰৰ টকা পাইছে কিন্তু চেনিৰ কাৰণে পোৱা নাই। চেনিৰ কাৰণে দিয়া টকা আকৌ কাপোৰৰ কাৰণে খৰচ কৰিবলৈ নিদিয়ে। এই বিলাক যদি হয় তেনেহলে, কো-অপাৰেটিভ হয় কেনেকৈ ? সমবায়ৰ গোটেই ভেটিটো কেছা হৈয়েই আছে। এইটোপকা কৰিব লাগিব। পাছ-ছয় হেজাৰ টকাৰ কাপোৰ কিনা বেচাকৰোতে যদি মাত্ৰ ৫০।৬০ টকা লাভ হয় বা সেইদৰে অন্যান্য বিলাক বস্তুৰ ক্ষেত্ৰটো যদি ৫০।৬০ হেজাৰ লাভ হোৱাৰ পিচতো ৫০।৬০ টকাহে লাভ হয় তেতিয়াহলে, কৰ্মচাৰী সকলৰ দৰ্মহা পাতি দিয়া, বা অন্যান্য বেকাৰিং খৰছ পাতি বোৰাতেই এবছৰৰ ভিতৰতেই 'চেয়াৰ মানিকে' আদি কৰি সকলো শেষ হৈ যাব। ৪০।৫০ হেজাৰ জনসংখ্যাৰ জনসাধাৰণৰ মাজত থকা একোখন সমবায়ে যাতে সেই মানুহখিনি নিজৰ ব্যৱহাৰ্য্য সকলো বিলাক জিনিচ পত্ৰকেই সমবায়ৰ তাৰ কাৰণে ব্যৱস্থা কৰিব পৰাকৈ আৰ্থিক অনুদান এইবিলাক সমবায়ত দিয়াৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিচত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আচনিৰ ক্ষেত্ৰত মই কব খোজো যে, আঞ্চলিক বৈষম্যতা দুৰীকৰণৰ কাৰণেও অতিকৈ পিছপৰা জিলা বা মহকুমা বিলাকত এই আচনি বিলাক বিভিন্ন বিভাগৰ জৰিয়তে লব লাগিছিল যদিও কাৰ্য্যক্ষেত্ৰত সেইটো হোৱা নাই উদাহৰণ স্বৰূপে কওঁ যে ৭ লাখ ১১ হাজাৰ মানুহে বসবাস কৰা পিচপৰা লক্ষীমপুৰ জিলা খন কৃষি প্ৰধান ঠাই, তাত কৃষি আচনি

এখনো লোৱা নহল ।

মাননীয় উপাধ্যক্ষ :—২২ মিনিট গল আপোনাৰ ।

শ্ৰীপ্ৰেমধৰ বৰা :—গতিকে এই সকলো বিলাক আচনি ৰিকাষ্ট কৰিব কাৰণে মই আমাৰ বিদপুৰত থকা মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো এইখিনিতে কৈ মই এনেকুৱা এটা বিত্তীয় পৰিস্থিতিত এনেকুৱা এখন বাজেট দাঙি ধৰাৰ কাৰণে মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীৰ শলাগ লৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলোঁ ।

* শ্ৰীঅযোধ্যা ৰাম দাস —মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ বিত্তমন্ত্ৰীৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে ১৯৭৬-৭৭ চনৰ বছৰটোৰ যি হিচাব নিকাচ ইয়াত দাঙি ধৰিছে আৰু তাৰ লগত যি বক্তৃতা তেখেতে এই সদনত দিছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাই কেইটামান পৰাৰ্শ দিব খুজিছোঁ ।

দাঙিধৰা বাজেট খনত ৰাজ্যখনৰ আৰ্থিক অৱস্থা স্পষ্ট প্ৰতিবিম্ব প্ৰতিফলিত হৈছে । ৫২৮·৪৪ কোটি ধাৰৰ বোজাৰে কেনেকৈ এই চৰকাৰে পুনৰ ৰাইজক ধাৰৰ বোজা নিদি ইয়াত থকা যিখিনি আয়ৰ পথ আছে তাৰ উৎকৰ্ষ সাধণ কৰি উৎপাদন বৃদ্ধি কৰি জনসাধাৰণৰ উন্নতি সাধন কৰিব পাৰি তাৰ যি ইঙ্গিত এই বাজেট বক্তৃতাৰ জৰিয়তে আমাৰ ওচৰত দাঙি ধৰিছে তাৰ কাৰণে তেখেতৰ শলাগ লৈছোঁ । তাৰ লগে লগে এই বাজেটত যি কেইটা প্ৰগতিমূলক আচনিৰ কথা উল্লেখ কৰিছে সেই কেইটা দ্ৰুত গতিত কাৰ্য্যকৰী কৰাৰ

* Sopeech not corrected.

কাৰণে দৃষ্টি আকৰ্ষণ কৰিছোঁ। আৰু লগতে কেইটামান পৰামৰ্শ দাঙি ধৰিছোঁ।

বাজেট বক্তৃতাত প্ৰধান মন্ত্ৰীৰ ২০ দফীয়া আচনিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি এই আচনি ঘোষণা কৰাৰ পিচত আমাৰ ৰাজ্যিক চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে এই সম্পৰ্কত কওঁতে মূলতঃ ভূমি বিতৰণৰ ওপৰত গুৰুত্ব দিছে। আমি সচাকৈয়ে সুখী হৈছো যে, ভূমি বিতৰণৰ ক্ষেত্ৰত অসম চৰকাৰে ইমান কম দিনৰ ভিতৰতে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰিছে আৰু ইতিমধ্যে প্ৰায় ৪৫,১৭৯ জন মানুহক চিলিং আইনৰ উদ্বৃত্ত মাটি দিব পাৰিছে আৰু সেইদৰে ঘৰ সাজিবৰ কাৰণে ৭,২৯১ পৰিয়ালক ঘৰৰ ভেটি দিব পাৰিছে। ভূমিৰ নিচিনা ইমান এটা জটিল সমস্যাৰ ক্ষেত্ৰত ইমান কম দিনৰ ভিতৰত চৰকাৰে এইখিনি কাম কৰিব পৰাৰ কাৰণে সচাকৈয়ে সুখৰ কথা হৈছে। কিন্তু ইয়াৰ লগতে আনুসংগিক কিছুমান অসুবিধাৰ কথা মই উত্থাপন কৰিব খুজিছোঁ। কাগজেপত্ৰে মাটিৰ কথাটো থিকেই আছে। স্বৰাজমিনত যি সকলক মাটি দিয়া হৈছে তেখেত সকলে প্ৰকৃতপক্ষে পাইছেনে নাই সেইটোও চাবলগীয়া হৈছে। তজবীজ কৰিলে এইটো ভাল হব। লগতে এনে ভূমিহীন আন আনলোক সকলকো মাটি দিয়াৰ কাৰণে চেষ্টা আৰু যত্নসহকাৰে আমাৰ চৰকাৰে কাম কৰিব বুলি মই আশা কৰিছোঁ।

ইয়াৰ লগতে ১৯৭৫ চনত যিখন 'গ্ৰাম্যঋণ গ্ৰস্তজাত আইন' কৰিছে। আৰু তাৰ পৰিণতি হিচাপে গৰীব জনসাধাৰণে গাওঁৰ ধনী মহাজন সকলৰ পৰা ঋণ পোৱাত ব্যৰ্থ হৈছে। আৰু এই মহাজন সকলে ঋণ বন্ধ কৰাৰ ফলত গ্ৰাম্য সমাজত এটা প্ৰতিক্ৰিয়াৰ সৃষ্টি

হৈছে। গতিকে এই গাওঁৰ গৰীব জনসাধাৰণক তেওঁলোকৰ ব্যৱহাৰিক জীৱনত কি ৰকমে সহায় কৰিব পৰা যায় তাৰ কাৰণে আমাৰ চৰকাৰে সোনকালে বিহিত ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান গৰীব খেতিয়কে ধনীৰ পৰা ঋণ পোৱাৰ কোনো আশাই কৰিব নোৱাৰি। এই আইন ৰচনা কৰি সেই মানুহ বিলাকক কেনেকৈ দুৰ্দশাৰ পৰা মুক্ত কৰিব পাৰি সেই বিষয়ে আমাৰ চৰকাৰে অৱশ্যে ব্যৱস্থা হাতত লৈছে। সোনকালে যাতে তেওঁলোকে এই কষ্টৰ পৰা উপশম পাব পাৰে সেই অৰ্থে আমাৰ চৰকাৰে আমাৰ গাওঁৰ ঋণগ্ৰস্ত লোকসকলক উদ্ধাৰ কৰাৰ ব্যৱস্থা সুচিন্তিত ভাবে হাতত লব লাগে। কুবিদফীয়া আচনিৰ অন্তৰালত তলত দিয়া লোকসকলক কি ভাৱে অৰ্থনৈতিক ক্ষেত্ৰত উপকৃত কৰিব পৰা হয় তাৰ কাৰণে এটা আইন বান্ধি দি তেওঁলোকক সংস্থাপন কৰাই এই আচনিৰ মূল মন্ত্ৰ। সেই কাৰণে আমাৰ এই বিষয়টোত গুৰুত্ব আৰোপ কৰিছে এই ক্ষেত্ৰত আমাৰ অসমত যি সকল কৃষিবনুৱা আছে তেওঁলোকৰ প্ৰাপ্তিৰ এটা নিৰিখ বান্ধি দিয়া হৈছে। তেওঁলোকে দৈনিক ৫ টকা বা ৬ টকাকৈ পাব লাগে। আৰু এই মৰ্মে এই শ্ৰমিক সম্প্ৰদায়ৰ মাজত একোটা গোট কৰি দিয়া হৈছে। আৰু এই গোট বিলাকে গাৰে-ভুৰে গৈ তেনে এটা ব্যৱস্থা বলবৎ কৰাৰ চেষ্টা কৰিলে তাৰ ফল পোৱা যাব। আৰু এই ব্যৱস্থাটো সোনকালে নকৰাৰ কাৰণে এতিয়াও গাওঁৰ বনুৱা সকলে পুঁজিবাদী সকলৰ পৰা পাবলগা নিৰ্য্যাতন পাই আছে। গাওঁ অঞ্চলত শ্ৰমিক সকলে ধনী সকলৰ পৰা পাবলগীয়া প্ৰাপ্যৰ পৰা যাতে বঞ্চিত নহয় এই সকলোবিলাক এই গোট বিলাকে ভালকৈ চোৱাটো অতি আৱশ্যকীয় বুলি মই বিবেচনা কৰো। এই প্ৰথাটো এখন সমাজবাদী ৰাষ্ট্ৰৰ কাৰণে অতীব প্ৰয়োজনীয়। কিন্তু এটা দুৰ্ভাগ্যৰ বিষয় এইটোৱে

যে এই নীল আকাশৰ তলত আজি বহুতো সমবায় সমিতি গঠন হৈছে। অথচ যিবিলাক দুৰ্বলিৰ সমবায় সমিতি আছে যেনে মাছ মৰীয়া সকলৰ সমবায় সমিতি। এই সমিতি বিলাকে কাৰোবাৰ পৰা ঋণ পাইছেনে নাই, কোনোবাই তেওঁলোকক ঋণ দিছে নে নাই, কোনোবাই যদি দিছে সেই কি উদ্দেশ্যত দিছে, তেতিয়াহলে ইয়াৰ উত্তৰ হব নিস। এই সমবায় সমিতি সমূহত জৰিত থকা লোকসকলৰ আজিলৈকে দৰিদ্ৰৰ সীমা ৰেখাৰ তলত। যদি সেয়ে হয় তেন্তে এই লোকসকলৰ যদি আমি দুৰ্গতি গুচাব খোজো তেতিতাহলে তেওঁলোকৰ সমবায় সমিতি বিলাকক অতি সোনকালে সংস্কাৰ কৰি তেওঁলোকৰ অৰ্থ নৈতিক সমস্যাখিনি সমাধান কৰিবলৈ যাতে সমৰ্থ হওতাৰ যত্ন কৰিব লাগে। মই সুখী হৈছো যে অতি সোনকালে আমাৰ এই চৰকাৰে তেওঁলোকৰ বিষয়ে গভীৰ ভাৱে চিন্তা কৰিছে। আৰু অসমত থকা গ্ৰামীন সমবায় সমিতি বিলাক পুনৰ গঠন কৰাৰ কাৰণে চৰকাৰে জল্পনা-কল্পনা কৰিছে। এইটো কথা সোন কালে কৰিবলৈ লোৱাত মই চৰকাৰক অভিনন্দন জনাইছো। ১৯৭২ চনৰ পৰা এই বিষয়টোৰ কাৰণে যুদ্ধ কৰি থকাৰ পিচত এই কথাটো চুড়ান্ত সিদ্ধান্ত হোৱাত অকল মইয়ে চৰকাৰক ধন্যবাদ দিয়া নহয় সেই সকলো লোকৰ পৰা চৰকাৰক ধন্যবাদ পাত্ৰ বুলি মই ভাবো। সমবায় সম্পৰ্কে বা ডঙৰীয়াই এটা কথা কৈছে, তেখেতে কৈছে যে যিবিলাক বহুমুখী সমবায় সমিতি আছে তেওঁলোকৰ বেচি ভাগকে এটা নিৰ্দ্দিষ্ট বা সময় কৰাৰ কামত খটোৱা হৈছে বেচিভাগ সমিতিকেই যি পুজি দিয়া হৈছে তাৰ দ্বাৰা মাত্ৰ চেনী, অনা আৰু বিতৰণ কৰা কাৰণেই পুজি দিয়া হৈছে অন্যান্য খাদ্য দ্ৰব্য সংগ্ৰহ আৰু বিতৰণৰ দায়িত্ব দিয়া হোৱা নাই। যিহওক এই কাৰণে সেই বিষয়ে

অনুসন্ধান চলাই বিশেষকৈ আমাৰ দুখীয়া পিচপৰা অঞ্চল বিলাকত আমাৰ গ্ৰাম্য ৰাইজৰ স্বাৰ্থৰ কাৰণে যাতে অন্যান্য ব্যৱসায় হাতত লব পাৰে তাৰ কাৰণে যথোপযুক্ত পুঁজিৰ ব্যৱস্থা কৰিব লাগে আৰু সেই মৰ্মে বিশেষ অনুমতি লাগিলেও দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেই সমবায় সমিতি বিলাকৰ পুঁজি যাতে টনকিয়াল কৰিব পৰা যায় তাৰ ব্যৱস্থাও চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰাত মই সুখী হৈছে। এই চনৰ বাজেটত পুণৰ ৫০ হাজাৰ টকাৰ এই শিতানত ধৰাৰ ব্যৱস্থা হৈছে বুলি বিত্ত মন্ত্ৰীয়ে বাজেটত উল্লেখ কৰিছে। এইটো সচাকৈ সুখৰ কথা। এনে বাতাবৰণৰ দ্বাৰা সমাজবাদী ৰাষ্ট্ৰ হিচাবে সমাজ প্ৰতিষ্ঠা কৰাৰ একমাত্ৰ উপায় হৈছে সমবায়। বহুতে ভাবিব পাৰে যে সমবায় সমিতিৰ গঠন কৰি সমাজবাদ আনিব নোৱাৰে। কিন্তু মই কওঁ যে এই ৬৬৩ খন সমবায় সমিতি গঠন কৰাৰ পিচত এই সমিতিয়ে যাতে অন্যান্য কাম হাতত লব পাৰে তাৰ কাৰণে যথোপযুক্ত পুঁজিৰ ব্যৱস্থা যদি সোনকালে কৰি দিব পৰা হয় তেন্তে সেইটোৱে আমাৰ সমাজবাদী সমাজৰ মূল ভেটি হব। আৰু তাৰ কাৰণে আমাৰ চৰকাৰে যৎপৰোনাস্তি চেষ্টা কৰিব বুলি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীপ্ৰেমধৰ বৰা —মহোদয়, মোৰ কথাটো অলপ বিকৃতাকাৰে লোৱা হৈছে। মই কৈছিলো যে আমাৰ সমবায় সমিতি বিলাকক আৰু অলপ টনকিয়াল কৰিব লাগিব।

শ্ৰীঅযোধ্যা ৰাম দাস :—আমাৰ জলসিঞ্চনৰ মন্ত্ৰী আমাৰ গোৱাল-পাৰাজিলাৰেই লোক, তেখেতে যে এজন কৰ্মদক্ষ লোক তাত সন্দেহ নাই, তেখেতে জলসিঞ্চনৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে কিন্তু আমাৰ

জিলাত তেনে ধৰণে জলসিঞ্চনৰ কোনো এটা সুপৰিকল্পিত আঁচনি এতিয়ালৈকে লোৱা নাই, এইটো বৰ দুখ লগা কথা। গোৱালপাৰা জিলা খন যথেষ্ট পিছপৰা, এই লোক সকল অতিকৈ গৰীব তেখেত সকলৰ খেতি-পথাৰত পানী দিয়াৰ কাৰণে কোনো ব্যৱস্থা নাই আৰু তেওঁলোকৰ কোনে ক্ৰয় ক্ষমতা নাই গতিকে এই মন্ত্ৰী গৰাকীৰ দিনতেই যদি আমি গোৱালপাৰা জিলাৰ কাৰণে স্থায়ী ব্যৱস্থা এটা নাপাও কাৰ দিনত পাম সেইটো চিন্তা কৰিবলগীয়া বিষয়। গতিকে অন্যান্য জিলাত জলসিঞ্চনৰ ব্যৱস্থা স্থায়ী ভাৱে লোৱাৰ উপৰিও পিচপৰা অঞ্চলৰ প্ৰতি বিশেষ চকু দিব লাগে। আজি আৰু এটা বিশেষ মন কৰিবলগীয়া কথা হল যি সময়ত এই পিছপৰা ৰাজ্যখনৰ কাৰণে ৰেচম আৰু বয়ন বিভাগটো অত্যন্ত লাগতিয়াল সেই সময়ত সেই বিষয়টোৰ প্ৰতি আমাৰ মাননীয় সদস্য সকলে কোনো দৃষ্টি আকৰ্ষণ কৰা নাই কিন্তু প্ৰকৃততে এই ৰেচম আৰু বয়নৰ ওপৰতেই আমাৰ দুখীয়া জনসাধাৰণৰ আৰ্থিক অৱস্থা অতিকৈ নিৰ্ভৰ কৰিছে।

(মাননীয় উপাধ্যক্ষ -আপোনাৰ ১০ মিনিট হৈ গল)

আমাৰ দুখীয়া শ্ৰেণীৰ বেচি ভাগ লোকে এই দুটা বিভাগৰ ওপৰত বেচিকৈ নিৰ্ভৰ কৰি আছে আৰু ইয়াতেই তেওঁলোক বেচিকৈ জড়ীত সেই কাৰণে এই ৰেচম আৰু বয়ন বিভাগৰ কাৰণে টকা বৰাদ্দ কৰোতে বেচিকৈ টকা বৰাদ্ধ কৰিব লাগে যিহেতু তেওঁলোকে এই দুটা বিভাগৰ দ্বাৰা জীৱনৰ উপাৰ্জন পথ বাহিৰ কৰে সেইকাৰণে তাৰ ব্যৱস্থা কৰিব বুলি অনুৰোধ জনাইছোঁ। উপাধ্যক্ষ মহোদয়, মই কৈ থকা অৱস্থাত 'ইন্টাৰাপ' কৰি আছে। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে ৰাজ্যিক ধনৰ ক্ষেত্ৰত কেইটামান বৰ ভাল কথা উল্লেখ কৰিছে।

তেখেতে অনাদায়ী কৰ আদায় কৰাৰ কাৰণে কঠোৰ ব্যৱস্থা লোৱা হব বুলি ঘোষণা কৰিছে গতিকে আমি কও এই ক্ষেত্ৰত যিমান পৰা-যায় সিমান কঠোৰ ব্যৱস্থা লোৱাতো প্ৰয়োজন । চৰকাৰৰ ধন লৈ কৰ ফাকী দিয়া লোকসকল গৰীব সকল নহয় সেইসকল হল ধনী মানুহ, গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই লোক সকলৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হব বুলি যি ঘোষণা কৰিছে তাৰ কাৰণে তেখেতৰ মই শলাগ লৈছোঁ। আজি মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট ডাঙি ধৰিছে ইয়াত বিশেষকৈ ৰাজহৰ ফালৰ পৰা দেখাযায় যে আমাৰ ৰাজ্যৰ ৰাজহ বাঢ়িছে, এই কথাটোৰ ইঙ্গিত ইয়াত পোৱা যায় আৰু সেই কাৰণে আমি সুখি হৈছো যে ইমান দিনৰ মূৰত বাজেট উত্থাপন কৰিছে আৰু এই বাজেট আলোচনাত অংশ গ্ৰহণ কৰি আমি এইটো য়েই দেখিছো যে ৰাজ্যৰ বিভিন্ন শিতানত চৰকাৰে মিতব্যয়িতা অৱ-লম্বন কৰি ৰাজ্যখনৰ ৰাজহ বৃদ্ধি কৰি জনসাধাৰণৰ আশাআকাংশা প্ৰতিবিম্বিত কৰিছে আৰু সেইকাৰণে আমি মুখ্যমন্ত্ৰী মহোদয় এই বাজেট খন জনসাধাৰণৰ কল্যাণৰ অৰ্থে নিৰ্মাণ কৰা বাজেট, এই খনে জন-সাধাৰণৰ আশাৰ সঞ্চাৰ কৰিছে । মুখ্যমন্ত্ৰী মহোদয়ে বাজেটত যি হিচাবে উল্লেখ কৰিছে আৰু যিবিলাক আঁচনিৰ কথা উলেখ কৰিছে সেই বিলাক যাতে যথাযুক্ত ভাবে কাৰ্যকৰী কৰা ক্ষেত্ৰত বাস্তৱ কাৰ্য্য পন্থা হাতত লব পাৰি তাৰ বাবে মই আশা ৰাখিলো । আৰু মীন উৎপাদনৰ ক্ষেত্ৰত ইয়াত তেখেতৰ কোনে উল্লেখযোগ্য কথা আলোচনা কৰা হোৱা নাই, এই মীন বিভাগতো উন্নত কৰাৰ কাৰণে ৫১ খন আঁচনি গ্ৰহণ কৰা হৈছে কিন্তু এই আঁচনি কিমান দূৰ কৃতকাৰ্য্য হৈছে সেইটো কব নোৱাৰে, সেইকাৰণে এই বিভাগ-তোত বেচিকৈ টকা ধৰি হলেও অধিক উৎপাদনশীল কৰি তোলাৰ

কাৰণে চিন্তা কৰি চাব বুলি অনুৰোধ জনাই মাননীয় উপাধ্যক্ষ মহোদয়ে ইমান খিনি সময় দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীইদ্ৰীচ আলি ফকীৰ :—মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰীৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে ১৯৭৬-৭৭ চনৰ বছৰটোৰ যিখন বাজেট বিবৃতি উত্থাপন কৰিলে এই বিবৃতিৰ সন্দৰ্ভত মই দুষাৰ কথা কব বিচাৰিছো আমাৰ এই সদনৰে সন্মানিত কেবাগৰাকী সদস্যই আমাক নিজকে নিজে হতাশাৰ ভাৱ দেখুৱাইছে আৰু তেখেতৰ সহকৰ্মীসকলক পৰিস্ফুট কৰিবৰ কাৰণে তেখেতৰ বক্তৃতাত উত্থপন কৰিছে আৰু তাৰ লগতে বাকী সদস্য সকলকো সাঙুৰী লৈছে কিন্তু সেই সাঙুৰী লোৱাৰ কাৰণে আমি প্ৰতিবাদ কৰিছো। যিহেতু সেই সদস্য জন সদনত নাই তেখেতৰ নাম মই উল্লেখ নকৰো। তেখেতে কৈছে মুখ্য-মন্ত্ৰী মহোদয়ে যিটো বাজেট উত্থাপন কৰিলে সেইটো লটাৰীৰ টিকট বিক্ৰী কৰাৰ নিচিনা বুলি কৈছে। অকল সেইখিনি কৈয়েই ক্ষান্ত হোৱা নাছিল আৰু বিধান সভাৰ সদনত দিয়া আৰু বাহিৰত দিয়া লটাৰীৰ টকা বিক্ৰী কৰা নাই তেখেতে যদিও এই কথাষাৰ গুৰুত্ব সহকাৰে উপলব্ধি কৰিছে কিন্তু তেখেতৰ লগত আমি একমত হব নোৱাৰো। এই ৰাজ্যখনৰ আজি অৰ্থনৈতিক অৱস্থাৰ যি আমোল পৰিবৰ্তন হৈছে সেইটো যদি তেখেতে মানি নলয় তেতিয়াহলে তেখেত সকলৰ লগত কোনো যুক্তি তৰ্কই নাই কিয়নো এইটো সম্পূৰ্ণৰূপে পৰিস্কাৰ যে ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ বহুখিনি উন্নতি হৈছে। আমাৰ ৰাজ্যখন আজি বহু সমস্যাৰে জৰ্জৰিত যেনে বানপানী, সমীপবৰ্তি ৰাজ্যৰ

* Spee.h not corrected

বা ওচৰ চুবুৰীয় ৰাষ্ট্ৰৰ সমস্যা আৰু আভ্যন্তৰীণ শান্তি শৃঙ্খলা সাপেক্ষে ইত্যাদি বহু ৰকমৰ সমস্যাই ইয়াত দেখা দিছে এনে এটা বিশৃঙ্খলা থকা স্বত্বেও এই ৰাজ্যখনত ইমান কম সময়ৰ ভিতৰত যি খিনি অগ্ৰগতি লাভ কৰিছে সেইটো বৰ প্ৰশংসনীয় কাম হোৱা বুলি মই ভাবো। মুখ্যমন্ত্ৰী মহোদয়ে ১৯৭৪ চনত আমাৰ ৰাজ্যখনত গাওঁ পঞ্চায়ত লেভেলত সমবায় সমিতি সমূহ গঠন কৰি ধান আৰু চাউল চৰকাৰী কৰণ কৰাৰ যি দৃঢ় পদক্ষেপ লৈছিল সি বৰ সাহসৰ কাম আছিল, এই সংক্ৰান্তত আমাৰ প্ৰথম অৱস্থাত এটা সন্দীহান আহিছিল যে এই কামত সাফল্য লাভ কৰিব পৰা হব নে নহয় কিন্তু আচৰিত কথা সেই সাহসমূলক কামটোত আমাৰ চৰকাৰে বাস্তৱত ৰূপায়িত কৰিলে, এবছৰৰ ভিতৰতে এই বিষয়ত চৰকাৰে যি ভাবে অগ্ৰগতি লাভ কৰিলে সেইটো সচাঁকৈয়ে শলাগিব লগীয়া। এই সমিতি সমূহ গঠন হোৱাৰ পিচতেই বিশেষকৈ আমাৰ গাৱলীয়া যি সকল দুখীয়া লোক আছিল তেওঁলোকে যথেষ্ট সকাহ পাইছে যদিও যি হিচাবে এই গৰীব শ্ৰেণীৰ লোক সকলে খোৱা খাদ্যকে ধৰি আন আন যাবতীয় বস্তু নিম্ন হাৰত পাবলাগিছিল সেই হিচাপে পোৱা নাই। গতিকে মই আশা কৰো এই সমবায় সমিতি সমূহ আৰু অধিক শক্তিশালী কৰিবৰ কাৰণে যাৱতীয় আঁচনিৰ হাতত লৈ অলপ বেচি অনুদান এই শিতানত আগবঢ়াই তাৰ ব্যৱস্থা অনতি পলমে কৰিবলৈ চেষ্টা কৰিব লাগে।

দ্বিতীয়তে মই কৃষি তথা জলসিঞ্চনৰ কথা দুআষাৰ মান কবলৈ বিচাৰিছো। আমি এটা কথা লক্ষ্য কৰিছো যে আমাৰ সদস্য সকলে কিবা কথা কবলৈ উঠিলে কিবা গুৰুত্বপূৰ্ণ কথা কলেও সেইবিলাক শুনিবলৈ মন্ত্ৰী সকল বিধান সভাত উপস্থিত নাথাকে। আমি বাইজৰ

কথা বিলাক সদনত কৰলৈ আহিছো। আৰু তাৰ কাৰণেই ৰাইজে আমাক ভোট দি পঠাই দিছে। গতিকে আমাৰ কথা বিলাক যদি মন্ত্ৰী সকলে নুশুনে তেন্তে ৰাইজৰ কাম কেনেকৈ কৰিব। কৃষি আৰু জলসিঞ্চনৰ যথেষ্ট অগ্ৰগতি হৈছে সেই কথা অস্বীকাৰ কৰিব নিবিচাৰো। কিন্তু যিমান খিনি অগ্ৰগতি হৈছে তাৰ তুলনাত কৃষি বিভাগৰ মন্ত্ৰী দুজনৰ ব্যক্তিগত স্বাস্থ্যৰ বেচি উন্নতি হৈছে। কেবিনেত মন্ত্ৰী নবিন হৈ পৰিছে। আৰু ৰাজ্যিক মন্ত্ৰীৰ প্ৰবিন হৈ পৰিছে। তেখেত সকল তেখেত সকলে যাতে পৰিস্থিতিৰ ওপৰত গুৰুত্ব দি নিজৰ আত্ম-সন্তুষ্টিৰে বৈ নাথাকে তাৰ কাৰণে অনুৰোধ জনালো। কৃষি আৰু জলসিঞ্চন এই দুয়োটা বিভাগেই অসমৰ ৰাজ হাৰৰ নিচিনা। এই দুইটাৰ ভিতৰত যদি কোনোটোক অৱহেলা কৰা হয় তেনেহলে আমাৰ দেশৰ আকাল হব বুলি মই ভাবো। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে কৃষি আৰু জলসিঞ্চন মন্ত্ৰীৰ দৃষ্টিআকৰ্ষণ কৰিব বিচাৰিছো। তেখেতে অসমৰ প্ৰতিটো মহকুমাতে জলসিঞ্চনৰ আচনি লৈছে এইটো প্ৰসংশনীয় হৈছে। আচলতে এই আচনি বিলাক আঞ্চলিক বা নিজৰ স্বাৰ্থৰ ভিত্তিত হব নালাগিব। কাৰণ ইয়াত বহুতো কাৰিকৰী কথা আছে। এই সম্পৰ্কীয় বিলাক আচনি লোৱা হৈছে তাৰ উদ্দেশ্য সুদূৰপ্ৰসাৰী আৰু এই আচনি কাৰ্য্যকৰী কৰাৰ গীত দ্ৰুত হব লাগিব আৰু তাৰ কাৰণে চৰকাৰে গুৰুত্ব দিব লাগিব। অসমত এটা ডাঙৰ জলসিঞ্চনৰ কথা মই এই প্ৰসঙ্গত এই সদনত দাঙি ধৰিব খুজিছো। সেইটো হৈছে নগাওঁৰ যমুনামুখ জল-সিঞ্চন আচনি। এই আচনিটো অতি পুৰনি আচনি আৰু ১৯৫৮ চনতে ইয়াক আৰম্ভ কৰিছিল। এই আচনিত কেবা কোটি টকাও খৰচ হৈছিল কিন্তু কাৰ্য্য সম্পূৰ্ণ হোৱা নাছিল। বৰ্ত্তমান আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন কাৰিকৰী অভিযন্তা আৰু মেম্বাৰ সকলৰ লগত আলোচনা কৰি বিশেষ ভাৱে অধ্যয়ন সহকাৰে এই আচনি পূৰ্ণ কৰিবৰ কাৰণে

যি ব্যৱস্থা লৈছে তাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো। আমি আশা ৰাখিছো এই আচনিয়ে কৃতকাৰ্য্যতা লাভ কৰিল তাৰ লগতে আনুসঙ্গীক শিল ভেটাৰ আচনিটো কৃতকাৰ্য্য হব। আশা কৰো এই শিল ভেটা আচনিটোৰ ওপৰতো গুৰুত্ব দিব।

ইয়াৰ পিচত মই শিক্ষা সম্পৰ্কে দুআষাৰ কথা কব খুজিছো। শিক্ষাৰ ক্ষেত্ৰত অসমত যথেষ্ট প্ৰসাৰ হৈছে আৰু স্কুল-কলেজৰ ঘৰ নিৰ্মাণৰ কাৰণে বহুতো টকা চৰকাৰে দিছে। ইয়াৰ লগতে এটা কথা মই চৰকাৰক জনাব খুজিছো যে প্ৰত্যেক গাওঁ পঞ্চায়ত এলেকাৰ ভিতৰত শিক্ষয়িত্ৰীৰ কাৰণে বাসভৱন কৰাও হৈছে। কিন্তু দুখৰ বিষয় তাত ঘৰ ৰখি থাকিবলৈ শিক্ষয়িত্ৰী নিয়োগ হোৱা নাই। গতিকে মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীযাক এই অনুৰোধ কৰো যিবিলাক শিক্ষয়িত্ৰীক নিয়োগ কৰা হোৱা নাই তেওঁলোকক যেন সোনকালে নিয়োগ কৰে। প্ৰি প্ৰাইমীৰীৰ ক্ষেত্ৰত যি শিক্ষা ব্যৱস্থাৰ আচনি কৰিছে তাৰ ওপৰত যথেষ্ট গুৰুত্ব দিব বুলি আশা কৰিলো।

তাৰ পিচত মই ৰাজহ বিভাগৰ সম্পৰ্কে দুইএষাৰ কথা কব খুজিছো। মাটি বন্দোবস্তি সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰীৰ মহোদয়ৰ বিবৃতিত কৈছিল যে এতিয়ালৈকে অৰ্থাত ১৯৭৬ চনৰ জানুৱাৰীলৈকে ৭,২০১ টা পৰিয়ালক মাটি বন্দোবস্তি কৰি দিছে। আৰু এই পৰিয়াল বিলাক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ। ইয়াৰে ১,৯৮৫ টা পৰিয়াল অনুসূচীত জাতিৰ আৰু ১,১৮২ টা অনুসূচীত জনজাতীৰ পৰিয়ালক ঘৰৰ কাৰণে ৪,৬২২ বিঘা মাটি দিয়া হৈছে। এইটো বৰ ভাল কথা। ইমান কম সময়ৰ ভিতৰতে ৭,২৫১ টা পৰিয়ালক মাটিৰ বন্দোবস্তি দিয়াটো উল্লেখযোগ্য কাম হৈছে। কিন্তু অকলে

অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ মানুহৰ কাৰণে চিন্তা কৰিলে নহব। তেওঁলোকৰ পাচতে অন্যান্য পিচপৰা সম্প্ৰদায়ৰ লোক আৰু সংখ্যালঘুৰ লোক সকলৰ কথা চিন্তা কৰিব লাগিব। পিচপৰা সম্প্ৰদায়ৰ আৰু সংখ্যালঘিষ্ঠ লোক সকলো দুখদুৰ্দশা গ্ৰস্ত লোক গতিকে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাওঁ যেন এই দুৰ্দশা গ্ৰস্ত পিচপৰা সম্প্ৰদায় আৰু সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলকো মাটি বন্দোবস্তি দিয়াত গুৰুত্ব দিয়ে।

ইয়াৰ পাচত মই বন বিভাগৰ দুই এটা কথা কব খুজিছো। আজি বন বিভাগটো এনেকুৱা বিভাগ হৈ পৰিছে যে যাৰ কথা ৰাইজে জানিব পৰা হোৱা নাই। তাৰ ফলত ৰাইজৰ নানান অসুবিধাৰ সৃষ্টি হৈছে আৰু বনবিভাগৰ বিষয়া সকলে ৰাইজক হিংস্ৰ জন্তুৰ দৰে ব্যৱহাৰ কৰিছে। এই সভাত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াও আছে আৰু তেখেতলৈ মই এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয় অসপতে লামডিং সমষ্টিৰ কাকী নথুটি এলেকাত যিটো ঘটনা ঘটিছে সেইটো মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। তাত বন বিভাগৰ অফিচাৰ সকলৰ যিটো মইমতালি চলি আছে সেইটো মই মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰাই কৈছো যে তেনেকুৱা এটা পৰোক্ষ বন্দৱস্তি দি বছৰাই ৰখাৰ ফলত ছাব্বিশ ঘৰ মানুহক মাহেকত দুবাৰকৈ উচ্ছেদ কৰা হৈছে আৰু দুবাৰকৈ বহুওৱা হৈছে। শেহান্তৰত দেখা গল যে ৰেভিনিউ বিভাগত খবৰ কৰি দেখা গল যে সেইখিনি আচলতে বন বিভাগৰ মাটি নহয়। সেই মাটিখিনিৰ কাৰণে বন বিভাগৰ আৰু ৰেভিনিউ বিভাগৰ ডিচ্পিউট চলি আছে। সেই ঘটনাৰ পিচত তাৰ

সংশিষ্ট মানুহখিনি আহি মোক লগ ধৰিলেহি আৰু মোৰ সহকৰ্মী সকলকো লগ ধৰিলে আৰু তেওঁলোকৰ অৱস্থাৰ কথা বিবৰি কলে। তেতিয়া মই মোৰ সহকৰ্মীৰ লগত গৈ বন বিভাগৰ মন্ত্ৰী মহোদয়ক এই গোটেই কথাখিনি কলো আৰু ধৈৰ্য্য সহকাৰে শুনি বুজিলৈ সেই ডিচ্‌পিউট শেষ নোহোৱা পৰ্যন্ত উচ্ছেদ বন্ধ কৰিবলৈ ততালিকে হুকুম দিলে কিন্তু আচৰিত কথা তাৰ পোন্ধৰ দিনৰ পিচত হঠাত অতৰ্কিত ভাৱে চিপাহী লগাই দি মানুহখিনিক জুই লগাই উচ্ছেদ কৰা হল। সৰিয়ৰ খেতি নষ্ট কৰা হল। এইটো এটা হিংস্ৰ জন্তুৰ নিচিনা কাম বুলি কব খোজো। মই ৰিষয়া জনৰ কব খোজা নাই। এইটো সংশ্লিষ্ট মন্ত্ৰী গৰাকী ইয়াত আছে আৰু তেখেতে নিশ্চয় মনত পেলাব পাৰিছে আৰু সেই বিভাগীয় বিষয়ববীয়া সকলৰ পৰা খবৰ আনি উচিত ব্যৱস্থা লব বুলিয়েই মই বিশ্বাস কৰো।

উপাধ্যক্ষ মহোদয়, ইয়াৰ লগতে আৰু এটা পৰমৰ্শ দিব খুজিছো। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত প্ৰায় উনত্ৰিশ বছৰৰ ভিতৰত অসমৰ ৰাজনৈতিক আৰু ভৌগলিক বহুত পৰিবৰ্তন হৈছে, কিন্তু বান বিভাগৰ কোনো পৰিবৰ্তন হোৱা নাই। এনেকি ৰাজহ বিভাগৰো কোনা পৰিবৰ্তন হোৱা নাই। বহুত বনাঞ্চলত খেতিৰ উপযোগী মাটি ৰেকৰ্ডত ফৰেষ্ট ৰিজাৰ্ভ বুলি লিখি ৰাখিছে আৰু সেই কাৰণেই এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়, বন বিভাগৰ মন্ত্ৰী মহোদয় আৰু কেই জনমান বেচৰকাৰী সদস্য লৈ এটা কমিটি কৰি অসমৰ বনাঞ্চলৰ এটা জৰীপ চলায়েই এই কথাৰ প্ৰকৃত অৱস্থা বুজি লওঁক আৰু এই সীমাৰেখাৰ পৰিবৰ্তন ঘটাওক।

উপাধ্যক্ষ মহোদয়, মই ৰাজহ বিভাগৰ আৰু এটা কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে এই কথাষাৰ বিধান সভাত সদস্য হৈ অহাৰ দিনৰে পৰা আৰু যি কেইদিন আপুনি অনুগ্ৰহ কৰি কবলৈ সময় দিছে আৰু এই চকীখনৰ অনুগ্ৰহত যিমান দিন ধৰি সুযোগ পাইছোঁ। সেই দিনৰে পৰা এই কথাষাৰ উত্থাপন কৰি আহিছো আৰু আজিও আকৌ এইটো কব খুজিছো। বিশেষকৈ নগাওঁ জিলাত ১৯৩২,১৯২১, ১৯২২ চনতে সেইবিলাক অঞ্চলত যেতিয়া নতুনকৈ মাটিৰ ৰায়তী সকলক পট্টন দিয়া হৈছিল। চল্লিশ পঞ্চাশ বিঘা পৰ্য্যন্ত মাটি চৰকাৰী নিৰিখ মতে প্ৰিমিয়াম দিয়া হৈছে। চৰকাৰী হুকুমৰ চাকুলাৰৰ কপি পৰ্যন্ত আছে আৰু ৰচিদ পৰ্যন্ত আছে সেইবিলাক এতিয়া তেওঁ- লোকে পকেটত ভৰাই ফুৰিছে কিন্তু আজিলৈকে এই কথাটো স্পষ্ট হোৱা নাই। ৰেকৰ্ড কালেকচন কৰা নাই আৰু এতিয়াও বিশ চল্লিশ বিঘা মাটি চৰকাৰী মেপত দেখুৱা হৈছে। ইয়াৰ কাৰণে কোন দায়ী? যদি সংশ্লিষ্ট বিষয়া সকল দায়ী হয় তেতিয়াহলে ৰাজহবিভাগৰ মন্ত্ৰী মহোদয়ে এই খেলিমেলি বিলাক সংশোধন কৰি তেনেকুৱা মানুহে মণ্ডল কাননগু আদি লোকে এই ধৰণেৰে কিয় জুলুম কৰিছে এইটো ভাল ভাৱে চিন্তা কৰি চাই ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই আশা কৰিলোঁ। মই এই প্ৰশ্নটো কেইবাবাৰো উথাপন কৰা সত্বেও ৰাজহ- বিভাগৰ মন্ত্ৰী মহোদয়ে এইটো উত্তৰ দিয়াৰ কাৰণে মনোযোগ দিয়া নাই। মই আজি আশা কৰিছো যে এইটোৰ এটা স্পষ্ট উত্তৰ দিব আৰু মাটি খিনি ৰিকগনাইজ কৰিও দিয়া নাই।

উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিছো যাতে অতি সোনকালে সেই দুখীয়া মানুহখিনিৰ প্ৰিমিয়াম দিয়া ৰচিদ আদি আৰু বন্দবস্তিৰ হুকুমৰ কপি চাই এটা

বিশেষ কমিটি কৰি দি সেই কমিটিৰ যোগেদি হলেও এই দুখীয়া মানুহখিনিৰ উন্নতিৰ কাৰণে চিন্তা কৰিব।

মাননীয় উপাধ্যক্ষঃ—একৈশ মিনিট অভাৰ হৈ গল।

শ্ৰীইদ্ৰিচ আলি ফকিৰঃ—উপাধ্যক্ষ মহোদয়, অনুগ্ৰহ কৰি মোক এইখিনি সময় দিয়া কাৰণে আপোনাক ধন্যবাদ জনাই মোৰ বক্তৃতা সামৰিছো।

শ্ৰীসোনেশ্বৰ বৰা :—মাননীয় উপধ্যক্ষ মহোদয়, বাজেটখন আমি বিৰোধী পক্ষৰ পৰা সমালোচনা কৰাই নহয়, ভালকৈ চাম্লে চৰকাৰী পক্ষৰ পৰা যি ধৰণে সমালোচনা কৰিছে তেতিয়া অংকটো যদি চাৰি বুলি ধৰা হয় তাৰ এক বিয়োগ কৰিলে তিনি আৰু তিনিৰ পৰা দুই বিয়োগ দিলে এক থাকে এই ধৰণৰ এই বাজেট বক্তৃতা মুখ্যমন্ত্ৰী মহোদয়ে ইমান দীঘলীয়াকৈ নিদিয়াহলেও ভাল হলহেতেন বুলি মই ভাবো। এক ঘণ্টাৰ ওপৰ কাল মুখ্যমন্ত্ৰী ডাঙৰীয়াই পঢ়ি দিয়া বাজেট বক্তৃতাটো দহ পোন্ধৰ মিনিটত সমালোচনা কৰাটো টান ভালকৈ আলোচনা সমালোচনা কৰিলে ২ ঘণ্টা মান লাগে, তথাপি দুই চাৰিটা কথা সমালোচনা কৰিব খুজিছো। এই বাজেটক কোনোবাই আশাবাদী বুলি কৈছে কোনোবাই নিৰাশাবাদী বুলি কৈছে, কোনোবাই সমাজবাদী গোন্ধ দেখিছে, কোনোবাই আৰু বহুত কিবাকিবি দেখিছে কিন্তু মোৰ দৃষ্টিত এইখন সমাজবাদী বাজেট বুলি কব নোৱাৰো আৰু তেনেদৰে দেখা নাই। সমাজবাদী বাজেট ঘাটি হৈছে নে বাহি হৈছে, কৰ লগাইছে নে লগোৱা নাই সেই কেইটা কথাৰ ওপৰত এখন দেশ সমাজবাদী বা পুজিবাদী নামৰ নহয়। আজি সমাজবাদী বাজেট যদি হব লাগে তেতিয়াহলে মূল কথা আহিব লাগিছিল যে আমাৰ দেশৰ আটাইতকৈ ধনী মানুহ

জন আৰু আইতকৈ টোকোনা মানুহ জনৰ মাজত থকা অৰ্থ নৈতিক অনুপাতিক অসমতা খিনি দেখুৱাই দিয়া হলহেতেন তাৰ নিবাকৰণ যদি কৰা হলহেতেন। সেই অংক যদি দেখুৱা হলহেতেন তাৰ যদি কিবা উল্লেখ থাকিলহেতেন তেনেহলে সমাজবাদৰ ফাললৈ গতি কৰিছে বুলি কব পাৰিলোহেতেন। কিন্তু এই বাজেটত তেনেসমাজবাদ দৃষ্টি ভঙ্গি নাই। বাক্যপাসৰ ভাষণৰ দৰেই এইখন বাজেটতো ঠিক তেনে কিছুমান বাক্য শব্দযোজনা ভাষা-সাহিত্যৰ লালিত্য খটুৱাই কেৱল বক্তৃতা দিয়া এক বক্তৃতাহে।

উপাধ্যক্ষ মহোদয়, এক ভোকোভাওনাৰ মাজেদি এই বাজেট বক্তৃতা উল্লেখ কৰিছে। মই যি উপমা দিওঁ মাননীয় সদস্যসকলে কেতিয়াবা কেতিয়াবা মোৰ উপমা কঠোৰ হোৱা বুলি কয়।

Expunged uader orders of the chair

Shri Giasudhin Ahmed. :—Mr. Deputy Speaker Sir, a Point of order. The hon, able member may use any odjective for himself as he likes. But so far as, other hon, members are concerned, it is not his business to qualify them as he likes, as this is objectionable. He may say that how as o howing the boned like a dog, but others may not like to any so.

মৌলানা অব্দুল জলিল চৌধুরী :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগিয়াসুদ্দিন সাহেব যে পয়েন্ট অব্ অৰ্ডাৰ তুলেছেন তার সিদ্ধান্ত কি হয়েছে ?

Mr. Deputy speaker:— I have already covtioned him not to use such words.

Shri Giasuddin Ahmed. :—I appeal to you Sir, that this should be expunged from thc proeecdings.

Mr. Deputy speaker :— when I have cavtioned it moan; that is will be expunged automatioally.

শ্ৰীসোনেশ্বৰ বৰা :—উপধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এই বিষয়টো অৱশ্যে বুজিবলৈ চেষ্টা নকৰে। মই নিজে অনুভৱ কৰিছো। আজি শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই দিয়া বক্তৃতাৰ ওপৰত মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া আৰু শ্ৰীগোলাপ বৰুৱা ডাঙৰীয়াই তেখেতক সামালোচনা কৰিছিল। শ্ৰীনগেন বৰুৱাই কৈছিল যে দেশত জাতিৰ পিতা মহামানব মহাত্মা গান্ধীক হত্যা কৰাৰ কালতো আৰু ভাৰতবৰ্ষত যোৱা সময় চোৱাত বহুত ডাঙৰ ঘাট প্ৰতিঘাট সৃষ্টি হোৱাৰ ক্ষেত্ৰতো দেশত জৰুৰী অৱস্থা ঘোষণা কৰিব লগা নহল। যেতিয়া অসম তথা ভাৰতবৰ্ষত শাসক গোষ্ঠীৰ এনে শকত scarry গোষ্ঠীয়ে দেশ চলাইছে জাককয় জাকৰোৱা নাও বালে বামেৰেও যায় সেই অৱস্থাত কিয় চৰকাৰী সিদ্ধান্ত কাৰ্য্যকৰী কৰিবৰ কাৰণে জৰুৰী অৱস্থা ঘোষণা কৰিব লগা হল। এইটো হৈছে শ্ৰীনগেন বৰুৱাৰ বক্তৃতা। ঠিক তেনেকৈ কংগ্ৰেছী সদস্য সকলে বক্তৃতা দিয়া শুনিছো। জৰুৰী অৱস্থাৰ সময় চোৱাত যদি শাসক সকলে সুবিধা গ্ৰহণ কৰিব নোৱাৰে বা লব নোৱাৰে তেতিয়া হলে সুবিধা কোন যুগত আহিব ? ইয়াৰ অৰ্থ কি ? ইয়াৰ পিচতো কিয়, তেখেত সকলৰ নিজৰ বক্তব্যৰ উত্তৰ তেওঁলোকে নিজে বিচাৰি নাপায় ? জৰুৰী অৱস্থা ঘোষণা কিয় কৰিব লগা হল, কিমান

দিন ৰাখিব, কি অৰ্থ, তেখেত সকলৰ বক্তব্যৰ মাজেদিয়েই এজন ৰাজনৈতিক লোক হিচাবে এই বিষয়টো বুজি পাইছো। মই সেই কাৰণে কৈছো মাননীয় সদস্য সকলে যদিও বহু খিনি আশা দেখিছে মই আশা দেখা নাই। আমাৰ ৰাজ্য খনত ২৬ হাজাৰ গাওঁ আছে, ৭৫০ খন চাহ বাগিচা আছে, সৰু বৰ ৭২ খন নগৰ আছে। এই ৩০ বছৰৰ সময় চোৱা যদি বিচাৰ কৰি চাও তেন্তে প্ৰাইমাৰী শিক্ষকে কিমান মানুহক পঢ়ালে ? ১৯ হাজাৰ মাত্ৰ প্ৰাইমাৰী স্কুল আছে। প্ৰতি খন গাৱক, প্ৰতিখন চাহ বাগিচাত এখন স্কুল দিব পৰা নাই। বাহাদুৰী কৰিব পাৰে যে প্ৰাইমাৰী শিক্ষাৰ বহল প্ৰচাৰ হৈছে। যি খন দেশত ২৬ হাজাৰ গাও আৰু ১৯ হাজাৰ প্ৰাইমাৰী স্কুল, আৰু প্ৰাইমাৰী শিক্ষাৰ কথা বেলেগে বুজাব লাগেনে ? ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ পিচৰ পৰা পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনা শেষ হোৱা কালচোৱা আৰু জৰুৰী অৱস্থাৰ সময় খিনি লগত লৈ কোৱা হৈছে যে চাবে সাত হাজাৰ গাৱত ইলেক্ট্ৰিকফিকেচন কৰা হব। ২৬ হাজাৰ গাৱৰ ৩০ বছৰৰ পিচত আৰু তিনি বছৰ যোগ দি ৩৩ বছৰত চাবে সাত হাজাৰ গাৱত বৈদ্যুতিকৰণ কৰা হবগৈ। সম্পূৰ্ণ বৈদ্যুতিকৰণ কৰিব লাগিলে এই হিচাবত আৰু ১২০ বছৰ লাগিব। এই বাজেট খনৰ মাজেদি গাঁৱৰ বৈদ্যুতিকৰণৰ এটা পৰিস্ফুট দিশ দেখিবলৈ পায়নে ? এই বিলাক প্ৰশ্ন আমাৰ চকুৰ আগত আহিছে। সেই কাৰণে মই কব খুজিছো যে এই বাজেট খনত লাভ লোকচান অংকত ঘাটি বা বাহি দেখুওৱাটোৱেই আমি সমাজবাদৰ ছবি দেখা পোৱা নাই। শাসক দলৰ সদস্য আৰু সহযোগী সদস্য সকলে সুবিধা পাব। অহা বছৰটোতে ৭২ কোটি টকা উন্নয়নৰ কামত লগাই তাৰ আধা টকা অৰ্থাত ৩৬ কোটি সুবিধাধ্বীয়া আঁচনিত খৰচ কৰা হব বুলি কোৱা হৈছে। মোৰ সন্দেহ ইয়াৰে কিমান কাম হব। হয়টো!

শতকৰা ৫০ ভাগ পার্টিৰ কামত খৰচ কৰিবলৈ সুবিধা পাব। সেই খিনি আছে। এই বাজেট খনত সেই কাৰণে একো বিচাৰি পোৱা নাই। আজি অসমৰ সৰ্বসাধাৰণ ৰাইজক মাটি দিব লাগে। মাটি দিব নালাগে বুলি কোনে কৈছে? কুৰী দফীয়া আঁচনি ঢোলে দগৰে, ৰেডিয়, খবৰ কাকত, বক্তৃতা মন্তব্য বোৰ প্ৰচাৰ কৰা হৈছে। যি খিনি মানুহক এই সুবিধা খিনি দিম বুলি কোৱা হৈছে তেওঁলোকৰ উন্নতি হলে তাত দুখ পাবলৈ কাৰো একো নাই। আজি পুজিপতি, ব্যৱসায়ী আৰু ডাঙৰ চাকৰিয়াল সকলৰ এই দুখীয়া সকলক মাটি বাৰী দিয়াত, কৰ্ম সংস্থান দিয়াত কোনো লোকচান তেওঁলোকৰ নহয়। লোকচান হব কেতিয়া যেতিয়া তেওঁলোকৰ সম্পত্তিত হাত দিব তেতিয়া ধৰক গুৱাহাটী বজাৰত হাতত পাচশ টকা লৈ বজাৰলৈ যাওঁতে কণা মগনীয়াক পাচ পইচা এটা দিলে পাচশ টকা লৈ যোৱা মানুহ জনৰ কোনো লোকচান নহয়। ঠিক সেই ধৰণে ধনী সকলৰ গৰীব সকলক কিবা কিবি অলপ দিলে একো লোকচান নহয় বা কুৰি দফীয়া আচনি কাৰ্য্যকৰী হলেও একো লোকচান নহয়। মোক লাগে ওপৰৰ জনৰ কিমান কটা হল আৰু তলৰ জনৰ কিমান আগ বঢ়োৱাছিল তাৰ হিচাব ভাৰতৰ পাৰ্লিয়ামেণ্টত নগৰীয়া সম্পত্তিৰ চিলিং আইন আহিছে বুলি শুনিছো। এই অসম বিধান সভাত ২২ মাৰ্চ লৈ এই সময় চোৱাত তেনে এখন বিল অসম চৰকাৰৰ ফালৰ পৰা অনা দেখা নাই। নগৰীয়া সম্পত্তি নিয়ন্ত্ৰণ কৰাৰ কোনো চিলিং কোনো আইন দেখা নাই। ধনী সকলৰ সুবিধা কাটিব পৰা কোনো ব্যৱস্থা এই বাজেট খনৰ মাজেদি দেখা নাই। যি সকল পুজিপতি আজি হিমালয় আকাশ লংঘাৰৈ আগবাঢ়ি গৈছে সেই সকলৰ ভোগ বিলাসৰ কৰ্তনৰ অৰ্থ নৈতিক ব্যৱস্থা দেখা নাই। তেতিয়াহলে কেবল মৌ বৰসা বক্তৃতাই গৰীৱ সকলৰ

উন্নতি কৰিব খোজা হৈছে নেকি ? ৰেডিঅ’ খবৰ কাকতত জানো পৰিবৰ্তন আহিব ? দিন যিমানে পলম হৈ গৈছে কুৰি দফীয়া আঁচনিৰ বক্তৃতা যিমানেই শুনিছো সেই শুনাৰ পিচত উপলব্ধি কৰিছো যে বিধান সভাৰ মজিয়াত এই ধৰণৰ এখন বাজেট গৃহীত হৈ যাব, কৰ্মচাৰী সকলৰ দা-দৰ্মহা, বিষয়া সকলৰ আচবাব, পত্ৰ, মটৰ গাড়ী তেল মবিলৰ সুবিধা হব। মন্ত্ৰী এম, এল, এৰ সুবিধা হব, ঔষধ পাতি পাব কিন্তু দুখীয়াৰ একো নহব।

অসমৰ বিধান সভাৰ মজিয়াত এই ধৰণে বাজেট গ্ৰহণ হৈ যাব। কৰ্মচাৰী সকলৰ দা-দৰ্মহা বিষয়া সকলৰ নানা আচবাব, মটৰ গাড়ীৰ তেল মবিল আদিৰ স-সুবিধা মন্ত্ৰী এম এল এৰ সাসুবিধা হয়তো হব কিন্তু দুখীয়া সকলৰ নহব।

(মাননীয় সদস্য শ্ৰীমালপেগু ডাঙৰীয়াই কিবা কব খুজিছাৰে)

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—মাননীয় সদস্য সকলে যদি এই ধৰণে আপত্তিকৰি থাকে তেনেহলে আমি সদনত কেনেকৈ কথা কম।

শ্ৰীসোনেশ্বৰ বৰা :—শ্ৰীসোনেশ্বৰ বৰাৰ বক্তৃতাৰ পৰাও আপোনালোকে বুজাবলগীয়া বহুত কথাই আছে। আমি শ্ৰীশৰত সিংহৰ বাজেটৰ দ্বাৰা সমাজবাদ প্ৰতিষ্ঠা কৰিব বিছৰা নাই। আমি চোচিয়েলিষ্ট পাৰ্টি কৰিছো আৰু বিৰোধীদলৰ আসনত বহিছো। শৰত সিংহৰ বক্তৃতা শুনিবলৈ নহয় আমি কংগ্ৰেছী সদস্য মালপেগুক আমাৰ কথা বুজিবলৈ আহ্বান কৰিছো।

উপাধ্যক্ষ মহোদয়, আজি এটা গভীৰ সত্য কথা এই যে আমাৰ

যিবিলাক কৰ্মচাৰীৰ লৰা ছোৱালী যেনে বিজুলি বিভাগৰ কৰ্ম চাৰীৰ লৰাছোৱালী, সচিবালয়ত কাম কৰা লোক সকলৰ লৰাছোৱালী তেওঁলোকক মটৰ গাড়ীৰে স্কুললৈ অনা নিয়া ব্যৱস্থা আইনৰ মাধ্যমেৰে কৰি লৈছে আমি নিজে দেখিছো। কিন্তু গাওঁৰ ২৬ হাজাৰ গাওঁৰ প্ৰাইমাৰী স্কুলীয়া লৰ ছোৱালীৰ কাৰণে শিক্ষানীতিৰ কি ব্যৱস্থা লৈছে আমাৰ মাননীয় সদস্য শ্ৰীপেগু ডাণ্ডৰীয়াই বুজিবলৈ ইচ্ছা নকৰে কিন্তু সেই কথা আজি আমাৰ জনসাধাৰণে বুজিবলৈ চেষ্টা কৰিছে। আজি আমি অৰ্থ নৈতিক ক্ষেত্ৰত দেখিবলৈ পাইছো ৭৫০ খন চাহবাগিছাৰ প্ৰাইমাৰী স্কুল চৰকাৰীকৰণ কৰা হ'ল তাৰ আগতে বোৰ্ডৰ অধিনত অনা হৈছিল কিন্তু এই স্কুলবিলাক কি সুত্ৰে অনা হ'ল? চাহবাগিছাৰ যিখন লেবাৰ এক্ট আছে ইন্দাষ্ট্ৰিয়েল--আছে সেইমতে মালিকে তাত কাম কৰা লোকৰ লৰা ছোৱালী বিলাকক বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু সেই ব্যৱস্থাৰ যুক্তি আছে আৰু আইন সন্মত। কিন্তু এই ৭৫০ খন চাহবাগিচাৰ স্কুল যে বোৰ্ডৰ অধিনত বা চৰকাৰৰ অধিনত আনিবলগীয়া হ'ল কাৰ চক্ৰান্তত পৰি। আজি বিৰাত এটা খৰচ কৰিবলগীয়া হ'ল যিটো খৰচ বাগানে বনে কৰিব লাগিছিল। এইটো বিবেচনা কৰা অৱশ্যক। গতিকে কেউফালৰ পৰা চালে এই খন ধনীৰ বাজেট হৈছে। মই আকৌ কৈছো যে ধনী সম্প্ৰদায়ে যদি কুবিদক্ষীয়া অ'াচনি আৰু ১০ বছৰ চলাই বা জৰুৰী অৱস্থা আৰু ১০ বছৰ চলাই তেনেহলে তেওঁলোকৰ গা মুকখাই। কাৰণ দুই চাৰিটাত অসুবিধা পাইছে যদিও সেইধৰনে আৰু দুই চাৰিটাত বেছি সুবিধা আদায় কৰি লৈছে। গতিকে তেওঁলোকৰ লাভলোকচান একো নাই। কিন্তু দুখীয়াৰ শিক্ষা, দুখীয়াৰ চিকিৎসা আৰু দুখীয়াৰ মাটিবাৰীৰ ক্ষেত্ৰত সমাজবাদী অৰ্থনীতি গ্ৰহণ কৰিবৰ কাৰণে আজি

৯ বছৰে মই এই বিধান সভাত মাতমাতি আহিছো । আজি ভেটি মাটি কাৰোবাক একথা/দুকথা দিলেই এই সমস্যাৰ সমাধান নহয় বা মাটিৰ সৰ্বোচ্চ সীমা ১০ বিঘাত বান্ধিয়ে তলৰ খিনি কাৰোবাক ভগাই দিলেই মাটি সমস্যাৰ সমাধান নহয়। মাটি সমস্যাৰ সমাধান হব তেতিয়া, যেতিয়া মাটি সমাজিকৰণ কৰা হব আৰু খেতিয়কেহে খেতি মাটি অধিকাৰ পাব কিন্তু তাকে নকৰি কেৱল ৫০ বিঘাত চিলিং কৰি দুখীয়াক দুই বিঘা এবিঘা বিলাই দিলে কেতিয়াও সমস্যাৰ সমাধান নহয়। আজি ৩০ বছৰে কংগ্ৰেছে ৰাজত্ব কৰিলে। আৰু ৩০০ বছৰ কৰক। আমি বিধান সভাৰ সদস্য থাকো বা নাথাকো/বা শাসক দলে এই কথা বুজকে বা নুবুজকে, তেখেত সকলৰ সান্দহখোৱা বালি তিয়াব খোজা নাই। এখন নহয় বহুত বাজেট পাচ কৰিলেও এই সমস্যাৰ সমাধান নহয়। মই কৈছো এতিয়াও সময় আছে আগবাঢ়ি আহক এখন সুস্থ সমাজ গঢ়িবৰ কাৰণে।

*শ্ৰীবীৰেন ৰাম ফুকন :— মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে আমাৰ বিত্তমন্ত্ৰী মহোদয় যিখন বাজেট দাঙি ধৰিছে তাৰ প্ৰতি মই ওলগ জনাইছো আৰু ৰাইজেও ওলগ জনাইছে যে যিখন বাজেট দাঙি ধৰিছে তাত কোনো কৰকাটল নাই। সাধাৰণে বাজেটত দুখীয়া ৰাইজৰ ওপৰত কৰকাটল থাকে কিন্তু সেই কথালৈ দৃষ্টি ৰাখিয়ে আমাৰ বিত্তমন্ত্ৰী মহোদয়ে ৰাইজৰ ওপৰত কোনো কৰকাটল লগোৱা নাই। আমাৰ দেশত এটা অস্থিৰ অৱস্থাৰ সৃষ্টি হৈছিল আৰু আমাৰ দেশত যি ফালেই চাও সেই ফালেই গন্দোগোল আৰম্ভ হৈছিল। গনতান্ত্ৰিক দেশৰ চৰকাৰ এখনে এই কথা কেতিয়াও সহ্য কৰিব নোৱাৰে আৰু সেই উদ্দণ্ডালি সহ্য কৰিব নোৱাৰি ভাৰত চৰকাৰে জৰুৰী অৱস্থাৰ

* Speech not corrected

ঘোষনা কৰিলে। আজি দেশত জৰুৰী অৱস্থা ঘোষণাৰ ফলত যি দেখা গৈছে তাৰ প্ৰতি গৰীৱ ৰাইজে ওলগ জনইছে। আমি দেখি বলৈ পাইছো জৰুৰী অৱস্থা ঘোষনাৰ কাৰণে দেশত বহুতো কামত আগ বাঢ়িব ধৰিছো আমি যি আশা কৰিছিলো সেই ৰূপ পাইছো। কেৱল আমি এটা কথা লক্ষ্য কৰিছো জৰুৰী অৱস্থা ঘোষনাৰ লগে লগে যি আলোড়নৰ সৃষ্টি হৈছিল অলপ সাম কাতিছে। এইটোলৈ লক্ষ্য ৰাখিয়ে আমাৰ চৰকাৰে কুৰীদফীয়া আচনিৰ আলম লৈ ৰাইজৰ উপকাৰৰ যথেষ্ট চেষ্টা কৰিছে। আমি দেখিছো যি সকল মাটিৰ মালিক আছিল তেওঁলোকৰ পৰা মাটি কাঢ়ি আনি খেতিয়কৰ মাজত বিতৰণ কৰি দিছে। তাত আমাৰ দুখীয়া ৰাইজে যথেষ্ট আনন্দ উপভোগ কৰিছে। আৰু আমাৰ পিচপৰা আৰু অনুসূচিত জাতিৰ যি সকল লোক তেওঁলোকৰ কাৰণে যথেষ্ঠ চিন্তা কৰা হৈছে আৰু তেওঁলোকৰ থকা ঠাইৰ কাৰণে মাটি আৰু খেতি কৰিবৰ কাৰণে মাটি দিয়া হৈছে।

কিন্তু কেতিয়াবা দেখা যায় যে, ইয়াৰ ভিতৰতে কিছুমান অতি দুখীয়া শ্ৰেণীৰ মানুহে এই মাটি উপভোগ কৰিব পৰা নাই। মই এইটো কথা এই কাৰণেই কৈছো যে, আমাৰ গুৱাহাটীতে কিছুমান চিডিউল কাষ্টৰ মানুহক মাটি দিয়াৰ কাৰণে হুকুম দিয়া স্বত্বেও সেই মাটি আজিলৈকে তেওঁবিলাকে পোৱা নাই। মোৰ ওচৰতে থকা এই সকল লোকে মোক এই বিষয়ে আপত্তি কৰিছেহি। মই আশা কৰিছো চৰকাৰে যেন এইটো নিশ্চয় চাব। জলসিঞ্চনৰ ক্ষেত্ৰতো আজি কোৱা হৈছে। জলসিঞ্চনতেই হৈছে খেতিয়ক ৰাইজৰ প্ৰথম কথা। হাজাৰ সাৰ আদি দিলেও বা অন্য কিবা দিলেও পানী নাথাকিলে কেতিয়াও খেতি হব নোৱাৰে। সেই কাৰণেই মই জলসিঞ্চনত যথেষ্ঠ গুৰুত্ব দিব লাগে বুলি কওঁ। চৰকাৰে এই ক্ষেত্ৰত একেবাৰেই নাই কৰা বুলি

মই নকওঁ । মোৰ সমষ্টিতে দুটা জলসিঞ্চনৰ ব্যৱস্থা চৰকাৰে লৈছে, তাৰে এটা হৈছে কলামনি আৰু আনটো হৈছে কপিলি । কপিলি বাৰিষা কালত ভৰি যায় আৰু ৰাইজৰ খেতিৰ পথাৰত যথেষ্ট পৰিমাণে পানী সোমায় । কিন্তু খৰালি মাহত যিমান খিনি পানী পাব লাগিছিল সেই পৰিমাণৰ পানী নেপায় । শুকাই যায় । তাৰ ফলত সেই অঞ্চলৰ ৰাইজৰ খতি নাস হয় । গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে নিজে এই জনজাতি বসতিপূৰ্ণ অঞ্চলটোলৈ গৈ চাই আহিব লাগে । কালমনি নামৰ জলসিঞ্চন আচনিৰ খাল খন্দা কাম বহুত দিনৰ আগতেই কৰা হল যদিও আজিলৈকে ৰাইজে তাৰ পৰা পানী পাব পৰা নাই । এই আচনি জলসিঞ্চন আচনিটো কাৰ্য্যকৰী হোৱা হলে পলাসবাৰীলৈকে পানী পালেহেতেন । চৰকাৰে তত্‌কালেই যেন এই ব্যৱস্থাটো লয় । বিজুলি শক্তি সেই অঞ্চললৈ গৈছে যদিও ডিপ টিউবওৱেলৰ তাত ব্যৱস্থা নাই । ডিপ টিউবওৱেলৰ তাত ব্যৱস্থা কৰি জনসাধাৰণৰ উন্নতি সাধন কৰিব পাৰে । মই আশা ৰাখিছো মাননীয় মন্ত্ৰী মহোদয়ে এই কাম দুটা ভালদৰে চাই লয় যেন ।

শিক্ষা ব্যৱস্থা সম্পসাৰণৰ কাৰণে আৰু আমাৰ কন কন লৰা-ছোৱালী বিলাকক শিক্ষাৰক্ষেত্ৰত আগবঢাই লৈ যাবৰ কাৰণে প্ৰাথমিক পৰ্য্যায়টো প্ৰাদেশীকৰণ কৰা হ'ল যদিও অকল আমাৰ এম, এল, এ সকলৰ সমষ্টিতেই নহয় মন্ত্ৰী মহোদয় সকলৰ সমষ্টিতো বহুতো স্কুলৰ দুৰৱস্থা হৈ আছে । চৰকাৰে সেই বিলাকৰ উন্নতি সাধন কৰিব বুলি মোৰ ধাৰণা । জনস্বাস্থ্যৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথেষ্ট কৰিছে যদিও ভিতৰুৱা ঠাই বোৰত যত চিডিউল কাষ্ট, চিডিউল ট্ৰাইবৰ মানুহ বিলাক বস বাস কৰি আছে সেইবিলাকত যাতে হস্পিটাল আৰু চাব চেণ্টাৰ বিলাকৰ সম্প্ৰসাৰিত হয় সেইটোৰ কাৰণে মই বিভাগৰ দৃষ্টি আকৰ্ষণ

কৰিছো। লগতে মোৰ সমষ্টি ৰাণীঅঞ্চলত এটা চাবচেন্টাৰ খেল খোলা হল যদিও তাৰ্লৈ এতিয়াও কোনো ডাক্তৰ-কম্পাউণ্ডাৰ আদি নোহোৱাৰ কথাটোলৈ লক্ষ্য ৰাখি তালৈ অনতিপসময়ে পথোৱাৰ ব্যৱস্থা কৰিব লাগে।

বন বিভাগৰ ক্ষেত্ৰত বাজেটত তেনেকৈ কোৱা নাই। এইটো এটা 'ৰেভিনিউ আৰ্ণিক' বিভাগ। কিন্তু বৰ আক্ষেপেৰে সৈতে এইটো কথা মই আজি কবলৈ বাধ্য হৈছো যে, বন বিভাগৰ কৰ্মচাৰী বিলাকৰ ঘৰ দুৱাৰ আদি যেনেকুৱা হব লাগিছিল সেই দৰে হোৱা নাই। গভীৰ অৰণ্যৰ মাজত এজনী পৰিবাৰ লৈ এজন ফৰেষ্ট গাৰ্ড সামান্য একোটা ঘৰত থাকিব লাগে। বনৰীয়া হিংস্ৰ জীৱ-জন্তু আদি আছেই। বনৰীয়া হিংস্ৰ জীৱ-জন্তুতকৈও মানুহে বেছি হিংস্ৰ হৈ পৰিছে। গতিকে এইটো বিশেষ ভাৱে চাবৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছোঁ। তাৰোপৰি আজি আমি যি ফালেই চাওঁ সেই ফালেই দেখা পাওঁ যে, বনসম্পদৰ ধ্বংশলীলাহে আৰম্ভ হৈছে। গড়পুৰতে অৰণ্যৰ ধুনীয়া ধুনীয়া গছ গছনি সকলো বিলাক কাটি শেষ কৰি দিছে ইমানদিনে কোনো ব্যৱস্থা নোলোৱাটো সচাকৈ বৰ দুখৰ কথা। মাটি বাৰী নোহোৱালোক সকল যেতিয়া হাবি জংঘল কাটি বহিবলৈ যায় তাৰ আগতে তেওঁবিলাকক বহুউৱাৰ ব্যৱস্থা কৰিব লাগে কিন্তু যেতিয়া ১৫।২০ বসবাস কৰে তেতিয়া সেইটো চিন্তা কৰি চাব লাগে। চেয়াৰ-মেন মহোদয়. ৰাইজক ধাৰৰ বোজাৰ পৰা ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে যদিও গৰীব মানুহক কোনো মানুহে ধাৰ নিদিয়া হৈছে। ফলত এই লোকসকলৰ কাৰণে কিবা এটা বিকল্প ব্যৱস্থা কৰিব নোৱাৰিলে তেওঁ-লোক আগুৱাই যাব নোৱাৰিব। গতিকে কিবা চেষ্টা বিকল্প ব্যৱস্থা কৰিব বুলি আশা ৰাখি এইখিনিকে কৈ মই মোৰ বক্তৃতাৰ সামৰণী মাৰিলো আৰু মাননীয় মুখ্যমন্ত্ৰীক এনেকুৱা এখন বাজেট দাঙি ধৰাৰ

কাৰণে শলাগ লৈছো ।

শ্ৰীপুষ্পধৰ চলিহা :—মাননীয় সভাপতি মহোদয়, আমাৰ বিত্ত-মন্ত্ৰীয়ে আজি সদনৰ আগত ১৯৭৬-৭৭ চনৰ বাবে যি খন বাজেট দাঙি ধৰিছে তাৰ কাৰণে মই তেখেতক ওলগ জনাইছোঁ । এই কাৰণেই ওলগ জনাইছো যে, আমাৰ দেশখন এখন সমস্যাবহুল আৰু দুখীয়া দেশ । এই দুখীয়া আৰু সমস্যাবহুল দেশখনক আগবঢ়াই নিবলৈ আজি যিবিলাক আচনি লোৱা হৈছে সেইবিলাক আচনি আমাৰ দেশৰ আৰ্থিক দিশৰ ওপৰত সম্ভাৱপৰ নহয় । তেনেকুৱা এটা অৱস্থাত তেখেতে ৩ কোটি ১৩ লাখ টকাৰ ঘাটি আৰু বিত্তীয় ৰাহি দুয়োটা মিলাই যি এখন 'চাপ্লাছ বাজেট' দাঙি ধৰিছে তাৰ কাৰণে মই তেখেতৰ শলাগ লৈছোঁ ।

মাননীয় সভাপতি মহোদয়, আমাৰ দেশখনৰ পৰিস্থিতিত ৰাজহৰ পৰিমাণ হৈছে ৭৩·৩৫ কোটি টকা আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজহৰ ভাগ পাওঁ ৯২·৭০ কোটি টকা আৰু মুঠ ১৫৬ কোটি ১০ লাখ টকা । তাৰ ওপৰত ৫২৮ কোটিৰ ওপৰত আমাৰ ধাৰ । এইটো পৰিশোধ কৰোতে সুদৰ বাবদত বছৰি ২৫ কোটি ৩০ লাখ টকা আৰু মূলৰ বাবদ ১৬ কোটি ৩০ লাখ টকা মুঠ প্ৰায় ৪১ কোটি টকা ধাৰৰ ঋণ পৰিশোধ কৰিব লাগে । এই পৰিস্থিতত আমি যে কিছুমান উন্নয়নমূলক কাম কৰিবলৈ সক্ষম হৈছো তাৰ কেটামান দৃষ্টান্ত দিলেই বুজিব পাৰি ।

শিক্ষাৰ শিতানত ১৯৪৮ চনত স্বাধীনতাৰ এবছৰৰ পিছত ৯৯ লাখ টকাহে ধৰ হৈছিল কিন্তু আজি ১৯৭৬-৭৭ চনত প্ৰায় ৫৩ কোটি টকা ধাৰ্য্য কৰিছে । সু-সিক্ষাৰেহে নাগৰিক কৰিব পৰা যাব সেইটোৰ

প্ৰতি লক্ষ্য ৰাখিয়েই আজি আমাৰ দেশৰ শিক্ষাৰশিতানত আগৰ তুলনাত বহুত বেছিকৈ ৫৩ কোটি টকালৈকে টকাৰ পৰিমাণ বঢ়াইছে।

তাৰ পাচত আমাৰ প্ৰসাসনৰ ক্ষেত্ৰত প্ৰায় ৬০ কোটি টকা আমাৰ প্ৰশাসন যন্ত্ৰটো চলাবলৈ চৰকাৰৰ বিভিন্ন দপ্তৰ আৰু বিভিন্ন বিভাগৰ কৰ্মচাৰী সকলৰ দা-দৰ্মহা আৰু তেওঁলোকৰ অন্যান্য সা-সুবিধা যিবিলাক দিবলগীয়া হৈছে সেইবিলাকত খৰচ কৰিবলৈ ধৰা হৈছে। ইমানবিলাক সা-সুবিধা আৰু ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক কাম কৰাৰ ৰাবদ খৰচ কৰিও আৰু সকলোবোৰ উন্নয়নমূলক আঁচনি লৈও যি এখন ঘাটি নোহোৱা বাজেট ডাঙি ধৰিছে তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। এই প্ৰসঙ্গতে কেইটামান কথা মই চৰকাৰৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে আমাৰ এই ২০ দফীয়া আঁচনি চৰকাৰে হাতত লৈ জনসাধাৰণৰ উন্নয়মমূলক কাম, গৰীৱ জনসাধাৰণৰ উপকাৰৰ কাৰণে ৩৬ কোটি ২০ লাখ টকা ধাৰ্য্য কৰিছে, ইয়াৰ দ্বাৰা অন্তত আমি এটা দৃঢ় পদক্ষেপ লব পাৰিম। এই কথাটোত নিশ্চয় আমাৰ ৰাইজে আশাৰ সঞ্চাৰ পাইছে। শিক্ষাৰ শিতানত শিক্ষাৰ প্ৰসাৰণ কৰিবৰ কাৰণে চৰকাৰে ৫৩ কোটি টকা ধাৰ্য্য কৰিছে কিন্তু আজি যি সময়ত প্ৰাথমিক শিক্ষা বহুল ভাৱে প্ৰসাৰণ কৰাৰ কাৰণে চিন্তা কৰা হৈছে সেই সময়ত যি সকলৰ ওপৰত এনে-বিলাক কামৰ দায়িত্ব অৰ্পণ কৰা হৈছে সেই সকলে এই দায়িত্ব নিষ্ঠাৰে পালন কৰিছে জানো সেই বিষয়ে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। আপোনালোকে জানে যে অলপতে যোৱা আগষ্ট মাহত শিৱসাগৰৰ ইন্সপেক্টৰ অব স্কুলচৰ প্ৰাথমিক স্কুলৰ পৰা প্ৰায় ৪০০ শিক্ষকক চাকৰিৰ পৰা বিতাৰিত কৰিছে তাত আগতে ১০৮ জন শিক্ষকৰ চাকৰি খালি আছিল আৰু সেই সময়তে

কৰ্তিপক্ষই কোনো চেংশন আৰু অবদাৰ নোহোৱাকৈ ১০৮ জন শিক্ষকৰ ঠাইত ৪০০ জন শিক্ষকক নিয়োগ কৰিলে কিন্তু যেতিয়া এই বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হল তেতিয়া সেই আগৰ যি কেইজন নিয়মীয়া শিক্ষক আছিল তেওঁলোকক চাকৰিৰ পৰা বিতাৰিত কৰি পিছ দুৱাৰেদি নতুন শিক্ষক লগে যি সকল কেৰাণী তাত আছিল আৰু এচ. আই দি, আই ইত্যাদিৰ যি লিষ্ট আছিল সেইমতে তেওঁলোকক চাকৰি দিলে কিন্তু এম. এল, এই যি লিষ্ট দিলে তাৰ পৰা লোৱা নহল। গতিকে এই বিষয়টোৰ প্ৰতি এটা সুবিচাৰ কৰিৱ লাগে বুলি মই আপোনাৰ জৰীয়তে আৰু শিৱসাগৰৰ স্থানীয় এম, এল, এ সকলক লৈ মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। অৱশ্যে যি কেইজন মাখি মৰা কেৰাণী আছিল তেওঁলোকৰ ২/১ জনক বৰ্খাস্ত কৰা হ'ল কিন্তু যি জন গুৰিয়াল আছিল তেওঁৰ ওপৰত কোনো ব্যৱস্থা লোৱা নহল আৰু ইতিমধ্যে তেওঁ বদলি হৈ আহিছে। তাৰ পাচত আমাৰ পঞ্চ পৰিকল্পনাৰ আমাৰ জনসাধাৰণক যিটো আশ্বাস দিয়া হৈছিল যে পঞ্চম পৰিকল্পনাত শতকৰা ৪০ গাৱত বৈদ্যুতিকৰণ কৰা হব আৰু সেইদৰে শতকৰা ৪০ খন গাৱত পানী যোগানৰ ব্যৱস্থা কৰা হব। কিন্তু আজি এই পঞ্চম পৰিকল্পনাৰ ২ টা বছৰ অতিবাহিত হৈ গৈছে কিন্তু এই বিষয়ত কিমান দুৰ অগ্ৰগতি লাভ কৰিছো সেইটো আমি নাজানিলো। কিন্তু এই কেইবছৰৰ ভিতৰত কিমান দুৰ বাইজৰ প্ৰতিশ্ৰুতি চৰকাৰে ৰাখিব পাৰিছে সেই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় বাজেট আলোচনাত আমাক জনাব। তাৰ পিচত 'ইৰিগেশ্যনৰ' কাৰণে বহুত আলোচনা হৈ গৈছে মই পুনৰ সেই বিষয়ে দোহাৰিব নোখোজো। ৰাজ্যপালৰ ভাষণৰ ওপৰত পি, ডব্লিউ, দি ৰ বিষয়ে মই কৈছিলো, সিদিনা আমাৰ মাননীয় সদস্য বলোভদ্ৰ দাসে এটা বৰ ধেমেলীয়া

উপমা দিছিল যে আমাৰ নেশ্যনেল হাইওৱেৰ ৩৭ নং ৰ পথত কোনো 'স্পিদ ব্ৰেকাৰ' দিব নালাগে কিয়নো তাত থকা আপোনা আপোনিকৈ হোৱা যিবিলাক নেচাৰৰেল 'স্পিদ ব্ৰেকাৰৰ' নিচিনা গাত আছে সেইবিলাকেই যথেষ্ট হব। এইটো বৰ দুখৰ কথাই নহয় ই বৰ লাজৰ কথা কিয়নো আন ৰাজ্যৰ মানুহে আমাৰ নেচনেল হাইওৱেৰ অৱস্থা এনে দেখিলে আমাক হাহিব। তাৰ এটা আশুসমাধান হব লাগে। এই বিভাগৰে সংক্ৰান্তত মই আন এটা ঘটনাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। যে যোৱাবাৰ বাজেট আলোচনাতে এই, সদনত কৈছিলো এজন এদিশ্যনেল এক্সিকিউটিভ ইঞ্জিনিয়াৰে ১২ লাখ টকা অন্যায় ভাৱে কেইজনমান থিকাদাৰক লৈ কিবা এটা কামৰ অৰদাৰ দিছিল, তাৰ কোনো চেংশ্যন নাই, ৰোড কমিউনিকেশ্যন বোৰ্ডৰ কেইজনমান সদস্যাই এই বিষয়ে তদন্ত কৰি চৰকাৰৰ উচ্চপৰ্যায়লৈ জনাইছিল কিন্তু চৰকাৰে ইয়াৰ কোনো একশ্যন এতিয়ালৈকে নললে। গতিকে মাননীয় গড়কাপ্তানী বিভাগৰ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি মতে এই বিষয়টো অনুসন্ধান কৰি একশ্যন লম বুলি আশ্বাস দিছিল সেইমতে যাতে সোনকালে কৰে সেই বিষয়ে যত্নবান হয়। তাৰ পিচত উদ্যোগ বিভাগৰ কথা কও, আগতে মই কোৱা মতে শতকৰা ৪০ খন গাৱত বৈদ্যুতিকৰণ কৰা কথা আছিল কিন্তু শতকৰা ৪০ খন বাদেই দিয়ক শিৱসাগৰৰ যি খন উদ্যোগ পাম ইয়ং এণ্টাৰপ্ৰাইজ এজনে ১৫ হাজাৰ টকা লৈ ষ্টিল ফাৰনিচাৰ আচনি লৈছিল আজি মাত্ৰ ১বছৰ হৈছে আৰম্ভ কৰা, কিন্তু সেই উদ্যোগ, পামটো চলিবৰ কাৰণে চৰকাৰে কোনো ধৰণৰ পাওৱাৰ তেওঁক দিব পৰা নাই, গতিকে সেই বিষয়টো ইয়ং এণ্টাৰপ্ৰাইজ এচোচিয়েশ্যনৰ মাজত আলোচনা হৈছে। গতিকে সেই বিষয়টোৰ প্ৰতি মই বিভাগীয় মন্ত্ৰী দৃষ্টি আকৰ্ষণ কৰিলো।

আগৰ মাননীয় বক্তা সকলে যি বিলাক কথা কৈছে সেই বিলাক মই দোহাৰিব বিচৰা নাই। মই মন্ত্ৰী সকলৰ ওচৰত এটা অনুৰোধ কৰিছো তেখেত সকলে জনসাধাৰণৰ আগত যি বিলাক আশ্বাস দি আহে সেইবিলাক যাতে কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিব লাগে। এই সংক্ৰান্তত মই মেডিকেল বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজি মেডিকেল বিভাগৰ কিমান অগ্ৰগতি হৈছে সেইটো চাবলগীয়া হৈছে। আমাৰ মাননীয় সদস্য সকলক শিৱসাগৰ চিভিল হস্পিটাল খন চাবলৈ আমন্ত্ৰণ জনাইছো। তাহঁতে কেইবাজনো মন্ত্ৰীয়ে গৈ আশ্বাস দিলে কিন্তু আজি ১০ বছৰে ১০ টকাৰো কাম নহল। মোৰ সমষ্টি আমগুৰিলৈ মেডিকেল মন্ত্ৰী আজি তিনি মাহ মানৰ আগতে গৈছিল। তেখেতে গৈ আচৰিত মানিলে। তেখেতে কৈছিল যে এনেকুৱা এখন সীমান্ত বৰ্ত্তী ঠাইত এখন হস্পিটাল নোহোৱাটো বৰ আচৰিত কথা। তেখেতে তাত ৰাইজক আশ্বাস দি আহিল যে তাত এখন হস্পিতাল হব মই গৈয়েই অৰ্ডাৰ দিম। কিন্তু অৰ্ডাৰ অৰ্ডাৰ হৈয়ে থাকিল। হস্পিতালৰ কাৰণে ১০ বছৰ মানৰ আগতেই মাটি ললে কিন্তু আজিলৈকে কোনো কাম নহল। এই কাৰণেই ৰাইজৰ ধাৰণা হৈছে যে মন্ত্ৰী সকলে ৰাইজক মিছা আশ্বাস দি ফুৰে তেখেত সকলৰ আশ্বাসৰ কোনো মূল্য নাই। অজি দুই বছৰ মানৰ আগতে মেডিকেল বিভাগৰ মন্ত্ৰী শ্ৰীটৈৰণ চাহাৱৈগে জয়সাগৰত ৪৫ বিঘা মাটি পি ডাবলিউ ডিক চমজাই দি আহিল। ৰাইজে আশা কৰিছিল যে ৬ মাহ মানৰ পিচতেই কাম আৰম্ভ হব। কিন্তু একো কামেই নহল। এই কাৰণেই মই অনুৰোধ কৰিছো মন্ত্ৰী সকলক গৈ মাত্ৰা পিঙ্কি ৰাইজক মিছা আশ্বাস দি আহিব নালাগে। যেতিয়ালৈকে কাম কৰিব নোৱাৰে তেতিয়ালৈকে আশ্বাস দিব নালাগে যদি কাম কৰিব পাৰে তেতিয়াহে আশ্বাস দিব লাগে। তেতিয়াহলে ৰাইজে ভাবিব

যে মন্ত্ৰী সকলৰ আশ্বাসৰ মূল্য আছে। আমি যাতে গঠন মূলক ভাবে কাৰ্য্য ক্ষেত্ৰত আগ বাঢ়ি যাব পাৰো বাইজৰ সন্মান ৰক্ষা কৰিব পাৰো তাৰ কাৰণে মই সদনৰ মাননীয় সদস্য সকলক আৰু মন্ত্ৰী সকলক সুৰৰাই দিওঁ।

মাননীয় সদস্য শ্ৰীখাউণ্ড ডাঙৰীয়াই তেখেতৰ ভাষণত কৈছে যে আমাৰ জৰুৰী অৱস্থাৰ প্ৰথম কেই মাহত যি তৎপৰতা আৰু জনসাধাৰণ যি ভাৱে সমৰ্থন লাভ কৰিছিল এতিয়া তেনেই সেমেকি গৈছে। আজি প্ৰশ্নোত্ত কালত দেখা গৈছে ৫ লাখ টকাৰ ৰেলওৱে চুৰি হোৱা শ্লিপাৰৰ Slipper কেচ ১৯৭১ চনতেই ধৰা পৰিল কিন্তু দেখা গল দোষীৰ শাস্তি দিয়া দূৰৰ কথা তেওঁলোকৰ প্ৰমোচনহে হল। আৰু বাইজৰ ৫ লাখ টকা টকাৰ ৰাজহ লোকচান হৈছে। যদি পিয়ন বা অফিচ এচিচটেণ্ট হলহেতেন তেনেহলে বিতাৰিত হলহেতেন এইটো সকলোৱে জনা কথা যে দুৰ্বল লোক সকলক জৰুৰী অৱস্থাৰ সুযোগ লৈ বিতাৰিত কৰিছে। কিন্তু শক্তিশালী লোকৰ ওপৰত একো ব্যৱস্থা লব পৰা নাই। আমি ভাবো শক্তিশালী লোকৰ ওপৰতো একেই ব্যৱস্থা লব লাগিব। মই অফিচাৰ সকলৰ কথাই কোৱা নাই সদনৰ মাননীয় সদস্যই হওক বা মন্ত্ৰীয়েই হওক দুৰ্নীতিৰ কিবা প্ৰমাণ পালে সমপৰ্য্যয়ৰ ব্যৱস্থা লব লাগিব।

জলসিঞ্চনৰ কথা কেইবাগৰাকী মাননীয় সদস্যই কবলৈকে'ৱাৰ কাৰণে মই এটা কথা কব বিচাৰিছো। সেইটো হৈছে মোৰ সমষ্টিত আমগুৰি মোককচাং ৰাস্তাৰ কাষত যিটো ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিছে তাত মাটিৰ ৰেট দুটা চাইদত দুটা বেলেগ হোৱাৰ কাৰণে এতিয়া বাইজে মাটি নিদিয়া হৈছে। পৰহি মোৰ সমষ্টিৰ পৰা এজন

মানুহ আহি কৈছে যে জলসিঞ্চন কৰাৰ কাৰণে প্ৰত্যেক খেতিয়কেই প্ৰত্যেক খেতিৰ কাৰণেই বিঘাই প্ৰতি ৫০ টকাকৈ দিব লাগিব। যদি এটা খেতিয়কে এক বিঘা মাটিত তিনিটা খেতি কৰে তেনেহলে ১৫০ টকা দিব লাগিব। বছৰত যিমানটা খেতি নকৰক ৫০ টকা দিবলগীয়া হলেও কথা নাছিল। কিন্তু যিমানটা খেতি কৰে সিমানটাৰ কাৰণে ৫০ টকাকৈ কেনেকৈ দিয়ে। যদি এই দৰে এই জলসিঞ্চনৰ কাৰণে ৰাইজৰ কোনো উপকাৰ নহব। মই এই সম্পৰ্কত মাননীয় জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মই দীঘলীয়া নকৰো। মই যিবিলাক পৰামৰ্শ আগবঢ়াইছো; মই চৰকাৰক অনুৰোধ কৰিছো আমাৰ চৰকাৰৰ যি দায়িত্ব আছে সেই দায়িত্বৰ প্ৰতি সজাগ হৈ যায় তাৰ কাৰণে মই বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। শিক্ষা বিভাগৰ দুৰ্নীতিৰ যিটো অভিযোগ মই আনিছো আমাৰ মাননীয় শিক্ষা মন্ত্ৰী সেই সময়ত নাছিল এতিয়া আহিছে তেখেতে যাতে এই বিষয়ত সুবিচাৰ কৰে। এই খিনিকে আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণী মাৰিছো।

* শ্ৰীকেহোৰাম হাজৰীকা :— মাননীয় উপধ্যক্ষ মহোদয়, বাজেটৰ সাধাৰণ আলোচনাত মই দুষাৰমান কথা কবলৈ বিচাৰিছো। আমাৰ গোটেই ভাৰতবৰ্ষতেই বৰ্তমান জৰুৰী অৱস্থা চলি আছে এই জৰুৰী অৱস্থা প্ৰৱৰ্তণ কৰাটো উচিত আছিলনে নাই, সময় উপযোগী হৈছেনে নাই এই বিষয়ৰ তৰ্কৰ সময় পাৰ হৈ গৈছে। দেশৰ অধিকাংশ দুখীয়া শ্ৰমিক, কৃষক মধ্যবিত্ত জনসাধাৰণে জৰুৰী

* Speech not corrected

অৱস্থা সময় উপযোগী হৈছে বুলি মানি লোৱাৰ ভিতৰেদি এই কথাই প্ৰমাণ হৈছে যে জৰুৰী অৱস্থা দেশত প্ৰয়োগ কৰাতো উচিত হৈছে আৰু সময় উপযোগী হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই জৰুৰী অৱস্থাৰ পিচত দেশত জৰুৰী অৱস্থাৰ ফলত একেবাৰেই একো সুফল পোৱা নাই। বাস্তবতে ফল একো আমি দেখা নাই। এই কথা কলে বাস্তব সত্যক অবমাননা কৰা হব। আমি এটা কথা জানো যে জৰুৰী অৱস্থা হোৱাৰ পিচত দেশত কিছু পৰিমানে হলেও মুদ্ৰাস্ফীতি বোধ হৈছে। দেশখনত পাইকাৰীৰ দৰে কিছু পৰিমানে হলেও উন্নয়ন মুখী হৈছে। দেশত জৰুৰী অৱস্থা প্ৰৱৰ্ত্তন আগ মুহূৰ্ত্তত আইন শৃংখলাৰ যি অৱস্থা আছিল সেই অৱস্থা বহুত পৰিমানে উন্নত হৈছে।

উপাধ্যক্ষ মহোদয়, আজি জৰুৰী অৱস্থা প্ৰবৰ্ত্তন কৰাৰ পিচৰে পৰা দেশ খনৰ আইন শৃংখলাৰ পৰিস্থিতি বহু পৰিমাণে উন্নত হৈছে। চৰকাৰৰ শাসন যন্ত্ৰটো কিছু পৰিমাণে হলেও উন্নত হৈছে।

(ভইচ: সঁচা কথা কৈছেনে?)

সদায়ে সঁচা কথা কওঁ। এই বিলাক নিতান্তই সঁচা কথা যে দেশত জৰুৰী অৱস্থা প্ৰৱৰ্ত্তন কৰাৰ ফলত দেশত এটা অস্থিৰ অৱস্থাৰ পৰা সুস্থিৰ অৱস্থা আহিবৰ কাৰণে এটা পথ আৰম্ভ হৈছে। কিন্তু লগতে এইটো কথাও কব লাগিব যে যেনেকৈ জৰুৰী অৱস্থাই কিছু সুফল অৰ্জন কৰিছে আনফালেই জৰুৰী অৱস্থাৰ ফলত সাধাৰণ মানুহ বহুপৰিমাণে দুৰ্যোগৰৰ সন্মুখীন হৈছে।

উপাধ্যক্ষ মহোদয়, অসম ৰাজ্যখনত আপুনি জানে যে খেতিয়ক মানুহৰ সংখ্যা বেছি। এই খেতিয়ক জনসাধাৰণৰ ভিতৰত অধিকাংশ

জনসাধাৰণ আজি মাটিহীন খেতিয়কত পৰিণত হৈছে। দেশ স্বাধীন হোৱাৰ পিচৰে পৰা দুখীয়া খেতিয়কৰ নামত যদিও মাটি লাখ লাখ বিঘা বিতৰণ কৰা হৈছে প্ৰকৃততে দুখীয়া খেতিয়ক মাটিৰ পৰা বঞ্চিত হৈ আছে। কিন্তু খেতিয়কৰৰ লগত সম্বন্ধ নথকা তেনেকুৱা ধনীক শ্ৰেণীৰ হাতত মাটি দিয়া হৈছে আৰু দুখীয়া খেতিয়ক মাটিৰ কাৰণে হাহাকাৰ কৰি ফুৰিছে। এই খেতিয়ক সকলৰ বহুতেই অনাই বনাই ফুৰি কোনোবাই কোনোবা ঠাইত খেতিৰ উপযুক্ত মাটি পাই তাত যদি নিজৰ বা পৰিয়ালৰ ভৰণ পোষণ দিব পাৰিব বুলি, লৰা ছোৱালীৰ জীৱনৰ পোহপাল দিব পাৰিব বুলি খেতি কৰিব বুলি বহিছিল সেই ঠাইৰ পৰা বন বিভাগৰ অফিচাৰে তেওঁলোকক উচ্ছেদ কৰিছে অথবা চৰকাৰে ৰাজহ বিভাগৰ বিষয়া লগাই দি উচ্ছেদ কৰাইছে।

উপাধ্যক্ষ মহোদয় আজি এই লোক সকলক মাটিৰ পৰা বঞ্চিত কৰি ৰখাৰ কাৰণে চৰকাৰী শাসন যন্ত্ৰ আৰু চৰকাৰেই মূলত: দায়ী। আজি এই সকলক বেআইনী কৰাৰ নামত যদি তেওঁলোকক অত্যাচাৰ কৰা হয় তেনেহলে জৰুৰী অৱস্থাৰ যি সুফল সেই সুফল তেওঁলোকৰ ভাগ্যত মিলা দূৰৰ কথা তেওঁলোকৰ ভাগ্যত তাৰ সলনি অত্যাচাৰ আৰু অনাচাৰহে মিলিছে। গতিকে মই কব খোজো যে দুখীয়া জনসাধাৰণক বিকল্পভাবে মাটি বাৰি দিয়াৰ বন্দবস্ত কৰিব লাগে। বাজেটত এইটো কথা সঁচা যে আমাৰ দেশৰ শতকৰা ৭৪-৭৫ ভাগ মানুহ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰে। বাজেটত এই লোকসকলৰ দৰিদ্ৰতাৰ সীমাৰেখাৰ পৰা উন্নত কৰি অনাৰ কাৰণে প্ৰকৃততে চাবলৈ গলে কোনো বাস্তব পৰিকল্পনা আমাৰ দেশত নাই। আজি মই এইটো কথা কব খোজো যে দেশত জৰুৰী অৱস্থা যদি হোৱা উচিত তেন্তে দুখীয়া মানুহ খিনিক গণতান্ত্ৰিক অধিকাৰ আৰু অৰ্থ নৈতিক উন্নতিৰ কাৰণে আৰু

যি সকল প্ৰতিক্ৰিয়াশীল শক্তিয়ে বাধাৰ সৃষ্টি কৰিছিল সেই সকলৰ কাৰণে জৰুৰী অৱস্থা প্ৰবৰ্ত্তন কৰা উচিত হৈছে।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশত ভূমিসংস্কাৰৰ কথাকে যদি আমি চাওঁ তেতিয়াহলে আমি দেখিম যে ১৯৫৭ চনতে চিলিং আইন পাচ কৰি তাত মাটিৰ সৰ্ব্বোচ্চ সীমা এশ পঞ্চাশ বিঘা কৰি দিয়া হল আৰু তেতিয়া চৰকাৰে দিয়া হিচাব মতে আমাৰ ৰাজ্যত বত্ৰিশ লাখ বিঘা অতিৰিক্ত মাটি পাব লাগিছিল। কিন্তু আজি চৰকাৰী হিচাব দিয়া হৈছে যে মাত্ৰ এক লাখ আঠান্নৈৰ হাজাৰ বিঘা মাটিহে চিলিং আইনৰ উদ্বৃত্ত মাটি হিচাবে পোৱা হৈছে আৰু এতিয়ালৈকে খেতিৰ মাটি বিতৰণ কৰা হৈছে। আমি জানো যে এই মাটি চাহ বাগানৰ ওচৰত অতীজৰ পৰা বসবাস কৰি থকা সকলৰ মাজত দিয়া হৈছে। পট্টন দিয়া হৈছে। কিন্তু প্ৰকৃততে মাটিৰ মহাজন সকলৰ পৰা যি উদ্বৃত্ত মাটি পাব লাগিছিল সেই মাটি এতিয়াও পাব পৰা নাই। মোৰ সমষ্টিতে মই কব পাৰো যে একোটাহত ডাগতে ছয়শ একত্ৰিশ বিঘা পৰ্য্যন্ত মাটি থকা মহাজন আছে আৰু সেই মহাজনৰ ওপৰত ১৯৫৭ চনৰে পৰা আজিলৈকে হাত দিব পৰা নাই। দুহাজাৰ বিঘা দেড় হাজাৰ বিঘা মাটি থকা লোক অসমত বহুত আছে কিন্তু সেই সকলৰ ওপৰত একো কৰিব পৰা নাই, এই অতিৰিক্ত মাটি ৰখা সকলৰ গাৰ নোম এডালো হাত লগাব পৰা নাই।

উপাধ্যক্ষ মহোদয়, এই কথা সকলোৱে ভালকৈ জানে যে ৰাজ্যখনত ৰায়তীস্বত্ব আইন পাচ কৰা হল, প্ৰবৰ্ত্তন কৰা হল যদিও এতিয়াও ৰায়ত সকলে মহাজন সকলৰ জুলুমৰ সন্মুখীন হৈ আছে।

ৰায়ত সকলৰ ওপৰত নানা ৰকমৰ কেচ, নানা ৰকমৰ জুলুম উশ্চেদ আদি এতিয়াও চলি আছে। ৰাজহ বিভাগৰ যিটো মন্থৰ গতি সেই গতিত যদি কৃষক সকলক চলিব দিয়া হয় তেতিয়াহলে এই জুলুমত ভূমি কৃষক সকল জুৰুলা হবগৈ। গতিকে এই ব্যৱস্থা অতি খৰতকীয়া ভাৱে কৰিবলৈ চৰকাৰৰ ওচৰত নিবেদন জনালো আৰু চৰকাৰে ঘোষণা কৰা মতে ১৯৭৬ চনৰ জুন মাহত ভিতৰতে দুখীয়া মাটিহীন খেতিয়ক সকলোকে মাটি দিয়াৰ কথা বাস্তবত পৰিণত কৰাৰ কাৰণে জোৰ দিব লাগে।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ ফালৰ পৰা সদনত বহুবাৰ পৰামৰ্শ দিয়া হৈছে যে অকল চৰকাৰী শাসনযন্ত্ৰই এই কাম কৰা সম্ভৱপৰ নহয় কিয়নো এতিয়ালৈকে এই গতিত প্ৰায় ত্ৰিশ বছৰ অতিবাহিত হৈ গল। চৰকাৰৰ ফালৰ কিছুমান ভূমি-সংস্কাৰ কমিটি গঠন কৰি দিয়া হৈছে কিন্তু তাত আচলতে ভূমি-সংস্কাৰৰ দৃষ্টিভঙ্গী লৈ কাম কৰা হোৱা নাই ৰাজনৈতিক দৃষ্টিভঙ্গীলৈহে কাম কৰা হৈছে আৰু এই কমিটি বিলাক গঠন কৰা হৈছে যেন পাওঁ। কেনেকুৱা চিচ্‌টেমত এই কমিটি বিলাক গঠন কৰিছে নাজানে কিন্তু কিছুমান মানুহে নামে বেনামে চিলিং আইনৰ অতিৰিক্ত মাটি ৰাখি ভূমিসংস্কাৰ কামৰ বাধাৰ সৃষ্টি কৰি আছে সেই ধৰণৰ মানুহকো এই কমিটি বিলাকৰ চেয়াৰম্যান কৰি দিয়া হৈছে। মই পুনৰ এই পৰামৰ্শ আগবঢ়াইছো যেন সঁচাই যদি কুৰিদফীয়া আঁচনি কাৰ্য্যকৰী কৰিব খুজিছে, যদি সচাকৈ ভূমিসংস্কাৰ কৰি অসমত সেই আচনি কাৰ্য্য-কৰী ভাৱে ৰূপায়িত কৰিব খুজিছে তেনেহলে এই কমিটি বিলাক অচিৰেই পুনৰগঠন কৰিব লাগে। ৰাজনৈতিক দৃষ্টিভঙ্গী বা কোনো পাৰ্টিৰ কথা নাচাই বিভিন্ন কমিটি বিলাক গঠন কৰি প্ৰকৃততে মাটিহীন

খেতিয়ক সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে চেষ্টা কৰা উচিত হব।

উপাধ্যক্ষ মহোদয়, কৃষি সম্পৰ্কে আন এটা কথা কব খুজিছো যে আমাৰ দেশত কৃষি কিছু উন্নত হৈছে। শস্যৰ উৎপন্ন বাঢ়িছে এই কথাত মই অন্য বহু কেইজন মাননীয় সদস্যৰ লগতে একমত যে ইয়াৰ কাৰণে আমাৰ চৰকাৰ প্ৰশংসাৰ পাত্ৰ নহয়। এই কথা বাৰে বাৰে উল্লেখ কৰা হৈছে যে জলসিঞ্চনৰ ব্যৱস্থা বাৰিষাহে ভাল হয় আৰু খৰালি কালত যেতিয়া আচলতে জলসিঞ্চনৰ দৰকাৰ হয় তেতিয়া মাটি ফাটি থাকে। ইয়াৰ ফলত বতৰলৈ অপেক্ষা কৰিবলীয়া হয়। আচলতে বতৰৰ ভাল বেয়াৰ ওপৰতেই খেতিৰ উৎপন্নৰ কথা নিৰ্ভৰ কৰি আছে আৰু দুখীয়া খেতিয়কে ভাল বতৰ চাই অনাই বনাই খেতি কৰি ফুৰাৰ ফলত কিছু উৎপাদন বাঢ়িছে। কিন্তু এই ব্যৱস্থা অধিক শক্তিশালী কৰিব লাগিব আৰু জলসিঞ্চনৰ কাৰণে খেতিয়কসকলৰ যিটো সমস্যাৰ সন্মুখীন হবলগীয় হৈছে সেইটো দূৰ কৰিব লাগিব। তাৰ পিচত আৰু এটা কথা কব খুজিছো। সেইটো আমাৰ সমবায়ৰ কথা। আজিলৈকে সমবায় বিলাক জন্মৰে পৰা যিবিলাক কমিটি গঠন কৰা হৈছিল সেই বিলাক আৰু নতুনকৈ গঠন কৰা হোৱা নাই। কিছুমান সমবায় সমিতি আছে যিবিলাকৰ বাৰ্ষিক মিটিং আদিও ইমান দিন ধৰি বহা নাই। এই বিলাক নানা কাৰণত ৰাইজৰ ফালৰ পৰা বিভিন্ন সমবায় সমিতিৰ ক্ষেত্ৰত অভিযোগ অনা হৈছে। ইয়াৰ ফলত সমবায়ৰ ওপৰত ৰাইজৰ যিটো আস্থা আছিল সেই আস্থা হেৰাই গৈছে যেন অনুমান হয়। কিন্তু আৰম্ভণিতে এই সমবায়ৰ প্ৰতি সকলোৰে আস্থা আছিল আৰু সকলোৰে সহযোগীতা আগবঢ়াইছিল কিন্তু এই সমবায় বিলাক সুস্থিৰ ভাৱে পৰিচালনা কৰাৰ কাৰণে যিবিলাক ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা আমি দেখিবলৈ পোৱা নাই। তাৰ কাৰণ হৈছে সমবায়

আইন মতে যিবিলাক সমবায় গঠন কৰা হৈছিল, সমবায়ে দুৰ্ব্বল শ্ৰেনীৰ মানুহক যেনেকৈ বেছি ভাগেই সাঙুৰি লব লাগিছিল ঠিক সেই দৰে কৰি কিছু ব্যতিক্ৰম কৰিছে আৰু বছৰৰ পিচত বছৰ ধৰি সেই সমবায় বিলাকৰ জেনেৰেল মিটিং আদি হোৱা নাই। ফলত সমবায় বিলাক আচল উদ্দেশ্যৰ পৰা আতৰি গৈছে। আইনত লিখা থকা কথাৰ পৰা সমবায় কিছুমানৰ উদ্দেশ্য আতৰি গৈছে। প্ৰকৃততে সমবায় আইনৰ বিধি-মতে যদি সমবায় বিলাক পৰিচালনা কৰা হয় আৰু বাইজে যিবিলাক অভিযোগ উত্থাপন কৰিছে সেই অভিযোগ বিলাক যদি দূৰিকৰণ কৰা হয় তেতিয়াহলে মই ভাবো সমবায় আন্দোলন নিশ্চয় ফলৱতী হব পাৰিব সেই কাৰণে মই পৰামৰ্শ আগবঢ়াব খোজোযেন সমবায় বিলাক প্ৰকৃততে সমবায় আইনৰ বিধিমতে প্ৰস্তুত কৰা হয়।

## ADJOURNMENT.

Mr. Deputy Speaker :— The House stands adjourned till 10 A. M. tomorrow.

The House then rose at 5- P. M. and stood adjourned till 10 A. M. on Thursday the 4th March, 1976.

P. D. Barua

Dated Dispur,

Secretary.

The 3rd March, 1976

Assam Legislative Assembly.